www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

প্রথম বছৰ ❑ সংখ্যা- ১৮৮ ❑ দেওবাৰ ❑ ১০ মে', ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 188 ❑ Sunday ❑ 10th May, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

অনলাইনত কাকতখন পঢ়িবলে স্কেন কৰক

ইতিহাস দৰাচলতে মানৱ জাতিৰ অপৰাধ, মূর্খতাৰ তালিকাৰ বাহিৰে আন একো নহয়। — এডৱার্ড গিবন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

■ নৰেন্দ্র মোডী, অমিত শ্বাহৰ উপস্থিতিত পশ্চিমবংগৰ নৱম মুখ্যমন্ত্রীৰূপে শপত গ্রহণ ■

ইতিহাস ৰচি শুভেন্দু অধিকাৰী হ'ল পশ্চিমবংগৰ মুখ্যমন্ত্রী

❑ শপতগ্রহণ অনুষ্ঠানৰ সাক্ষী বিজেপিৰ কেইবালাখ সমর্থক ❑ শুভেন্দু অধিকাৰীৰ সৈতে প্রথম পর্যায়ত মন্ত্রী হিচাপে শপত লয় দিলীপ ঘোষসহ ৫ গৰাকী বিধায়কে

নেশ্যানেল ডেস্ক, অসম বার্তা, ৯ মে' ঃ সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই শনিবাৰে পশ্চিমবংগৰ ৰাজনীতিত এক ঐতিহাসিক পৰিবর্তনৰ সাক্ষী থাকিল ৰাজ্যখন। কলকাতাৰ বিখ্যাত ব্রিগেড পেৰেড খেলপথাৰত অনুষ্ঠিত এক বর্ণাঢ্য অনুষ্ঠানত শপত গ্রহণ কৰি পশ্চিমবংগৰ নতুন মুখ্যমন্ত্রী হিচাপে দায়িত্বভাৰ গ্রহণ কৰে শুভেন্দু অধিকাৰীয়ে। ইয়াৰ লগে লগে প্রথমবাৰৰ বাবে ৰাজ্যখনত চৰকাৰ গঠন কৰিবলৈ সক্ষম হয় ভাৰতীয় জনতা পার্টি (বিজেপি)। মেদিনীপুৰৰ ভূমিপুত্র শুভেন্দু অধিকাৰীৰ ৰাজ্যপাল আৰ এন ৰবিয়ে মুখ্যমন্ত্রী হিচাপে শপত আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰায়। তেওঁৰ লগতে নতুন মন্ত্রীসভাৰ পাঁচজন কেবিনেট মন্ত্রীয়েও শপত গ্রহণ কৰে। শপত লোৱা ক্রমত ❑ ৬ পৃষ্ঠাত

শুভেন্দু অধিকাৰীক অভিনন্দন জনাই অসমৰ পূব ভাৰতত বিজেপি শাসনক ঐতিহাসিক বুলি উল্লেখ

অংগ, বংগ, কলিংগ, প্রাগজ্যোতিষত এতিয়া সনাতনী মূল্যবোধৰ চৰকাৰ ঃ হিমন্ত বিশ্ব শর্মা

ষ্টাফ ৰিপর্টাৰ, অসম বার্তা, ৯ মে' ঃ পশ্চিমবংগত প্রথমবাৰৰ বাবে বিজেপি চৰকাৰ গঠন হোৱাৰ লগে লগে ৰাজ্যখনৰ নতুন মুখ্যমন্ত্রী হিচাপে শনিবাৰে শপত গ্রহণ কৰে শুভেন্দু অধিকাৰীয়ে। এই ঐতিহাসিক ❑ ৬ পৃষ্ঠাত

■ জনতাৰ আশীর্বাদেই গণতন্ত্রৰ প্রকৃত শক্তি আৰু ৰাজকীয় সংকল্পৰ মহীয়ান উৎস ঃ প্রধানমন্ত্রী ■

বংগত প্রধানমন্ত্রী মোদীৰ নৱৰূপ; জনশক্তিক আঁঠুকাঢ়ি সেৱা, আশীর্বাদ

নেশ্যানেল ডেস্ক, অসম বার্তা, ৯ মে' ঃ পশ্চিমবংগৰ ৰাজনীতিত এক অভূতপূর্ব পৰিবর্তনৰ সাক্ষী থাকিল শনিবাৰে। অষ্টাদশ বিধানসভাৰ মুখ্যমন্ত্রী হিচাপে শপত গ্রহণ কৰে শুভেন্দু অধিকাৰীয়ে। কিন্তু এই অনুষ্ঠানত প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ এটা ❑ ৬ পৃষ্ঠাত

২৭ আৰু ১৭ নং ৰাষ্ট্রীয় ঘাইপথত গধুৰ বাহন নিষিদ্ধ

১২ মে'ৰ শপতগ্রহণ অনুষ্ঠানক লৈ যান-বাহন চলাচলত কঠোৰ নিষেধাজ্ঞা

নিউজ ডেস্ক, অসম বার্তা, ৯ মে' ঃ ১২ মে'ত অনুষ্ঠিত হ'বলগীয়া ড' হিমন্ত বিশ্ব শর্মাৰ দ্বিতীয় কার্যকালৰ শপতগ্রহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলা প্রশাসনে যানবাহন চলাচলৰ ক্ষেত্রত বিশেষ নির্দেশনা জাৰি কৰিছে। খানাপাৰা ফিল্ডত অনুষ্ঠিত হ'বলগীয়া এই ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্রী ভগৱন্ত মানৰ কেন্দ্রীয় চৰকাৰক তীব্র আক্রমণ

পঞ্জাৰৰ উদ্যোগ মন্ত্রী সঞ্জীব অৰোৰাৰ বাসগৃহত ইডিৰ তৃতীয়টো তালাচী অভিযান

❑ এমাহৰ ভিতৰতে দ্বিতীয়টো তালাচী ❑

নেশ্যানেল ডেস্ক, অসম বার্তা, ৯ মে' ঃ পঞ্জাৰৰ আম আদমি পার্টি চৰকাৰৰ মন্ত্রী সঞ্জীব অৰোৰাৰ বাসগৃহত শনিবাৰে পুৰালৈকে এনফর্চমেণ্ট ডাইৰেক্টৰেট (ইডি)ৰ এটা দলে তালাচী অভিযান আৰম্ভ কৰে। তদন্তকাৰী সংস্থাৰ সূত্রই জানিবলৈ দিয়া মতে, মন্ত্রীগৰাকী আৰু তেওঁৰ কেইবাজনো সহযোগীৰ বিৰুদ্ধে ❑ ৬ পৃষ্ঠাত

পুৰা বিজেপি বিধায়িনী দলৰ বৈঠক

আজি ঘোষণা হ'ব পৰৱর্তী মুখ্যমন্ত্রীৰ নাম

পর্যবেক্ষক হিচাপে জে পি নড্ডা আৰু নয়াব সিং ছাইনী থাকিব উপস্থিত

ষ্টাফ ৰিপর্টাৰ, গুৱাহাটী, ৯ মে' ঃ অসমৰ ৰাজনীতিত আজি এক অতি গুৰুত্বপূর্ণ দিন। আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব পৰৱর্তী মুখ্যমন্ত্রী তথা এনডিএ বিধায়িনী দলৰ নেতাৰ নাম। এই লক্ষ্যৰে পুৰা ৯ বজাত ভাৰতীয় জনতা পার্টিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। তাৎক্ষণিকভাৱে ❑ ৬ পৃষ্ঠাত

ৰাজস্থান ৰয়েলছক ৭৭ ৰানত পৰাজয় গুজৰাট টাইটানছৰ

গীল-সুদর্শনৰ বেটিং তাণ্ডৱ, ৰছিদ খানৰ বলিং জাদু; পইণ্ট তালিকাত দ্বিতীয় স্থানলৈ গুজৰাট

অনলাইন ডেস্ক, অসম বার্তা, ৯ মে' ঃ আই পিএল ২০২৬-ৰ শনিবাৰে অনুষ্ঠিত এক হাই-ভল্টেজ খেলত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৭৭ ৰাণৰ বিশাল ব্যবধানত পৰাস্ত কৰি এক দর্শনীয় ❑ ৬ পৃষ্ঠাত

নির্বাচনৰ ফলাফলৰ এসপ্তাহৰ পাছত সংবাদমেল সম্বোধন লুৰীণজ্যোতি গগৈৰ

নির্বাচনী পৰাজয় মানি লৈছো, কিন্তু যুঁজ অব্যাহত থাকিব ঃ লুৰীণজ্যোতি গগৈ

ষ্টাফ ৰিপর্টাৰ, অসম বার্তা, ৯ মে' ঃ অসম বিধানসভা নির্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছত প্রথমবাৰৰ বাবে সংবাদমেলত সম্বোধন কৰি অসম জাতীয় পৰিষদ (AJP)ৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে নির্বাচনী পৰাজয় স্বীকাৰ কৰে। তেওঁ কয় যে দলটোৰ বাবে এই ফলাফল অকল্পনীয় যদিও বাইজৰ জনাদেশ মূৰ পাতি লোৱা হৈছে। তেওঁ স্পষ্টভাৱে ❑ ৬ পৃষ্ঠাত

বামপন্থীক মুকলি নিমন্ত্রণ, নির্বাচনোত্তৰ হিংসাৰ নিন্দা, দিল্লীৰ সৈতে যোগাযোগ

বিজেপিৰ বিৰুদ্ধে যুঁজিবলৈ মমতা বেনার্জীৰ আহ্বান- 'অহংকাৰ নহয়, সকলো বিৰোধী এক হোৱা উচিত'

নেশ্যানেল ডেস্ক, অসম বার্তা, ৯ মে' ঃ পশ্চিমবংগত প্রথমবাৰৰ বাবে বিজেপি চৰকাৰ শপত গ্রহণ কৰাৰ পিছতেই এক গুৰুত্বপূর্ণ ভাষণত মমতা বেনার্জীয়ে ৰাজ্যৰ সকলো বিৰোধী ৰাজনৈতিক শক্তিক একত্রিত হোৱাৰ আহ্বান জনায়। তৃণমূল কংগ্রেছৰ নেত্রীগৰাকীয়ে এখন সভাত অংশগ্রহণ কৰি স্পষ্টভাৱে কয় যে বিজেপিৰ বিৰুদ্ধে লৈ যুঁজ দিবলৈ তেওঁৰ কোনো ব্যক্তিগত অহংকাৰ নাই। বংগৰ প্রান্তত থকা বিৰোধী দলসমূহক একেলগে আহি ❑ ৬ পৃষ্ঠাত

তামিলনাডুত TVKৰ নেতৃত্বত নতুন চৰকাৰ গঠনৰ বাট মুকলি

আজি তামিলনাডুৰ মুখ্যমন্ত্রীৰূপে শপত ল'ব বিজয় থালাপতিয়ে

নেশ্যানেল ডেস্ক, অসম বার্তা, ১৯ মে' ঃ তামিলনাডুত চৰকাৰ গঠনক লৈ সৃষ্টি হোৱা দীর্ঘদিনীয়া জল্পনা-কল্পনাৰ অন্ত পৰিল। ৰাজ্যখনৰ ৰাজনৈতিক অস্থিৰতাক পাহৰি শেষত মুখ্যমন্ত্রী হিচাপে শপত গ্রহণ কৰিবলৈ সাজু ❑ ৬ পৃষ্ঠাত

ভিচিকে আৰু আইইউএমএলৰ নিঃচর্ত সমর্থনত টিভিকেৰ আসনৰ সংখ্যা ১২০

কিয় শোচনীয় পৰাজয় হ'ল কংগ্রেছৰ? মানৱেন্দ্র শর্মা ভৱনত বিশেষ বৈঠক

বিজেপি মিত্রজোঁটৰ হাতত ধৰাশায়ী হোৱাৰ পাছত কংগ্রেছৰ আত্মমন্থন

ষ্টাফ ৰিপর্টাৰ, গুৱাহাটী, ৯ মে' ঃ সদ্যসমাপ্ত বিধানসভা নির্বাচনত কংগ্রেছ দলৰ শোচনীয় পৰাজয়ৰ পাছত শনিবাৰে গুৱাহাটীৰ মানৱেন্দ্র শর্মা কমপ্লেক্সত দলটোৰ এক গুৰুত্বপূর্ণ পর্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত ২০২৬ৰ বিধানসভা নির্বাচনত ❑ ৬ পৃষ্ঠাত

অসম মন্ত্রীসভাত কোচ ৰাজবংশী সম্প্রদায়ৰ পৰা দুজন মন্ত্রীৰ দাবী

সদৌ অসম কোচ ৰাজবংশী সম্মিলনীৰ ধুবুৰী জিলা সমিতিৰ সংবাদমেলত উত্থাপিত দাবী

ষ্টাফ ৰিপর্টাৰ, অসম বার্তা, ৯ মে' ঃ আগন্তুক ১২ মে'ত অসমত শপত গ্রহণ কৰিব বিজেপি নেতৃত্বাধীন এনডিএ মিত্রজোঁট চৰকাৰে। তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ যোৱা এই মিত্রজোঁটত মুখ্যমন্ত্রী হিচাপে শপত গ্রহণ কৰিব ড' হিমন্ত বিশ্ব ❑ ৬ পৃষ্ঠাত

অত্যাধুনিক অগ্নি মিছাইলৰ সফল পৰীক্ষণ; চিন্তিত পাকিস্তান-চীন

ভাৰত যিকোনো ভাবুকিৰ মোকাবিলাত সাজু ঃ ৰাজনাথ সিঙ

নিউজ ডেস্ক, অসম বার্তা, ৯ মে' ঃ ভাৰতৰ প্রতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডিআৰডিঅ')ৰ বাবে এইবাৰ এক ❑ ৬ পৃষ্ঠাত

হাউলীৰ কুমুল্লীপাৰাত তামোল চুৰি কৰিবলৈ আহি হাতে-লোটে ধৰা পৰিল যুৱক

অসম বাৰ্তা, কুমুল্লীপাৰা, ৮ মে' ঃ কুমুল্লী পাৰা অঞ্চলত পুনৰ সংঘটিত এক চোৰি কাণ্ডই সমগ্ৰ এলেকাজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। হাউলী আৰক্ষী থানা অন্তৰ্গত গাঁওখনৰ বাসিন্দা ৰাইজুদ্দিনৰ পুত্ৰ আমজাদ আলীক তামোল চুৰি কাৰ্য চলাই থকা অৱস্থাত হাতে-লোটে আটক কৰাৰ ঘটনাই স্থানীয় ৰাইজৰ মাজত উদ্বেগ আৰু ক্ষোভৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা ৭ মে'ৰ সন্ধিয়া আনুমানিক ৭-১৫ বজাত অভিযুক্ত আমজাদ আলীয়ে গাঁওখনৰ বাসিন্দা ছৈয়দ জহুৰুল ইছলামৰ পুত্ৰ ছৈয়দ শ্বাৰিফুল ইছলামৰ ঘৰৰ তামোল গছৰ পৰা তামোল চুৰি কৰি থকা অৱস্থাত পৰিয়ালৰ সদস্য আৰু স্থানীয় লোকৰ হাতত ধৰা পৰে। ঘটনাৰ পিছতে শ্বৰিফুল ইছলামে হাউলী আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তাৎক্ষণিকভাৱে অভিযান চলাই অভিযুক্তক আটক কৰি থানালৈ লৈ যায়। স্থানীয় ৰাইজ আৰু আৰক্ষীৰ প্ৰাথমিক সোধ-পোছত আমজাদ আলীয়ে এই চোৰি কাণ্ডত আৰু দুই-এজন ব্যক্তি জড়িত থকাৰ কথা স্বীকাৰ কৰিছে যদিও বৰ্তমানলৈ আন অভিযুক্তসকল পলাতক অৱস্থাত আছে। লগতে তেওঁ বহুকাল ধৰি চোৰি কাৰ্যকলাপৰ সৈতে জড়িত থকাৰ লগতে এক সংঘবদ্ধ চোৰ চক্ৰৰ সৈতে সম্পৰ্ক থকাৰ কথাও স্বীকাৰ কৰিছে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰিও, অভিযুক্ত যুৱকজনে ড্ৰাগছ সেৱন কৰাৰ কথাও স্বীকাৰ কৰাত ঘটনাটোৱে অধিক তাৎপৰ্য লাভ কৰিছে। বৰ্তমানে আৰক্ষীয়ে বিষয়টোৰ গভীৰ তদন্ত অব্যাহত ৰাখিছে আৰু এই চোৰ চক্ৰৰ সৈতে জড়িত আন ব্যক্তিসকলৰ সন্ধানত অভিযান তীব্ৰতৰ কৰিছে। উল্লেখযোগ্য যে, সাম্প্ৰতিক সময়ত সমাজত নিচাজাতীয় সামগ্ৰীৰ প্ৰসাৰ বৃদ্ধি পোৱাৰ লগে লগে চোৰি, দস্যুতা আদি অপৰাধমূলক কাৰ্যকলাপ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। বিশেষকৈ গ্ৰামাঞ্চলত নিচাৰ কবলত পৰা একাংশ যুৱকৰ বিপথগামিতাই সামাজিক শান্তি-শৃংখলাৰ প্ৰতি এক গভীৰ ভাবুকি হিচাপে দেখা দিছে। ইফালে, স্থানীয় ৰাইজে ঘটনাটোৰ পূৰ্ণাঙ্গ তদন্তৰ দাবী জনোৱাৰ লগতে নিচা আৰু অপৰাধৰ বিৰুদ্ধে কঠোৰ আৰু দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী-প্ৰশাসনৰ ওচৰত জোৰ দাবী উত্থাপন কৰিছে।

আছুৰ বিশেষ প্ৰকল্প “প্ৰত্যাশা ২.০”; লক্ষ্য ইউ.পি.এছ.চি

অসম বাৰ্তা, সৰুপথাৰ, ৮ মে' ঃ সৰুপথাৰ মহাবিদ্যালয়ত “প্ৰত্যাশা ২.০”ৰ সফল প্ৰচাৰ অভিযান। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সৰুপথাৰ মহাবিদ্যালয়ত “প্ৰত্যাশা ২.০”ৰ এক সফল প্ৰচাৰ অভিযান সম্পন্ন কৰা হয়। উক্ত কাৰ্যসূচীত মহাবিদ্যালয়খনৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে সহঁাৰি জনায়। অভিযানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক “প্ৰত্যাশা ২.০”ৰ উদ্দেশ্য, তাৎপৰ্য আৰু ইয়াৰ সমাজমুখী দিশসমূহৰ বিষয়ে অৱগত কৰোৱা হয়। উল্লেখযোগ্য যে অসামৰিক সেৱাৰ পৰীক্ষাৰ্থীৰ বাবে দিল্লীত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাৰ ‘প্ৰত্যাশা’ প্ৰকল্পৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ পূৰ্ণকালীন প্ৰশিক্ষণৰ বাবে অসমৰ ২৬ গৰাকী পৰীক্ষাৰ্থী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যৰ পৰা (নেছ'ৰ জৰিয়তে) ১৪ গৰাকী, অৰ্থাৎ মুঠ ৪০ গৰাকী পৰীক্ষাৰ্থীক দিল্লীলৈ প্ৰেৰণ কৰা হ'ব। নিৰ্বাচিত প্ৰশিক্ষাৰ্থীসকলক দিল্লীৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানত নামভৰ্তিৰ মাচুল আৰু প্ৰশিক্ষণৰ মাচুল ছাত্ৰ সন্থাই সম্পূৰ্ণভাৱে বহন কৰিব। লগতে প্ৰশিক্ষাৰ্থীসকলক মাহিলী ১২, ০০০/-টকাকৈ জলপানি প্ৰদান কৰা হ'ব বুলিও জানিবলৈ দিয়ে। ছাত্ৰ সমাজৰ মাজত ইতিবাচক চিন্তা, সামাজিক দায়বদ্ধতা আৰু সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে ৰূপায়ণ কৰা এই কাৰ্যসূচীত সকলোৱে আন্তৰিক সহযোগিতা আগবঢ়ায়। সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাই আশা প্ৰকাশ কৰে যে “প্ৰত্যাশা ২.০” আগন্তুক সময়ত যুৱ সমাজৰ মাজত এক ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হ'ব।

সদনৰ মতে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটত একক নাগৰিক সংহিতাৰ (UCC) প্ৰৱৰ্তনে আমূল পৰিৱৰ্তন সাধন কৰিব

উত্তৰ পূৰ্বাঞ্চল ভিত্তিত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, সৰুপথাৰ, ৮ মে' ঃ ১৯ মে' মঙলবাৰে গোলাঘাট জিলাৰ অন্যতম উচ্চশিক্ষাৰ কঠীয়াতলি সৰুপথাৰ মহাবিদ্যালয়ত ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মহাবদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনী, আভ্যন্তৰীণ মাণ নিৰ্ণায়ক কোষ (IQAC) আৰু ছাত্ৰ একতা সভাৰ সহযোগত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তৰ্কৰ বিষয়; সদনৰ মতে “উত্তৰ পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটত একক নাগৰিক সংহিতাৰ {UCC} প্ৰৱৰ্তনে আমূল পৰিৱৰ্তন সাধন কৰিব। “In opinion of the house, the introduction of the uniform civil code will bring about radical changes in the context of the North East.” দ্বাদশ শ্ৰেণীৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পৰা এই প্ৰতিযোগিতাত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতেই ভাগ ল'ব পাৰিব। প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠ তাৰ্কিকৰ বাবে ১৫০০০ টকা আৰু মানপত্ৰ, দ্বিতীয় শ্ৰেষ্ঠ ১২০০০ টকা আৰু মানপত্ৰ, তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ বাবে ১০০০০ টকা আৰু মানপত্ৰ ৰ উপৰিও শ্ৰেষ্ঠ দল ৰ বাবে ১২০০০ টকা আৰু চলন্ত ট্ৰফী দ্বিতীয় শ্ৰেষ্ঠ দলৰ বাবে ১০০০০ টকা আৰু চলন্ত ট্ৰফীৰ লগতে জুৰিৰ বিশেষ পুৰস্কাৰ থাকিব। প্ৰতিযোগিতাত যোগদানৰ বাবে সংযোজক সত্যব্ৰত দত্ত ৮৬৩৮৯৬৫২১৮, সহ সংযোজক অভিজিৎ শইকীয়া আৰু ৰক্তিম হাজৰিকা ৮৬৩৮৭০৮৮৮২, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ শিৱাশিষ শৰ্মা ৯১০১২৭৪১৬৫, যুগল মেধি ৬০০০৮২৭৩৫৩ যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হল। সৰুপথাৰ মহাবিদ্যালয়ত চতুৰ্থ বৰ্ষৰ বাবে অনুষ্ঠিত হবলগীয়া এই বৌদ্ধিক কাৰ্যসূচীত সকলোৱে সহযোগিতাৰ বাবে অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে আহ্বান জনাইছে।

কুশান নৃত্যক বাগুৰুম্বা, ঝুমুৰ নৃত্যৰ দৰে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ আহ্বান

অসম বাৰ্তা, দোতমা, ৮ মে' ঃ কোচ-ৰাজবংশী সমাজৰ ঐতিহ্যবাহী লোক-সংস্কৃতি কুশান নৃত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সেৰফাংগুৰী-ৰাম্ফলবিল আঞ্চলিক বিযুৱা উদ্যাপন সমিতিয়ে অসম চৰকাৰক আগভাগ ল'ব আহ্বান জনায়। বাগৰুম্বা, ঝুমুৰ নৃত্যৰ দৰে কুশান নৃত্যকো বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰে। সংবাদ মাধ্যমৰ জৰিয়তে প্ৰহ্লাদ ব্ৰহ্মই কুশান নৃত্যক বাগুৰুম্বাৰ দৰে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বিটিচি চৰকাৰৰ পৰা আলোচনাৰ জৰিয়তে ব্যৱস্থা কৰা হব বুলি কৰা মন্তব্যক আদৰণি জনাই অতি শীঘ্ৰে কোচ-ৰাজবংশী দল-সংগঠনসমূহৰ লগত এক আলোচনাৰ ব্যৱস্থা কৰিবলৈ বিটিচি চৰকাৰক আহ্বান জনায়। উল্লেখযোগ্য যে গোটেই ব'হাগ মাহটো বিভিন্ন অঞ্চলত কোচ-ৰাজবংশী জাতীয় উৎসৱ বিযুৱা উদযাপন কৰাৰ সমান্তৰালকৈ সেৰফাংগুৰী-ৰাম্ফলবিল আঞ্চলিক বিযুৱা উদযাপন সমিতিৰ উদ্যোগত এদিনীয়া কাৰ্যসূচীৰে একাদশ বাৰ্ষিক বিযুৱা পৰ্ব উদযাপন কৰে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি কেএলঅ কে'এনৰ সভাপতি ডি এল কোচে সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে ভাষণত বিযুৱাৰ বিশ্লেষণ কৰি ৰাইজক জাতীয় কৃষ্টি-সংস্কৃতি ৰক্ষা কৰাৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। দিনযোৱা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত এই বিযুৱাত সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ হিচাপে কোচবিহাৰৰ শিল্পী ৰিক্তা বৰ্মনে গান পৰিৱেশন কৰে।

মৰ্ণিং ষ্টাৰৰ বিদ্যায়তনিক পৰিৱেশক শলাগ অৱসৰপ্ৰাপ্ত অধ্যাপিকা মৰমী ভট্টাচাৰ্যৰ

বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলত ৪৯ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

অসম বাৰ্তা, গহপুৰ, ৮ মে' ঃ সন্তানক সঠিক পথেৰে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আন্তৰিকতাৰে শৈক্ষিক সেৱা আগবঢ়াই অহা বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলত আজি অনুষ্ঠিত হয় কৃতি ছাত্ৰ-ছাত্ৰীৰ এক অভিনন্দন অনুষ্ঠান। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত সাফল্যৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি প্ৰতি বছৰে মধুৰ ফচলৰ জন্ম দি অহা বিদ্যালয়খনে আজি ৪৯ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক ৰাজহুৱাভাৱে অভিনন্দন জ্ঞাপন কৰে। সেই উপলক্ষে শিক্ষক জীৱন ঢুংগানাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অভিনন্দন সভাখনত আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়খনৰ অধ্যক্ষ দীনেশ কুমাৰ কেচিয়ে। পৰিচালন সঞ্চালক যাদৱ চলিহাই আঁত ধৰা অভিনন্দন সভাখনত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি বিশ্বনাথ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা মৰমী ভট্টাচাৰ্যই কয় যে সুস্থ বিদ্যায়তনিক পৰিৱেশৰ এখন আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান হৈছে মৰ্ণিং ষ্টাৰ হাইস্কুল। এইখন বিদ্যালয়ৰ পৰা প্ৰতি বছৰে বহু কৃতিমানৰ জন্ম হয়। প্ৰকৃত মানৱ সম্পদ গঢ়াৰ অন্যতম কমাৰশাল স্বৰূপ এইখন মৰ্ণিং ষ্টাৰ হাইস্কুলত পঢ়ি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বহু শিক্ষাৰ্থী পৰ্য্যায়ক্ৰমে সুপ্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে। ভাষণ প্ৰসংগত তেওঁ বিদ্যালয়খনৰ শৈক্ষিক সেৱা আৰু শৈক্ষিক পৰিৱেশৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ ত্যাগক শলাগ লয়। উক্ত অভিনন্দন সভাত মুঠ ৪৯ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, চেলেং, জাপি আৰু ফাইল কভাৰেৰে অভিনন্দন জনোৱা হয়। অভিনন্দিত উক্ত ৪৯ গৰাকীৰ ভিতৰত ৪৫ গৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত মৰ্ণিং ষ্টাৰ হাইস্কুলৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থী। ইয়াৰ ভিতৰত ডিষ্টিংচন নম্বৰ প্ৰাপ্ত সকল হৈছে অন্তৰাক্ষী শৰ্মা বৰদলৈ, অৰ্পণ জ্যোতি শৰ্মা, কৌশিক ৰঞ্জন আৰু জনীথ আগৰৱালা। একেদৰে ষ্টাৰ নম্বৰ প্ৰাপ্ত সকল হৈছে পাৰশ শইকীয়া, দেৱজানী হাজৰিকা, ৰিশ্বিকা কাশ্যপ, আদ্ৰিত নাৰায়ণ কে. চি, স্বস্তিকা অগষ্টি, ৰিশ্বিকা মণ্ডল, জোনাক নিবিড় বৰা, প্ৰণয় মহন্ত, আৰু নম্ৰতা দেৱী। ইপিনে সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফলত ৯০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰা বিদ্যালয়খনৰ তিনি গৰাকী প্ৰাক্তন ছাত্ৰী ক্ৰমে প্ৰয়াসী শইকীয়া, ৰ'জিৰাণী গোস্বামী, অন্বেষা বৰুৱাকো উক্ত সভাত অভিনন্দন জনোৱা হয়। তদুপৰি সদ্য ঘোষিত এমবিবিএছ পাঠ্যক্ৰমৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত সফলতাৰে উত্তীৰ্ণ হোৱা বৰঙাবাৰীৰ মেধাৱী ছাত্ৰী তথা মৰ্ণিং ষ্টাৰ হাইস্কুলৰ একালৰ শিক্ষাৰ্থী ডাঃ শতাব্দী ৰাজখোৱাকো উক্ত সভাত আনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰে বিদ্যালয় কৰ্তৃপক্ষই। উক্ত সভাত ৰয়েল একাডেমী জুনিয়ৰ কলেজৰ অধ্যক্ষ শোভন শৰ্মা, সমাজকৰ্মী উৎপল ৰাজখোৱাৰ উপৰিও কৃতি ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক-অভিভাৱিকা সকল উপস্থিত থাকে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে প্ৰবীণ ক্ৰীড়াবিদ, বিশিষ্ট সমাজকৰ্মী অপূৰ্ব সিংহই।

সাতপখলী নৱোদয় ক্লাবৰ ৫০তম্ ব'হাগী উৎসৱ

অসম বাৰ্তা, মিৰ্জা, ৮ মে' ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত সাতপখলীৰ ৯৫নং সাতপখলী প্ৰাথমিক বিদ্যালয় খেলপথাৰত সাতপখলী নৱোদয় ক্লাবৰ উদ্যোগত এইবেলি ৫০ তম ব'হাগী উৎসৱ আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। এই উপলক্ষে পুৱা মুখ্য তোৰণ মুকলি কৰে আজিত দাসে। তাৰ পিছতে বিহু পতাকা উত্তোলন কৰে নৱোদয় ক্লাবৰ সভাপতি হৰকুমাৰ দাসে আৰু ক্লাবৰ পতাকা উত্তোলন কৰে নৱোদয় ক্লাবৰ কাৰ্যকৰী সভাপতি ৰুবুল প্ৰসাদ দাসে। ক্ৰমান্বয়ে স্মৃতি তৰ্পণ, শ্বহীদ তৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে শান্তিৰ প্ৰতীক পাৰ চৰাই উৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। এইবেলি ব'হাগী উৎসৱৰ প্ৰাচীৰ পত্ৰিকা 'নৱোদয়া' উন্মোচন কৰে প্ৰভাতী অসম সংবাদ গোষ্ঠীৰ পৰিচালন সঞ্চালক তথা সাপ্তাহিক কৰচৰ সম্পাদক খনিন্দ্ৰ কলিতাই। তাৰ পিছতে মুকলি বিহু প্ৰদৰ্শন কৰে। বিভিন্ন ধৰণৰ খেল-ধেমালি প্ৰতিযোগিতাৰ লগতে সন্ধিয়া বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাৰ সমান্তৰালভাৱে দ্বিতীয় দিনাও বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

ডিব্ৰুগড়ত বিশ্ব ৰেডক্ৰছ দিৱস পালন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ মে' ঃ দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ডিব্ৰুগড়তো ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ ডিব্ৰুগড় জিলা শাখাই বিশ্ব ৰেডক্ৰছ দিৱস পালন কৰে। এই উদ্দেশ্যে ৰেডক্ৰছ আন্দোলনৰ প্ৰতিষ্ঠাতা চুইজাৰলেণ্ডৰ ছাৰ হেনৰি ডুনাণ্টৰ ১৯৮ সংখ্যক জন্মজয়ন্তী উপলক্ষে বিশ্ব ৰেডক্ৰছ দিৱস পালন কৰা হয়। ছ'চাইটিৰ অস্থায়ী কাৰ্যালয় প্ৰাঙ্গণত আয়োজিত অনুষ্ঠানত পুৱা ১১ বজাৰ পৰা ৰেডক্ৰছ ছ'চাইটিৰ সদস্যসকল সমবেত হৈ এই মহান মানৱতাবাদী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মানৱতা, সহমৰ্মিতা আৰু নিঃস্বাৰ্থ সেৱাৰ ক্ষেত্ৰত ছাৰ হেনৰি ডুনাণ্টৰ আদৰ্শ আজিও সমগ্ৰ বিশ্বৰ বাবে অনুকৰণীয় হৈ আছে বুলি বক্তাসকলে উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ছ'চাইটিৰ সম্পাদক অনুজ কুমাৰ বৰুৱাই উপস্থিত সদস্যসকলক আদৰণি জনাই দিৱসটোৰ তাৎপৰ্য ব্যাখ্যা কৰে। ছ'চাইটিৰ সভাপতি ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰে চাকি প্ৰজ্বলন আৰু মহান ব্যক্তিগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। উপস্থিত অন্যান্য সদস্যসকলেও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ড° শ্ৰুতিকৰে ছাৰ হেনৰি ডুনাণ্টৰ মানৱতাবাদী দৰ্শন আৰু মহান আদৰ্শসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। তেখেতে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সমাজৰ দুখীয়া আৰু আৰ্তজনৰ সেৱাত আত্মনিয়োগ কৰি অধিক মানবীয় আৰু অন্তৰ্ভুক্তিমূলক সমাজ গঢ়ি তোলাৰ বাবে সকলোকে আহ্বান জনায়। অনুষ্ঠানত সভাৰ উপ-সভাপতি ড° মহেশ কুমাৰ জৈন, ড° ভাৰতী দত্ত আদিয়েও বক্তব্য ৰাখি দুৰ্যোগ আৰু জৰুৰীকালীন পৰিস্থিতিত ৰেডক্ৰছ ছ'চাইটিয়ে মানৱসেৱামূলক অৱদান আগবঢ়োৱাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। এই অনুষ্ঠানত ছ'চাইটিৰ অনান্য সদস্য ড° ৰুনুমা শৰ্মা, সমীৰ কুমাৰ শৰ্মা, নৰেন্দ্ৰ নাথ গোস্বামী, ৰঞ্জন গোস্বামী, মিতালী বৰুৱা আৰু গায়ত্ৰী দেৱী গোস্বামী উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। ছ'চাইটিৰ উপ-সভাপতি ড° মহেশ কুমাৰ জৈনে শলাগৰ শৰাই আগবঢ়ায়।

চেলুন ব্যৱসায়ৰ যোগেদি স্বাৱলম্বী হোৱাৰ প্ৰয়াস নাজিৰাৰ অভিজিৎ দাসৰ

অসম বাৰ্তা, গেলেকী, ৮ মে' ঃ নাজিৰা সমজিলাৰ অন্তৰ্গত এটা অঞ্চল ওপৰ নাজিৰা কৈৱৰ্ত গাঁৱৰ ১ নং ৱাৰ্ড। এই গাঁৱৰে নিবাসী ব্যৱসায়ী দেহেশ্বৰ দাস আৰু ব্যক্তিগত খণ্ডৰ সুৰক্ষা কৰ্মী হিচাপে কৰ্মৰত মঞ্জু দাসৰ পুত্ৰ অভিজিৎ দাস। সৰুৰে পৰা অমায়িক স্বভাৱৰ অভিজিতে নাজিৰাৰ অসম কোম্পানী ল'ৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, যোৰহাটৰ জয়া বিদ্যাপীঠৰ পৰা মেট্ৰিক উত্তীৰ্ণ আৰু জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতক ডিগ্ৰী লাভকৰাৰ পিছত তৰাজনৰ চেওনি গাঁৱত অৱস্থিত পুৰুষ-মহিলা উভয়ৰে বিউটি পাৰ্লাৰ এখনত চুলি কটা কাম শিকিবলৈ লয়। তেওঁ জানিবলৈ দিয়া মতে, নতুন কাম শিকাৰ আগ্ৰহ থকাৰ বাবে তেওঁ ডিপুত তেল দিয়াৰ লগতে অন্যান্য কামতো জড়িত হৈ পৰিছিল। শেষত নিজে কিবা এটা কৰিম বুলি যোৰহাটৰ পৰা আহি নিজৰ জন্ম গাঁৱত অভিজিৎ হেয়াৰ কাটিং নামৰ এখন চেলুন আৰম্ভ কৰি বুদবাৰী সত্ৰৰ তিনি আলিত স্থায়ীকৈ চেলুন খুলি চুলি কটা কাম কৰি আহিছে। অভিজিতে কোৱা মতে, এইয়া তেওঁৰ নিজ স্বাধীন ব্যৱসায়, ৰাইজৰ সঁহাৰিও ভাল লগতে উপাৰ্জনো ভাল বুলি জনালে যুৱকজনে। লগতে অসমীয়া ল'ৰাসকলে ঘৰতে বহি নাথাকি হাতৰ বিদ্যাৰ জৰিয়তে নিজ নিজ কামত আগবাঢ়ি আহি স্বাৱলম্বী হ'বলৈও আহ্বান যুৱকজনৰ।

দাবী পূৰণ নহ'লে তীব্ৰ গণ আন্দোলনৰ হুংকাৰ

মাৰ্ঘেৰিটা সমজিলাৰ চিকিৎসালয়সমূহত পৰ্য্যাপ্ত ব্যৱস্থাৰ দাবী বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ

অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৮ মে' ঃ মাৰ্ঘেৰিটা সমজিলাৰ স্বাস্থ্যখণ্ডৰ পয়ালগা অৱস্থাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে বৃহত্তৰ অসমীয়া যুৱ মঞ্চই। সমজিলাখনৰ বিভিন্ন চিকিৎসালয়ত চিকিৎসক, স্বাস্থ্যকৰ্মী, ঔষধ আৰু অত্যাৱশ্যকীয় চিকিৎসা সা-সঁজুলিৰ অভাৱৰ বাবে সাধাৰণ ৰাইজে দীৰ্ঘদিন ধৰি চৰম দুৰ্ভোগ ভুগি অহাৰ অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। এই সমস্যাসমূহৰ শীঘ্ৰেই সমাধানৰ দাবীত বৃহত্তৰ অসমীয়া যুৱ মঞ্চই কঠোৰ স্থিতি গ্ৰহণ কৰাৰ লগতে দাবী পূৰণ নহ'লে তীব্ৰ গণ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছে। সংগঠনটোৱে মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়ত পৰ্য্যাপ্ত চিকিৎসা ব্যৱস্থা গ্ৰহণ, চিকিৎসকৰ সংখ্যা বৃদ্ধি, প্ৰয়োজনীয় ঔষধ আৰু আধুনিক সা-সঁজুলি ব্যৱস্থা কৰাৰ দাবী জনাইছে। ইয়াৰ উপৰিও কঠালগুৰিস্থিত আদৰ্শ চিকিৎসালয়খনত স্থায়ী চিকিৎসক নিয়োগ, স্বাস্থ্যকৰ্মী বৃদ্ধি আৰু উন্নত চিকিৎসা সুবিধা প্ৰদান কৰাৰ দাবী উত্থাপন কৰিছে। একে সময়তে বহুদিন ধৰি মুকলি নোহোৱা টেকেৰীস্থিত আদৰ্শ চিকিৎসালয়খন অতি শীঘ্ৰে মুকলি কৰি অঞ্চলবাসীক স্বাস্থ্যসেৱা প্ৰদানৰ ব্যৱস্থা কৰিবলৈও দাবী জনোৱা সংগঠনটোৱে। এই সন্দৰ্ভত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যকৰী সভাপতি গৌতম বৰুৱাই সংবাদ মাধ্যমৰ আগত কয় যে মাৰ্ঘেৰিটা সমজিলাৰ স্বাস্থ্য ব্যৱস্থা দিনক দিনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। সামান্য চিকিৎসাৰ বাবে ৰাইজে তিনিচুকীয়া, ডিব্ৰুগড়ৰ তথা আন আন ঠাইলৈ যাব লগা হয়। আৰ্থিকভাৱে দুৰ্বল লোকসকলে এই সমস্যাৰ বাবে অধিক জীয়াতু ভুগিবলগীয়া হৈছে বুলি উল্লেখ কৰে বৰুৱাই। তেওঁ লগতে অভিযোগ কৰে যে বহু সময়ত জৰুৰীকালীন চিকিৎসাৰ অভাৱত ৰোগীয়ে সময়মতে চিকিৎসা লাভ নকৰাৰ ফলত জীৱন বিপন্ন হোৱাৰ দৰে ঘটনাও সংঘটিত হৈছে। তথাপিও স্বাস্থ্য বিভাগ তথা চৰকাৰৰ ফালৰ পৰা এই সন্দৰ্ভত কোনো ফলপ্ৰসু পদক্ষেপ গ্ৰহণ কৰা দেখা নগ'ল বুলি তেওঁ ক্ষোভ প্ৰকাশ কৰে। গৌতম বৰুৱাই স্পষ্ট ভাষাত কয় যে যদি বিভাগীয় কৰ্তৃপক্ষই অতি শীঘ্ৰে মাৰ্ঘেৰিটা সমজিলাৰ চিকিৎসালয়সমূহৰ উন্নয়নৰ ক্ষেত্ৰত দৃশ্যমান ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে বৃহত্তৰ অসমীয়া যুৱ মঞ্চই ৰাইজক লগত লৈ গণতান্ত্ৰিক পদ্ধতিৰে বৃহৎ আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব। ইয়াৰ সম্পূৰ্ণ দায়-দায়িত্ব চৰকাৰ আৰু স্বাস্থ্য বিভাগক বহন কৰিব লাগিব বুলিও তেওঁ সকীয়াই দিয়ে।

বহু কেইজন অভিজ্ঞ চিকিৎসকৰ দ্বাৰা বিনিমূলীয়া স্বাস্থ্য শিৱিৰৰ আয়োজন

জাগুন কথাচেমা গাঁৱত আন্তঃৰাষ্ট্ৰীয় ৰেডক্ৰছ ছ'চাইটিৰ প্ৰতিষ্ঠা দিৱস পালন

অসম বাৰ্তা বিশেষ, জাগুন, ৮ মে' ঃ আন্তঃৰাষ্ট্ৰীয় ৰেডক্ৰছ ছ'চাইটিৰ প্ৰতিষ্ঠাপকজন হেনৰী ডুনাণ্টৰ জন্মদিন উপলক্ষে ৮ মে' দিনটো সমগ্ৰ বিশ্বতে প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰা হয়। ইয়াৰ সমান্তৰালকৈ মাৰ্ঘেৰিটাতো আজি ৰেড ক্ৰছ ছ'চাইটিৰ প্ৰতিষ্ঠা দিৱস দিনজোৱা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মাৰ্ঘেৰিটা সম-জিলাৰ অন্তৰ্গত অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী জাগুন কথাচেমা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে মাৰ্ঘেৰিটা শাখাৰ অধ্যক্ষ ডাঃ মনোজ কুমাৰ গগৈয়ে। ৰেড ক্ৰছ ছ'চাইটিৰ প্ৰতিষ্ঠাপকজন হেনৰী ডুনাণ্টৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মাৰ্ঘেৰিটা সম-জিলাৰ সহকাৰী আয়ুক্ত সোমন শইকীয়া, ২০নং আসাম ৰাইফলচৰ কামাণ্ডিং অফিচাৰ সতিশ মিশ্ৰ আৰু অৱসৰপ্ৰাপ্ত শিক্ষাবিদ ৰঞ্জন বৰুৱাই। ইয়াৰ পাছতে অনুষ্ঠিত ৰাজহুৱা সভাখনত ছ'চাইটিৰ সম্পাদক পবিত্ৰ বৰগোহাঞিয়ে সমগ্ৰ বিশ্বৰে নিপীড়িত লোকৰ আশা আৰু আস্থাৰ আন্তঃৰাষ্ট্ৰীয় মানৱদৰদী স্বেচ্ছাসেৱী সংগঠন ৰেড ক্ৰছ ছ'চাইটিৰ লক্ষ্য, উদ্দেশ্য, আদৰ্শ আৰু মানৱীয় কাৰ্যাৱলীৰ সম্পৰ্কত এক গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে। ৰাজহুৱা সভাত কথাচেমা অঞ্চলটোত আগবঢ়োৱা অনবদ্য কৰ্মৰ স্বীকৃতি স্বৰূপে আদৰ্শ কৃষক খগেন সোণোৱাল, শিক্ষাবিদ সমাজকৰ্মী ৰঞ্জন বৰুৱা আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মমতা চৰকাৰ(হাজং)ক সম্বৰ্ধনা জনোৱাৰ লগতে দৰিদ্ৰ সীমাৰেখা তলৰ কেইবাটাও পৰিয়ালক টিৰপাল ও আঁঠুৱা প্ৰদান কৰা হয়। ৰেড ক্ৰছ ছ'চাইটিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি উক্ত অঞ্চলৰ ৰাইজৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এটি মেগা বিনামূলীয়া চিকিৎসা শিৱিৰৰ আয়োজন কৰা হয়। চকু, দন্ত, স্ত্ৰী আৰু প্ৰসূতি, শিশু, সাধাৰণ ৰোগ আৰু কৰ্কট ৰোগ বিভাগৰ বিশেষজ্ঞ চিকিৎসকে চিকিৎসা প্ৰদান কৰা চিকিৎসা শিৱিৰত পাঁচ শতাধিক লোকে চিকিৎসা গ্ৰহণ কৰাৰ লগতে ৰোগীসকলক বিনামূলীয়াকৈ ঔষধ, চশমা আৰু মহিলা সকলক চেনিটেৰী নেপকিনো প্ৰদান কৰে। চিকিৎসা শিৱিৰত ৰেড ক্ৰছ ছ'চাইটিক ভাৰতীয় তেল নিগম অসম সংমণ্ডলৰ স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ ডাঃ স্বাতি কৰ্মকাৰ, ডিব্ৰুগড়স্থিত আদিত্য হস্পিটেলৰ সাধাৰণ ৰোগ বিভাগৰ চিকিৎসক ডাঃ প্লাৱন কোঁৱৰ আৰু শিশু ৰোগ বিশেষজ্ঞ ডাঃ দেৱজিৎ চুতীয়া, দি হুন্স ফাউণ্ডেশ্যনৰ ডাঃ প্ৰৱন সাহ, আসাম কেন্সাৰ ফাউণ্ডেশ্যনৰ ডাঃ মমতা উপাধ্যায় আৰু ২০ নং আসাম ৰাইফলচৰ মেজৰ (ডাঃ) ঐনাম য়ে চিকিৎসা সেৱা আগবঢ়ায়। ৰাজহুৱা সভাত সভাপতিত্ব কৰে ৰেড ক্ৰছ ছ'চাইটি মাৰ্ঘেৰিটা শাখাৰ অধ্যক্ষ ডাঃ মনোজ কুমাৰ গগৈয়ে।

ৰূপহীহাটত দুখন বাহনসহ জব্দ ৩২ চোৰাং গৰু; আটক ২

অসম বাৰ্তা, ৰূপহীহাট, ৮ মে' ঃ ৰূপহীহাটত চোৰাং গৰুৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষীয়ে আজি পুৱা এক গোপন সূত্ৰৰ পম খেদি ছাইদৰীয়াত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিযানত দুখন বাহনসহ ৩২টা চোৰাং গৰু জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা বাহন দুখনৰ নম্বৰ হৈছে এনএল-০১-এম-০৭৯১ আৰু এএছ-১২-চিচি-১৮৮৯। আৰক্ষীয়ে দুখন গাড়ীৰ চালক ৱাছিম আক্ৰাম আৰু চলন্ত আলীক আটক কৰিছে। আৰক্ষী যোৱাৰ উমান পাই গৰু বেপাৰী কেইটা পলায়ন কৰে। ৰূপহীহাটৰ পৰা মেঘালয় হৈ বাংলাদেশ লৈ গৰুখিনি লৈ যোৱাৰ সন্দেহ। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত গাড়ী চালক দুজনক জেৰা অব্যাহত ৰাখিছে।

NAME CORRECTION

Swarn before Notary Public at Lakhimpur, that in my Aadhar Card, my name, address and date of birth is incorrectly recorded as Name- Tilama Taid Panging, Vill-Chalichuk, PO-Ghunasuti, PS-North Lakhimpur, Dist-Lakhimpur and Date of Birth-16-06-1995. But my actual and correct name is Kairama Pegu Panging, W/O- Udar Panging, Vill-Dirpai Ajar Guri, PO-Dirpai, P.S-Gogamukh, Dist-Dhemaji. And actual and correct date of birth is 26-01-1990. Applying for correction at the appropriate authority.

Kairama Pegu Panging,
W/O- Udar Panging,
Vill-Dirpai Ajar Guri,
P.O.-Dirpai, P.S.-
Gogamukh,
Dist-Dhemaji

AB-63/2026

LOST

I have lost my HSLC Admit Card issued by the Board of Secondary Education, Assam, in the name of Rabina Chetry, daughter of Rajen Chetry and Asuta Chetry, bearing Roll No. B2-0559 and Serial No. 0024. If found, please kindly return it to me or contact the nearest police station.

AB-67/2026

মঙলদৈ প্ৰেছ ক্লাৱত সম্বৰ্ধনা নৱ-নিৰ্বাচিত বিধায়িকা নিলিমা দেৱীক

অসম বাৰ্তা, মঙলদৈ, ৮ মে' ঃ সততাৰে ৰাইজৰ সেৱা কৰিবৰ বাবে ওলাই আহিছো। মঙলদৈৰ প্ৰত্যেক গৰাকী নাগৰিকৰে সদায় দিহা-পৰামৰ্শ সহযোগ লাগিব। কেৱল বিধায়কে নিজৰ ইচ্ছানুসৰি উন্নয়ন কৰিব নোৱাৰে। ৰাইজৰ সহযোগ লাগিবই। কিন্তু কোনেও যাতে বিপথে পৰিচালিত নকৰে। মঙলদৈ প্ৰেছ ক্লাৱ আৰু মঙলদৈ ইলেক্ট্ৰনিক মিডিয়া ফ'ৰামৰ যৌথ উদ্যোগত মঙলদৈ প্ৰেছ ক্লাবত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি এই ভাষ্য আগবঢ়ায় মঙলদৈৰ নৱ-নিৰ্বাচিত বিধায়িকা নিলিমা দেৱীয়ে। মঙলদৈ প্ৰেছ ক্লাৱৰ সম্পাদক লক্ষ্মীনন্দন কলিতা আৰু মিডিয়া ফৰামৰ সভাপতি মুকুটৰাজ শৰ্মাই আঁতধৰা সম্বৰ্ধনা সভাত নৱ-নিৰ্বাচিত বিধায়িকা গৰাকীক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, জাপি আৰু স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। সভাত মঙলদৈ কলেজৰ অধ্যক্ষ ড° কমলা কান্ত বৰা, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, দৰং জিলা পৰিষদৰ সদস্য বিতোপন ডেকা, অনিতা ৰাজবংশী, মঙলদৈ পৌৰসভাৰ অধ্যক্ষা নিৰ্মালী দেৱী শৰ্মা, উপ-পৌৰপতি অচ্যুৎ দাস, জিলা বিজেপিৰ উপ-সভাপতি গৌৰৱ কুমাৰ ডেকাৰাজা সমন্বিতে বহু কেইগৰাকী বিশিষ্ট লোকে ভাগ লয়। ভাষণ প্ৰসংগত মঙলদৈ কলেজৰ অধ্যক্ষ কমলা বৰাই আহ্বান কয় যে, সকলোৱে নিজৰ নিজৰ ক্ষেত্ৰত সঠিকভাবে সেৱা আগবঢ়ালেই সমাজখন অগ্ৰসৰ হয়। শিক্ষক এজনে পাঠদান, সাংবাদিক এজনে সাংবাদিকতা আৰু ৰাজনৈতিক ক্ষেত্ৰৰে জড়িত সকলে নিজ নিজ ক্ষেত্ৰত দায়িত্ব অনুসাৰে কাম-কাজ চলাই যোৱাটো উচিত। বিধায়কৰ দৰে অতি ব্যস্ততাপূৰ্ণ সেৱাত সদায় নিজৰ প্ৰয়োজন হলেই বিচৰাটো সমীচীন নহয় বুলি উল্লেখ কৰি বৰাই কয় যে, বিধায়ক এগৰাকীৰ ব্যস্ততা অনুধাবণ কৰি নিজকে সেই পদত অধিষ্ঠিত বুলি ধাৰণা কৰি সময়ত ভাবি চাব লাগে। একেদৰে সাংবাদিক এজনে বিধায়কৰ বিৰুদ্ধে বাতৰি কৰোঁতেই ভাবিব নালাগে যে কিয় কৰিলে বুলি। বিধায়ক গৰাকীয়েও এজন সাংবাদিক হ'লে কি কৰিলে হয়, সেইটো ভাবি চাব লাগে। তেওঁ নব-নিৰ্বাচিত বিধায়িকা নিলিমা দেবীক হৃদয়ভৰা অভিনন্দন জনাই সু-স্বাস্থ্যৰে ৰাইজৰ সেৱা আৰু মঙলদৈৰ উন্নয়নত নিয়োজিত হব মঙলদৈ প্ৰেছ ক্লাৱত সম্বৰ্ধনা নৱ-নিৰ্বাচিত বিধায়িকা নিলিমা দেৱী বুলি আশা কৰে। আনহাতে সম্বৰ্ধনা গ্ৰহণ কৰি বিধায়িকা নিলিমা দেৱীয়ে কয় যে, তেওঁ অত্যন্ত সাধাৰণ ঘৰৰ পৰা ওলাই আহিছে। দুখ-কষ্ট সহি এই খিনিলৈ আগবাঢ়িছে। প্ৰত্যেকে কৰ্মনিষ্ঠা থাকিলে, আগবঢ়াত সহায় হয় বুলি মন্তব্য কৰে। অনাগত পাচ বছৰত মঙলদৈৰ হৈ সততাৰে কাম কৰাৰ ইচ্ছা ব্যক্ত কৰি তেওঁ কয় যে, সকলোৱে দায়িত্ব সহ কাম কাজ কৰি গ'লে পিছপৰা জিলা অথবা অঞ্চল বুলি ধাৰণাটো নোহোৱা হ'ব। দৰং পিছপৰা জিলাৰ ধাৰণাটো সকলোৱে আতৰাবলৈ হলে প্ৰত্যেক জনে শ্ৰম কৰিবই লাগিব। মঙলদৈৰ উন্নয়নৰ স্বাৰ্থত সহযোগ, পৰামৰ্শ তেওঁ কামনা কৰে। সভাত দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ ৰাজেন্দ্ৰ নাথ হাজৰিকা, মঙলদৈ ইলেক্ট্ৰনিক মিডিয়া ফৰামৰ সম্পাদক নৱ জ্যোতি মহন্ত আদিয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়াই। সকলোৱে বক্তব্যত দীৰ্ঘবিৰতিৰ অন্তত মঙলদৈৰ বিধায়িকা নিলিমা দেৱীক মন্ত্ৰিত্ব প্ৰদানৰ দাবী কৰাৰ লগতে মন্ত্ৰিত্ব দিলে দৰং জিলা উপকৃত হ'ব বুলি মন্তব্য কৰে। ইপিনে, বিধায়িকা নিলিমা দেৱীয়ে ৰাজ্যত বিজেপি, এনডিএৰ বৃহৎ বিজয়ৰ সূত্ৰধাৰ তথা নায়ক ড° হিমন্তবিশ্ব শৰ্মাক আজি পুৱাতে সাক্ষাৎ কৰি ৰাজ্যৰ লগতে পশ্চিম বংগত বিশাল বিজয়ৰ বাবে অভিনন্দন জনায়। দুই এদিনতে দলৰ নৱ-নিৰ্বাচিত বিধায়ক-বিধায়িকাৰ সভা আৰু দলীয় নেতা বাচনিৰ পাছত মন্ত্ৰীসভাৰ প্ৰসংগ আহিব যদিও পুনৰবাৰ মুখ্যমন্ত্ৰী হিচাবে শপত গ্ৰহণৰ পূৰ্ণ সম্ভাৱনা বিৰাজমান অৱস্থাত ড° শৰ্মাৰ গুডবুকত নিলীমা দেৱীৰ নামো সন্নিবিষ্ট হৈছে আৰু মন্ত্ৰিত্ব অৰ্জনৰ সম্ভাৱনা প্ৰবল বুলি বিশেষ সূত্ৰে প্ৰকাশ কৰে।

চামগুৰিৰ বকুলতলত ৰঙালী বিহু উৎসৱ উদ্‌যাপন

অসম বাৰ্তা, পুৰণিগুদাম, ৮ মে' ঃ নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চামগুৰি বকুলতলত যোৱা ১ মে' আৰু ৮ মে'ত দুদিনীয়াকৈ আয়োজন কৰা ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ বৰ্ণাঢ্য কাৰ্যসূচী আজি বঁটা বিতৰণী মুকলি সভা আৰু সংগীতানুষ্ঠানৰে সফল সামৰণি পৰে। বকুলতলৰ মহিলা আৰু যুৱকবৃন্দৰ ব্যৱস্থাপনাত সমগ্ৰ অঞ্চলবাসীৰ সহযোগত বকুলতলৰ আঞ্চলিক নাট্যচ'ৰা প্ৰাংগণত অনুষ্ঠিত হোৱা ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ কাৰ্যসূচী মৰ্মে যোৱা ১ মে'ৰ পুৱা ৮বজাত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে ধৱলী বালিপাৰা সত্ৰৰ সত্ৰাধিকাৰ, নাট্যকৰ্মী যদুমণি গোস্বামীয়ে। পুৱা ১০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত সমগ্ৰ অঞ্চলৰ ৰাইজে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত বৃহত্তৰ অঞ্চলটোৰ পুৰুষ-মহিলা, যুৱক-যুৱতী আৰু শিশুসকলৰ মাজত দৌৰ, কাবাদী, চকীখেল, ভেশচন, টেকেলী ভঙা, গিলাচত পানী ভৰোৱা, জেকে কয় হঁহা-কন্দা আৰু পুখুৰী পাৰ আদি পৰম্পৰাগত থলুৱা খেল-ধেমালী প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি বিয়লি ৩ বজাৰ পৰা উক্ত প্ৰতিযোগিতাৰ বঁটা বিতৰণী মুকলি সভাখন অনুষ্ঠিত হয়। অঞ্চলৰ উদ্যমী মহিলা পিঞ্জুমণি শৰ্মাই উদ্দেশ্য আৰু ব্যাখ্যা কৰা আৰু বিশিষ্ট সমাজসেৱক যদুমণি গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থাকি বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰনাথ গায়নে বিহুৰ ঐতিহ্য, পৰম্পৰা আৰু স্বকীয় বৈশিষ্ট্যৰ ওপৰত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ক্ৰমে, পুৰণিগুদাম শতদল সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ আৰু পুৰণিগুদাম জিলা পৰিষদৰ সদস্য, বিজেপি নেতা মিণ্টু শৰ্মাই মননশীল বক্তৃতা প্ৰদান কৰাৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক, সাহিত্যিক তথা স্বতন্ত্ৰতা সেনানীৰ সম্পাদক নীলৰঞ্জন শৰ্মাই বিহুৰ ক্ৰমবিকাশ, বিৱৰ্তন আৰু বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ মাজত বিহুৰ চৰ্চা তথা সাধনাৰ ক্ষেত্ৰত জ্যেষ্ঠজনৰ কৰণীয় সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানৰ পূৰ্বে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত আমন্ত্ৰিত অতিথি ফণীন্দ্ৰনাথ গায়ন, নীলৰঞ্জন শৰ্মা আৰু তিলক কুমাৰ গায়নে ধূপ-দীপ প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত কৃষ্ণাংগী গায়ন, বৰ্নিকা শইকীয়াই বিহুনৃত্য প্ৰদৰ্শন কৰাৰ লগতে অঞ্চলৰ শিশু সকলৰ দ্বাৰা বিচিত্ৰানুষ্ঠান আৰু সংগীত শিল্পী নিপন-প্ৰিয়মে সংগীতানুষ্ঠান ৰূপায়ণ কৰে।

বৰপেটাৰোডত জেহাদী কাৰ্যকলাপৰ বিৰুদ্ধে NIAৰ ব্যাপক অভিযান

অসম বাৰ্তা, বৰপেটাৰোড, ৮ মে' ঃ আজি পুৱতি নিশা বৰপেটাৰোডৰ কেইবাটাও অঞ্চলত জেহাদী কাৰ্যকলাপৰ বিৰুদ্ধে এক ব্যাপক অভিযান চলায় কেন্দ্ৰীয় সংস্থাটোৱে। প্ৰাপ্ত তথ্য অনুসৰি, NIA-ৰ এটা ডাঙৰ দলে আজি পুৱতি নিশা বৰপেটাৰোডৰ মণিপুৰ আৰু নিচুখা ধৰি কেইবাটাও স্পৰ্শকাতৰ অঞ্চলত এই অভিযান চলায়। জেহাদীৰ সৈতে সম্পৰ্ক থকাৰ সন্দেহত পূৰ্বৰে পৰা লক্ষ্যত থকা কেইবাগৰাকীও ব্যক্তিৰ ঘৰত পুৱাৰে পৰা তালাচী চলাইছে তদন্তকাৰী দলটোৱে। তাৰে ভিতৰত বৰপেটা ৰোড আৰক্ষী থানাৰ অন্তৰ্গত নিচুকাৰ ইন্তাজ আলী নামৰ এজন লোকৰ বাসগৃহত আজি পুৱা আৰক্ষী আৰু এনআইএৰ এটা দলে তালাচী অভিযান চলাই। জানিব পৰা মতে ইন্তাজ আলীৰ পুত্ৰ চুলতান মহামুদক যোৱা ৩০ ডিচেম্বৰত এন আইএৰ দলে গ্ৰেপ্তাৰ কৰিছিল। সম্প্ৰতি চুলতান মাহমুদ বৰ্তমান গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ আছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও মণিপুৰ আৰু নিচুখা অঞ্চলৰ পৰা জেহাদী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগত কেইবাগৰাকীও যুৱকক গ্ৰেপ্তাৰ কৰা হৈছিল।

৫৮ কেজি গাঞ্জাসহ আটক পদ্মেশ্বৰ দৈমাৰী

হাইনাইগুৰিত ঢেকীয়াজুলি আৰক্ষীৰ বৃহৎ অভিযান

অসম বাৰ্তা, ঢেকীয়াজুলি, ৮ মে' ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ বাতাচীপুৰৰ হাইনাইগুৰিত ঢেকীয়াজুলি আৰক্ষীয়ে তীব্ৰ অভিযান চলায়। আৰক্ষীয়ে চলোৱা তীব্ৰ অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে অভিযান চলাই এঘৰৰ পৰা প্ৰায় ৫৮ কেজি গাঞ্জা উদ্ধাৰ কৰাৰ লগতে পদ্মেশ্বৰ দৈমাৰী নামৰ এজন লোকক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি গোপন সূত্ৰৰ ভিত্তিত ঢেকীয়াজুলি আৰক্ষীয়ে এই অভিযান চলায়। ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসৰ নিৰ্দেশত এছ.আই প্ৰবীন উপাধ্যায়ৰ নেতৃত্বত, উপ পৰিদৰ্শক চেনিৰাম মণ্ডলৰ সহযোগত আৰক্ষীৰ এটি দলে বাতাচীপুৰৰ হাইনাইগুৰিৰ সন্দেহজনক এঘৰত তীব্ৰ অভিযান চলায়। অভিযানকালত আৰক্ষীয়ে ঘৰৰ ভিতৰত লুকুৱাই ৰখা অৱস্থাৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ কৰে। আৰক্ষীৰ এই সফল অভিযানৰ পিছতে অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে আৰক্ষীৰ এই পদক্ষেপক আদৰণি জনাই মাদক দ্ৰব্যৰ বিৰুদ্ধে অধিক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। বৰ্তমান আটকাধীন পদ্মেশ্বৰ দৈমাৰীক সোধা-পোছা অব্যাহত ৰাখিছে আৰক্ষীয়ে। ইফালে ঘটনাটোৰ অধিক তথ্য উদ্ধাৰৰ বাবে ঢেকীয়াজুলি আৰক্ষী থানাৰ উপ-পৰিদৰ্শক প্ৰদীপ বৰাই তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে অনুমান কৰিছে যে এই ঘটনাৰ সৈতে আৰু অধিক লোক জড়িত থকাৰ সম্ভাৱনা আছে। তদন্তৰ অগ্ৰগতি অনুসৰি আগন্তুক দিনত আৰু বহু গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

পূবকালাকুছি তৰমথা বড় মছজিদ পৰিচালনা সমিতিৰ উদ্যোগত কীৰ্তিমানক ৰাজহুৱা সম্বৰ্ধনা

অসম বাৰ্তা, চামতা, ৮ মে' ঃ নলবাৰী জিলাৰ পূবকালাকুছি তৰমথা বড় মছজিদ পৰিচালনা সমিতিৰ উদ্যোগত শুকুৰবাৰে অঞ্চলটোৰ পৰা বিগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ বহুকেইজন কৃতী শিক্ষাৰ্থীক ৰাজহুভাৱে সম্বৰ্ধনা জনোৱা হয়। পূবকালাকুছি তৰমথা বড় মছজিদ প্ৰাংগণত পৰিচালনা সমিতিৰ সভাপতি আলহাজ চাদেক আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত তৃতীয় স্থানপ্ৰাপ্ত সুৰজিত আখতাৰ, ডিষ্টিংছন প্ৰাপ্ত সুৰজ আহমেদ, ষ্টাৰ মাৰ্ক লাভ কৰা আচিকুৰ ৰহমান, ফাৰিহা জামান, চেমিম আখতাৰ, আচিফ আলী, জেৰিফাৰ ইছলামৰ লগতে ২০২৩ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত দশম স্থানপ্ৰাপ্ত জেচিকা মেচবিনক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। এই উপলক্ষে অনুষ্ঠিত সম্বৰ্ধনা সভাখনত অৱসৰী শিক্ষক পোহৰুল্লা আলী, চফিউৰ ৰহমান, চান্দমহম্মদ, বেংক বিষয়া তথা সমাজকৰ্মী আব্দুল নাছেৰ, পূবকালাকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চফিকুৰ ৰহমান, সমাজকৰ্মী মফিজুৰ ৰহমান, পেছ ইমাম ইছমাইল আলী, মোৱাজ্জিন মতিউৰ ৰহমান, পূবকালাকুছি ২নং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কন্দৰ্প তালুকদাৰ, শিক্ষয়িত্ৰী বিনীতা বৰ্মন, শিক্ষক মন্তাজুল হক আদি উপস্থিত থাকে। পূবকালাকুছি ও তৰমথা বড় মছজিদ পৰিচালনা সমিতিৰ সম্পাদক চামচুল হক আৰু বিষয়ববীয়া ৰুবুল আহমেদৰ সহযোগত আব্দুল আমিন হুছেইনে আঁতধৰা সভাখনত শিক্ষাৰ্থীসকলক গামোচা, মানপত্ৰ, জাপি, শৰাই আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অঞ্চলটোৰ প্ৰায় শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাখনত বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে শিক্ষাৰ্থীসকলৰ উদ্দেশ্যে বক্তব্য প্ৰদান কৰাৰ লগতে সম্বৰ্ধিত শিক্ষাৰ্থীসকলৰ তৰফৰ পৰাও নিজৰ ভাৱ ব্যক্ত কৰে।

ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থাৰ মধ্যকালীন অধিৱেশনৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৮ মে' ঃ ডুমডুমা জ্যেষ্ঠ নাগৰিক সংস্থাৰ মধ্যকালীন অধিৱেশনখনি অহা ১০ মে'ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবৰ বাবে ইতিমধ্যে প্ৰস্তুতি চলাইছে। সংস্থাৰ সভাপতি গোবিন্দ ফুকন আৰু সাধাৰণ সম্পাদক প্ৰকাশ নাৰায়ণ পাটোৱাৰীয়ে জানিবলৈ দিয়ে যে, ডুমডুমা শাখা সাহিত্য সভা ভৱনত সংস্থাৰ এই মধ্যকালীন অধিৱেশনখনি অনুষ্ঠিত হ'ব। উক্ত দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ৯-৩০ বজাত সংস্থাৰ পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব। পুৱা ১০ বজাত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন। দিনৰ ১১ বজাৰ পৰা সাধাৰণ সভা আৰু সম্বৰ্ধনা অনুষ্ঠান। দিনৰ ১২ বজাৰ পৰা ব'হাগৰ দুপৰীয়া গীত-মাত-কবিতাৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে, এই গীত-মাত-কবিতাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বিচৰা সদস্য-সদস্যাসকলক আগতীয়াকৈ সম্পাদকৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। বিয়লি ৩ বজাত সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। সেয়ে উক্ত দিনাৰ প্ৰতিটো কাৰ্যসূচীতে সংস্থাৰ সমূহ বিষয়ববীয়া তথা সদস্য-সদস্যাক উপস্থিত থাকি অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনাইছে সংস্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে।

যুৱ সাংবাদিকৰ ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি; দুজনক গ্ৰেপ্তাৰ

গহপুৰ নগৰত চোৰৰ সন্ত্ৰাস অব্যাহত

অসম বাৰ্তা, গহপুৰ, ৮ মে' ঃ গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত গহপুৰ নগৰৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে চোৰৰ সন্ত্ৰাস। গহপুৰ নগৰত সঘনাই সংঘটিত হৈ থকা চোৰৰ সন্ত্ৰাস ৰোধ কৰাৰ চূড়ান্তভাৱে ব্যৰ্থ হৈছে গহপুৰ আৰক্ষী। গহপুৰ নগৰত ধাৰাবাহিকভাৱে অব্যাহত থকা চোৰৰ উপদ্ৰৱৰ মাজতে যোৱা নিশা পুনৰ সংঘটিত হয় আন এক চুৰিকাণ্ড। গহপুৰৰ যুৱ সাংবাদিক বিদ্যুৎপন ভুঞাৰ ধেনুধৰাত থকা তেওঁৰ জয় গণেশ কনষ্ট্ৰাকচন নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানত সংঘটিত হয় এক চুৰি কাণ্ড। জানিব পৰামতে-যোৱা নিশা তেওঁৰ উক্ত প্ৰতিষ্ঠানত চোৰৰ এটা দলে প্ৰৱেশ কৰি গ্ৰেণ্ডাৰ মেছিন, ৱাল কটা মেছিন, ব্লক ইটা বনোৱা ফৰ্মা সহ প্ৰায় ৩০ হাজাৰ টকা মূল্যৰ মেছিন আৰু বিভিন্ন সা-সামগ্ৰী লৈ যায়। চি চি টিভিৰ ফুটেজৰ তথ্য অনুসৰি যোৱা নিশা প্ৰায় ১১ বজাত দুজন চোৰে উক্ত প্ৰতিষ্ঠানত চুৰি কাৰ্য্য সংঘটিত কৰিছিল। চিচি টিভিৰ ফুটেজৰ আঁত ধৰি গহপুৰ আৰক্ষীয়ে উক্ত চুৰি কাৰ্য্যৰ বিৰুদ্ধে অভিযান চলাই আজি দুজন চোৰক গহপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ধৃত চোৰ দুজন হৈছে গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ দাঁতি-কাষৰীয়া চৰাই বাৰীৰ সমৰ জ্যোতি পাটিৰি আৰু লপাইচুকৰ বিকাশ দ'লে।

দৌলগুৰি গাঁৱৰ ভেঞ্চাৰ শিক্ষকৰ পুত্ৰ হিৰকজ্যোতি বড়াই লাভ কৰিলে এমবিবিএছ ডিগ্ৰী

অঞ্চলত আনন্দৰ বন্যা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৮ মে' ঃ জুইয়ে পুৰা সোণ হৈ জিলিকিল হিৰকজ্যোতি বড়া। ওদালগুৰি জিলাৰ কলাইগাঁৱৰ নিকটৱৰ্তী দৌলগুৰি এটা দৰিদ্ৰ পৰিয়ালত জন্ম লৈও নিজ পৰিশ্ৰম, একাগ্ৰতা আৰু অদম্য ইচ্ছাশক্তিৰে এইবাৰ গুৱাহাটী মেডিকেল কলেজৰ পৰা এমবিবিএছৰ ডিগ্ৰী লাভ কৰি সমগ্ৰ অঞ্চলটোক গৌৰৱান্বিত কৰে। দৌলগুৰি গাঁৱৰ নৃপেন বৰা আৰু মানকন বড়োৰ পুত্ৰ হীৰকজ্যোতি বৰাই ক্ৰমে টংলাৰ অৰুণোদয় একাডেমী, পিএমশ্ৰী জৱাহৰ নৱোদয় বিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণৰ পিছতে জৱাহৰ নৱোদয় বিদ্যালয়ৰ জৰিয়তে ব্যক্তিগত ক'চিং চেণ্টাৰত ক'চিং গ্ৰহণ কৰি গুৱাহাটী মেডিকেল কলেজ হাস্পাতালত এমবিবিএছ পাঠ্যক্ৰম অধ্যয়নৰ বাবে নিৰ্বাচিত হয়। পৰহি ঘোষণা কৰা ফলাফলত হিৰকজ্যোতি বড়াই সুখ্যাতিৰে এমবিবিএছ ডিগ্ৰী লাভ কৰাত দেউলগুৰি গাঁৱত আনন্দৰ লহৰ বিয়পি পৰে। কালি (৬ মে') হিৰকজ্যোতি বড়া ঘৰলৈ অহাৰ সময়তে দৌলগুৰি গাঁৱৰ খেল সমিতিৰ উদ্যোগত গাঁওবাসীয়ে আৰ'নাই, গামোচা, জাপিৰে অভিনন্দন জনাই পৰম্পৰাগত নৃত্য-গীত পৰিবেশনৰে ঘৰলৈ আদৰি আনে। দেউতাক এখল বিদ্যালয়ৰ ভেঞ্চাৰ শিক্ষক হোৱাৰ উপৰি সৰু-সুৱা ব্যৱসায় কৰি আৰু মাতৃৱে ঘৰতে পশুপালন কৰি পুত্ৰৰ অধ্যয়নৰ খৰচ বহন কৰাৰ পৰিণতিত অশেষ ত্যাগ আৰু কষ্টৰ ফলস্বৰূপে আৰু প্ৰবল ইচ্ছাশক্তিৰ গৰাকী হিৰকজ্যোতিৰ একাগ্ৰতাৰ বাবে লাভ কৰা সফলতাৰ বাবে তেওঁলোকৰ ঘৰত দেউলগুৰি গাঁও খেল সমিতিৰ সভাপতি সুমিন বড়োৰ সঞ্চালনাত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত দেউলগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাকেশ বড়ো, সমাজসেৱিকা নিৰ্মালী বড়োকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে হিৰকজ্যোতি বড়াৰ সফলতাক প্ৰশংসা কৰাৰ উপৰি পিতৃ-মাতৃৰ ত্যাগ আৰু কষ্টৰ কথা শ্ৰদ্ধাৰে উল্লেখ কৰি তিনিগৰাকীকে ৰাজহুৱাকৈ আৰ'নাই আৰু গামোচাৰে অভিনন্দন জনায়। ভৱিষ্যতে এগৰাকী চাৰ্জন ডক্টৰ হোৱাৰ আশা বুকুত বান্ধি ৰখা হিৰকজ্যোতি বড়াৰ সপোন পূৰণ হোৱাৰ কামনাৰে ৰাইজে আশীৰ্বাদ দিয়ে।

দুধনৈত গোৱালপাৰা জিলা পথ সুৰক্ষা সমিতিৰ সজাগতা সভা অনুষ্ঠিত

পথ দুৰ্ঘটনা প্ৰতিৰোধৰ লক্ষ্যৰে গোৱালপাৰা জিলা পথ সুৰক্ষা সমিতিৰ সজাগতা অভিযান

অসম বাৰ্তা, গোৱালপাৰা, ৮ মে' ঃ গোৱালপাৰা জিলাত পথ দুৰ্ঘটনা প্ৰতিৰোধৰ উদ্দেশ্যে জিলা পথ সুৰক্ষা সমিতিৰ উদ্যোগত আজি দুধনৈ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক লৈ এখন পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। দুধনৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত সভাখনত গোৱালপাৰাৰ জিলা আয়ুক্ত তথা জিলা পথ সুৰক্ষা সমিতিৰ সভাপতি প্ৰদীপ টিমুং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। সভাত জিলা আয়ুক্ত টিমুঙে পথ সুৰক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক অধিক সজাগ হ'বলৈ আহ্বান জনায়। তেওঁ গাড়ী চলাওঁতে ছিট বেল্ট ব্যৱহাৰ কৰা, দুচকীয়া বাহনত চলাচলৰ সময়ত হেলমেট পিন্ধা আৰু যান-বাহন আইন মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে সমাজত ড্ৰাগছ আসক্তিৰ কু-প্ৰভাৱৰ বিষয়েও উল্লেখ কৰি ছাত্ৰ সমাজক ইয়াৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। সভাত উপস্থিত থাকে গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, সমজিলা আৰক্ষী অধীক্ষক অভিলাষ বৰুৱা, জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব তথা লোক নিৰ্মাণ (পথ) বিভাগৰ অধীক্ষক অভিযন্তা কুলেন্দ্ৰ বড়ো, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া বাবলি দাস, জিলা নিৰ্বাচনী বিষয়া পল্লৱী বৰা আদিৰ লগতে পৰিবহণ বিভাগ আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকল। জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰীসকলক পথ সুৰক্ষা বিষয়ত অধিক সচেতন হ'বলৈ আহ্বান জনায়। তেওঁ মদ্যপান, ড্ৰাগছ সেৱন আৰু চাইবাৰ অপৰাধৰ ভয়াবহ পৰিণতিৰ বিষয়েও সজাগ কৰে। আনহাতে, দুধনৈ এফ আৰ ইউ হাস্পতালৰ জ্যেষ্ঠ চিকিৎসক ডাঃ পূৰ্ণ ৰংসিলে সভাত HPV ভেকচিনৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। তেওঁ ১৪ বছৰ বয়সীয়া কিশোৰীসকলে এই ভেকচিন গ্ৰহণৰ জৰিয়তে কেনেদৰে জৰায়ুমুখৰ কৰ্কট ৰোগৰ পৰা সুৰক্ষিত থাকিব পাৰে, সেই বিষয়ে ব্যাখ্যা কৰে। লগতে ভেকচিন সম্পৰ্কীয় উৰা বাতৰিত বিশ্বাস নকৰিবলৈও আহ্বান জনায়। সভাৰ অন্তত স্থানীয় সাংবাদিকসকলক জিলা পথ সুৰক্ষা সমিতিৰ তৰফৰ পৰা ফুলাম গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। পিছত দুধনৈ চাৰিআলিত পথ সুৰক্ষা সমিতিৰ বিষয়ববীয়াসকলে হেলমেটবিহীন দুচকীয়া চালকসকলক হেলমেট বিতৰণ কৰি পথ সুৰক্ষাৰ বিষয়ে সজাগতা সৃষ্টি কৰে।

বিহপুৰীয়াত বেচৰকাৰী সংস্থা 'সাঁকো'ৰ উদ্যোগত বিনামূলীয়া কম্পিউটাৰ শিক্ষা

অসম বাৰ্তা, বান্দৰদেৱা, ৮ মে' ঃ লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত অন্যতম বেচৰকাৰী সংস্থা "সাঁকো"ৰ উদ্যোগত বিহপুৰীয়া আৰু নাৰায়ণপুৰৰ ৰাইজৰ মাজত শিক্ষা, স্বাস্থ্য আদিৰ ক্ষেত্ৰত বিগত দিনত বিনামূলীয়া সেৱা আগবঢ়াই আহিছে। কিছুদিন পূৰ্বে চকুৰ ৰোগৰ প্ৰায় হেজাৰো অধিক ৰোগীক ডিব্ৰুগড়লৈ নি চিকিৎসা প্ৰদান কৰাৰ লগতে বিনামূলীয়াকৈ চচমা দিয়ে। তদুপৰি সমষ্টিটোৰ বিভিন্ন অঞ্চলৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰ ছাত্ৰী সকলৰ সুবিধা হোৱাকৈ নাৰায়ণপুৰ আৰু বিহপুৰীয়াত দুটা কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি বহুতো ছাত্ৰ ছাত্ৰীক বিনামূলীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। উল্লেখ্য যে চলিত বৰ্ষটো পৰিসৰ বৃদ্ধি কৰি উক্ত দুয়োটা কেন্দ্ৰত সমষ্টিটোৰ প্ৰায় ১২০০ শ ছাত্ৰ ছাত্ৰীক বিনামূলীয়া কম্পিউটাৰ শিক্ষা দিয়াৰ উদ্দেশ্যে আগ্ৰহী ছাত্ৰ ছাত্ৰী সকলক আবেদন দি থকা হৈছে। সেয়েহে আগ্ৰহী সকলে সাঁকোৰ বিষয়ববীয়া সকলৰ লগত যোগাযোগ কৰি এই সুবিধা লাভ কৰিব পাৰিব বুলি সংবাদ মাধ্যমক অৱগত কৰে সাঁকোৰ কৰ্তৃপক্ষই।

ৰঙিয়াত ডাকলিংক প্ৰিস্কুলৰ শুভ উদ্বোধন

অসম বাৰ্তা, ৰঙিয়া, ৮ মে' ঃ ৰঙিয়াৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজ সচেতক বিক্ৰম সিং লহকৰৰ একক আৰু শুভ চিন্তাৰ ফলস্বৰূপে ডাকলিংক প্ৰি স্কুল নামৰ এখন ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয় আজি শুভ উদ্বোধন কৰা হয়। উল্লেখ্য যে এই বিদ্যালয়খনত দুখীয়া দৰিদ্ৰ তথা অনাথ ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়াকৈ প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। বিদ্যালয় পৰিচালনাৰ দায়িত্বত থকা শিক্ষক উজ্জ্বল ডেকাই আত ধৰা অনুষ্ঠানত প্ৰথমেই ৰঙিয়াৰ ফাটিমা কনভেণ্ট স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী বেনিডাট্টা ডিক'ষ্টাই ফিতা কাটি শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সভাত উপস্থিত থাকি ৰঙিয়াৰ প্ৰাক্তন বিধায়ক অনন্ত ডেকা, মডাৰ্ণ ইংলিছ স্কুলৰ প্ৰতিষ্ঠাপক হৰি কায়াল, ছাৰ্চ পাব্লিক স্কুলৰ কৰুণা শৰ্মা, শিক্ষক মুকুল ভুঞা, জেষ্ঠ নাগৰিক কুমুদ লহকৰ সহিতে কেবাগৰাকীও সাংবাদিক, সাংস্কৃতিক কৰ্মীয়ে শুভেচ্ছা মূলক ভাষণ ৰখাৰ উপৰিও ভৱিষ্যতে বিদ্যালয়খনৰ উত্তোৰণৰ হকে সহায় সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। আশা কৰা হৈছে ৰঙিয়াৰ শৈক্ষিক জগতত বিশেষকৈ ৰে'ল ষ্টেচনৰ আশে-পাশে বসবাস কৰা কণকণ শিশুসকলৰ শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত এই বিদ্যালয়খনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

সম্পাদকীয়

মাতৃ দিৱস ঃ প্ৰকৃত মূল্যায়ন নে বাণিজ্যিক প্ৰলোভন ?

প্ৰতি বছৰে মে' মাহৰ দ্বিতীয় সপ্তাহত দেওবাৰে 'মাতৃ দিৱস' পালন কৰা হয়। বিশ্বজুৰি এই দিনটো মাতৃৰ প্ৰতি কৃতজ্ঞতা আৰু স্নেহ প্ৰকাশৰ উদ্‌যাপন কৰা হয়। কিন্তু আমাৰ মানুহৰ মনত সৃষ্টি হয় যে— মাতৃৰ বাবে কেৱল এটা দিন পৃথক কৰি দিয়াটো কিমান যুক্তিসংগত ? বাণিজ্যিক প্ৰতিষ্ঠানবোৰে এই দিনটোক অৰ্থ উপাৰ্জনৰ সুযোগ হিচাপে ব্যৱহাৰ কৰে নেকি ? প্ৰকৃত স্নেহ আৰু সন্মান প্ৰদৰ্শন কৰিবলৈ এদিনীয়া উপহাৰ, কাৰ্ড বা ফোনকল যথেষ্ট নে ?

মাতৃ দিৱসৰ উৎপত্তি আমেৰিকাৰ এগৰাকী সক্ৰিয়কৰ্মী 'আন্না জাৰ্ভিছ'ৰ পৰা। তেওঁ মাতৃৰ মৃত্যুৰ পিছত মাতৃৰ অবদানক স্মৰণ কৰিবলৈ এই দিনটোৰ সূচনা কৰিছিল। কিন্তু বৰ্তমান ই এক বিশাল বাণিজ্যিক উদ্যোগত পৰিণত হৈছে। ফুলৰ দোকান, গ্ৰীটিছ কাৰ্ড কোম্পানী, উপহাৰৰ প্ৰতিষ্ঠানবোৰে এই সময়ত আকাশী দৰত সামগ্ৰী বিক্ৰী কৰি বিপুল মুনাফা অৰ্জন কৰে। ইয়াৰ প্ৰভাৱ আমাৰ অসমীয়া সমাজতো পৰিছে। চহৰাঞ্চলৰ বহু পৰিয়ালত এইদিনা কেইবাশ টকা খৰচ কৰি মাকক 'চৰপ্ৰাইজ' দিয়া হয়, ফেচবুক-ইণ্ষ্টাগ্ৰামত মাকৰ ছবি পোষ্ট কৰি 'হেচটেগ' দিয়াত ব্যস্ত হৈ পৰে।

আনহাতে আমাৰ পৰম্পৰাগত সংস্কৃতি সদায় মাতৃক সৰ্বোচ্চ স্থান দি আহিছে। 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী'— এই উক্তিয়ে মাতৃক স্বৰ্গতকৈয়ো ডাঙৰ বুলি ঘোষণা কৰে। অসমীয়া সমাজত মাতৃৰ স্থান কোনো এটা বিশেষ দিনত সীমাবদ্ধ নহয়; তেওঁ পৰিয়ালৰ আধাৰ। আমাৰ ঘৰে ঘৰে মাকৰ আদৰ, যত্ন, ত্যাগ আৰু মৰম সদায় বিৰাজমান। কিন্তু আধুনিকতাৰ প্ৰভাৱত পশ্চিমীয়া এই দিনটোৱে আমাৰ মাজত নানা দ্বিধা সৃষ্টি কৰিছে। বহু সন্তানে প্ৰশ্ন কৰে— "আমি যি আজিৰ এই দিনটোত কেৱল উপহাৰ দিছো, সেইটোৱেই মাকৰ বাবে যথেষ্ট নেকি ? বাকী ৩৬৪ দিন তেওঁৰ কথা মনত নপৰে নেকি ?" আন এক প্ৰশ্ন হ'ল- যিসকল সন্তানে মাক হেৰুৱাইছে, বা যিসকলৰ মাৰ সৈতে সম্পৰ্ক ঠিক নহয়, তেওঁলোকে এই দিনটোক কি অনুভৱ কৰে ? সামাজিক মাধ্যমত আনৰ সুখী পোষ্ট দেখি তেওঁলোকে বেছি যন্ত্ৰণা পায়। তদুপৰি যিসকল মাকে আত্মকেন্দ্ৰিক বা অশিক্ষিত বাবে সন্তানক সঠিক দিশ নিদিয়ে, তেওঁলোকৰ প্ৰশংসাৰ পাত্ৰ নহয়। এনে ক্ষেত্ৰত 'মাতৃ দিৱস' নামৰ ধাৰণাটো অৰ্থহীন হৈ পৰে।

গতিকে আমি কি কৰিব লাগে ? প্ৰকৃত তথ্যত মাতৃ দিৱস পালনৰ অৰ্থ হৈছে- মাকক মাত্ৰ এদিনৰ বাবে নহয়, প্ৰতিদিনে সন্মান দিয়া। বাণিজ্যিক কোম্পানীবোৰৰ চোকা নজৰৰ পৰা আঁতৰি আহি আমি সহজ-সৰল পদ্ধতিৰে মাকৰ স্নেহ মূল্যায়ন কৰিব পাৰোঁ। শেষত কওঁ, মাতৃ দিৱস এটা আনন্দৰ দিন হ'ব পাৰে, কিন্তু হ'ব লাগিব তাক দাৰ্শনিক গভীৰতাৰ সৈতে। অন্ধ অনুকৰণ নকৰি আমাৰ নিজা সংস্কৃতিৰ আলোকেৰে ইয়াক চাব লাগে। কেৱল এদিনীয়া আড়ম্বৰত সন্তুষ্ট নাথাকি মাকৰ চকুলে চাবলৈ শিকো আহক। তেহেলেকে মাতৃৰ চৰণত সদায় সেৱা-শুশ্ৰূষা জনোৱাই হওক সৰ্বশ্ৰেষ্ঠ 'মাতৃ দিৱস'।

গামোচাৰ মৰ্যাদা

অসমীয়া জাতীয় সত্তাৰ প্ৰতীক গামোচাখন অসমীয়া লোক কলাৰো এক অমূল্য সম্পদ। গামোচা কেৱল ডিঙিত লোৱা বা উপহাৰ হিচাপে দিয়া বস্তু নহয়, ই এক সন্মানৰো প্ৰতীক। অসমীয়া সংস্কৃতিৰ বিবিধ আপুৰুগীয়া সম্পদৰ অন্যতম এই গামোচাখনত অসমীয়া শিপিনীয়ে সপোন বচে। সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আদি বিভিন্ন ক্ষেত্ৰত বা বিভিন্ন অনুষ্ঠানত বিভিন্ন ধৰণে এই বস্ত্ৰবিধ ব্যৱহৃত হয়। অসমীয়া সমাজত বহুত সন্মানীয় বস্তু বুলি গণ্য কৰা এই গামোচাখন বিশিষ্টজনক সন্মানৰ চিন স্বৰূপে প্ৰদান কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানত যিমানেই মূল্যবান সামগ্ৰী নাথাকক কিয়, গামোচাখন কিন্তু অপৰিহাৰ্য, কিয়নো গামোচাখনে ইয়াৰ মান আৰু ওজন আপোনা - আপুনি বঢ়াই তোলে। অসমীয়া সমাজত সেয়েহে গামোচাখনক ৰঙা আদৰৰ সামগ্ৰী ৰূপে গণ্য কৰা হয়। কিন্তু আজি -কালি বহু ক্ষেত্ৰত এই আদৰৰ অংগ বস্ত্ৰ বিধৰ প্ৰকৃত সন্মান আৰু মৰ্যাদা বিঘিনি হোৱা পৰিলক্ষিত হয়। অসমীয়াৰ আদৰৰ এই সন্দৰ্ভবিধৰ প্ৰতি আৰজ্ঞা প্ৰদৰ্শন কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। অসমীয়া সমাজ-সংস্কৃতিৰ প্ৰতীক গামোচাখনৰ মৰ্যাদা হানি হোৱাক দি ৰাজ্যত সময়ে-সময়ে চৰ্চা আৰু প্ৰতিক্ৰিয়া চলি আহিছে, গামোচা কেন্দ্ৰিক এনে বিৰ্তক হ'ব লগা হোৱাটো খুবেই লজ্জাজনক। বহু সময়ত দেখা যায় মন্ত্ৰী বিধায়ক বা তেনে লোকক সন্মান জনোৱা গামোচাবোৰ গাড়ী চালক বা দেহৰক্ষীজনৰ হাতত গতহি দিয়ে আৰু তেওঁলোকেও আন্তৰিকতাৰে দিয়া গামোচাবোৰ এক প্ৰকাৰ মোহাৰি -সামৰি এনে ৰকে যে দেখিলেই বেয়া লাগি যায়। আদৰৰে বৰণ কৰা গামোচাখনৰ এনে গতি বাৰু কোনে সহ্য কৰিব পাৰে ? আজি-কালি আকৌ বহুতে গামোচা আদি ঘৰৰ আলহী বহা কোঠাত, চকী-টেবুল আদিতো ব্যৱহাৰ কৰে। কাষত লোৱা গামোচাখন বা বিছত আদৰৰে দিয়া গামোচা খনে যি মান বহন কৰে, সি অমূল্য। গামোচাখন কিন্তু বহা আসনত ব্যৱহাৰ কৰাটো একেবাৰে অনুচিত। গামোচাখন বহুতৰ বাবে সাধাৰণ বস্ত্ৰ হ'ব পাৰে, কিন্তু অসমীয়া লোক সকলৰ বাবে অন্ততঃ নহয়, হ'ব নোৱাৰে। সেয়ে অসম আৰু অসমীয়াৰ মৰ্যাদাৰ প্ৰতীক গামোচাখনৰ মৰ্যাদা ৰক্ষা কৰিবলৈ আমি শিকা উচিত। গামোচাৰ মৰ্যাদা হানি বা ইয়াৰ অপব্যৱহাৰ হোৱাটো অতি সংবেদনশীল আৰু উদ্বেগজনক, কিয়নো গামোচা আমাৰ অস্তিত্বৰ প্ৰতীক, সন্মানৰ প্ৰতীক। সেয়ে আমি সকলোৱে ব্যক্তিগত ভাবে হওক, ৰাজহুৱা ভাবে হওক, ৰাজনৈতিক সভা বা কোনো সম্বৰ্ধনা অনুষ্ঠানতে হওক ইয়াৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ সতৰ্কতা অবলম্বন কৰাটো প্ৰয়োজনীয়া আৰু ই আমাৰ পবিত্ৰ কৰ্তব্য হোৱা উচিত।

নিবেদিতা হাজৰিকা

হিমাংশু ৰঞ্জন ভূঞা

অসম বিধানসভা নিৰ্বাচনৰ ফলাফলে ৰাজ্যখনৰ ৰাজনৈতিক ইতিহাসত এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিছে। নিৰ্বাচন আয়োগৰ আনুষ্ঠানিক তথ্য অনুসৰি, ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটে মুঠ ১২৬খন আসনৰ ভিতৰত ১০২খন আসন লাভ কৰি এক অভিলেখ সৃষ্টিকাৰী বিজয় সাৰ্যস্ত কৰিছে আৰু একেবাৰে তৃতীয়বাৰৰ বাবে ৰাজ্যৰ শাসনভাৰ নিজৰ হাতত বাখিবলৈ সক্ষম হৈছে। এই ফলাফলে নিশ্চিতভাৱে অসমৰ ভোটাৰ বাইজৰ মানসিকতা আৰু ৰাজনৈতিক পছন্দৰ এক স্পষ্ট আৰু গভীৰ পৰিবৰ্তনৰ ইংগিত দিছে। নিৰ্বাচনৰ পূৰ্বে বিভিন্ন মহলত শাসকীয় দলৰ বিৰুদ্ধে এক প্ৰতিষ্ঠান বিৰোধী ঢো উচিব পাৰে বুলি যি ধাৰণা কৰা হৈছিল, সেই সকলোবোৰ ধাৰণা এই নিৰ্বাচনী ফলাফলে সম্পূৰ্ণৰূপে নস্যাৎ কৰিলে। শাসকীয় ভাৰতীয় জনতা পাৰ্টিয়ে অকলেই ৮৮খন আসন লাভ কৰি এক সংখ্যাগৰিষ্ঠতা অৰ্জন কৰাৰ বিপৰীতে তেওঁলোকৰ মিত্ৰদল অসম গণ পৰিষদ আৰু বড়োলেণ্ড পিপলছ ফ্ৰন্টে দহখনকৈ আসন লাভ কৰি মিত্ৰজোঁটৰ স্থিতিক অধিক শক্তিশালী কৰি তুলিলে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমস্ত্বিৰ পৰা প্ৰায় ৯০ হাজাৰ ভোটৰ ব্যবধানত একেবাহে ষষ্ঠবাৰৰ বাবে জয়লাভ কৰাটোৱে তেওঁৰ ব্যক্তিগত জনপ্ৰিয়তা আৰু ৰাজ্যৰ ৰাজনীতিত তেওঁৰ অপ্ৰতিদ্বন্দ্বী স্থিতিৰ প্ৰমাণ দিয়ে। এই নিৰ্বাচনী ফলাফলে স্পষ্ট কৰি দিছে যে বৰ্তমান সময়ত অসমৰ ৰাজনীতিত শাসকীয় দলটোৰে এক শক্তিশালী আৰু সুদৃঢ় ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছে, যিটো ভেটি অতি সহজে কঁপাই তুলিব পৰা নাযাব। বিৰোধী শিবিৰৰ তীব্ৰ আক্ৰমণ আৰু সমালোচনাই পিছতো শাসকীয় দলে যিদৰে জনসাধাৰণৰ আস্থা অৰ্জন কৰিবলৈ সক্ষম হ'ল, সেয়া ৰাজনৈতিক বিশ্লেষকসকলৰ বাবে এক গভীৰ আধ্যান্নৰ বিষয় হৈ পৰিছে। এই নিৰ্বাচনে প্ৰমাণ কৰিলে যে কেৱল আবেগ আৰু পুৰণি ৰাজনৈতিক সমীকৰণৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ ৰাজনীতিত জয়লাভ কৰাটো অসম্ভৱ। ৰাইজৰ বাস্তৱসম্মত উন্নয়নৰ প্ৰতিশ্ৰুতি আৰু তাৰ সফল ৰূপায়ণৰ ওপৰতহে বাজনৈতিক ভবিষ্যত নিৰ্ভৰ কৰে, যিটো কাম শাসকীয় দলে অত্যন্ত সুপৰিকল্পিতভাৱে কৰিবলৈ সক্ষম হৈছে। দীৰ্ঘদিনীয়া ৰাজনৈতিক অস্থিৰতা আৰু বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত এখন ৰাজ্যত একেবাৰে তৃতীয়বাৰৰ বাবে একেখন চৰকাৰৰ প্ৰতি ৰাইজে যি বিপুল সমৰ্থন আগবঢ়ালে, সেয়া ভাৰতৰ গণতান্ত্ৰিক ইতিহাসলৈ এক বিৰল পৰিঘটনা হিচাপে বিবেচিত হ'ব। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ ভোটাৰৰ এই একত্ৰিত সিদ্ধান্তই ৰাজ্যৰ ৰাজনৈতিক গতিধাৰক এক নিৰ্দিষ্ট আৰু সুনিশ্চিত দিশলৈ লৈ গৈছে, য'ত বিৰোধীৰ স্থিতি ক্ৰমান্বয়ে দুৰ্বলৰ পৰা দুৰ্বলতৰ হৈ পৰিছে।

শাসকীয় মিত্ৰজোঁটৰ এই বৃহৎ সাফল্যৰ আঁৰৰ কাৰণসমূহ অতি সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ মূলতে আছে সুপৰিকল্পিত ৰণনীতি, শক্তিশালী সাংগঠনিক ভেটি আৰু জনকল্যাণমূলক আঁচনিসমূহৰ সফল ৰূপায়ণ। চৰকাৰৰ বিভিন্ন আঁচনি, বিশেষকৈ পেনপটীয়া আৰ্থিক অনুদানমূলক আঁচনিসমূহে তৃণমূল পৰ্যায়ৰ বাইজৰ মাজত এক গভীৰ প্ৰভাব বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। এই আঁচনিসমূহে কেৱল দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ জনসাধাৰণক আৰ্থিক সহায় দিয়াই নহয়, বৰঞ্চ শাসকীয় দলৰ প্ৰতি এক নিৰ্ভৰশীলতা আৰু গভীৰ আনুগত্যৰ সৃষ্টি কৰিছে। মহিলা সবলীকৰণৰ নামত গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীয়ে মহিলা ভোটাৰসকলক এক বৃহৎ ভোটবেংক হিচাপে গঢ়ি তুলিছে। ইয়াৰ উপৰিও, ধৰ্মীয় আৰু সাম্প্ৰদায়িক মেৰুকৰণৰ বাজনীতিয়েও এই নিৰ্বাচনত এক নিৰ্ণায়ক ভূমিকা পালন কৰিছে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত শাসকীয় দলৰ নেতাসকলে অত্যন্ত সুচিন্তিতভাবে যিবোৰ স্পৰ্শকাতৰ বিষয় উত্থাপন কৰিছিল, সেইবোৰে গৰিষ্ঠসংখ্যক ভোটাৰৰ মনত এক বিশেষ আৰেগ আৰু সুৰক্ষাৰ মনোভাৱ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। জাতীয়তাবাদ আৰু ধৰ্মীয় পৰিচয়ৰ এক সমশ্ৰিশ্ৰ ঘটাই ভোটাৰসকলক নিজৰ পক্ষলৈ আনিব যি ৰণকৌশল গ্ৰহণ কৰিছিল, সেয়া নিৰ্বাচনৰ এই ফলাফলত সম্পূৰ্ণৰূপে প্ৰতিফলিত হৈছে। মুখ্যমন্ত্ৰীৰ নেতৃত্বত সমগ্ৰ ৰাজ্যজুৰি যি এক আক্ৰমণাত্মক আৰু নিৰন্তৰ নিৰ্বাচনী প্ৰচাৰ চলোৱা হৈছিল, তাৰ সমুখত বিৰোধী দলসমূহ একেবাৰে নিস্প্ৰভ হৈ পৰিছিল। মুখ্যমন্ত্ৰীগৰাকীৰ বাগ্মীতা, ৰাজনৈতিক বিচক্ষণতা আৰু সাধাৰণ মানুহৰ সৈতে সংযোগ স্থাপন কৰিব পৰা অসাধাৰণ ক্ষমতাই নিৰ্বাচনৰ ফলাফল শাসকীয় দলৰ সপক্ষে যোৱাত এক গুৰুত্বপূৰ্ণ অবদান যোগাই ছে। ই য়াৰ সমান্তৰালভাৱে, দলীয় কৰ্মীসকলৰ অহোপুৰুষাৰ্থ আৰু নিৰ্বাচন পৰিচালনাৰ ক্ষেত্ৰত থকা তেওঁলোকৰ সুশৃংখল দক্ষতাও প্ৰশংসনীয়। তৃণমূল পৰ্যায়ৰ পৰা আৰম্ভ কৰি ৰাজ্যিক পৰ্যায়লৈকে এক সুসংগঠিত যন্ত্ৰৰ দৰে কাম কৰি দলটোৰ প্ৰতিটো ভোট কেন্দ্ৰত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। এই নিৰ্বাচনৰ ফলাফলে এইটোও প্ৰমাণ কৰিলে যে কেৱল নিৰ্বাচনৰ সময়ত প্ৰচাৰ চলালেই নহয়, বৰঞ্চ নিৰন্তৰভাৱে ৰাইজৰ সৈতে সম্পৰ্ক ৰক্ষা কৰা আৰু তেওঁলোকৰ সমস্যাসমূহ সমাধান কৰে অহৰহ প্ৰচেষ্টা চলোৱাটোৱেই হৈছে ৰাজনৈতিক সফলতাৰ প্ৰধান চাবিকাঠী। এক সুদৃঢ় অৰ্থনৈতিক প্ৰতিশ্ৰুতি আৰু আৰেগিক সুবন্ধাৰ নিশ্চিতি প্ৰদান কৰি শাসকীয় দলে যি এক সুবকিত দুৰ্গ নিৰ্মাণ কৰিলে, সেয়া ভেদ কৰিবলৈ বিৰোধী পক্ষৰ হাতত কোনো সঠিক অস্ত্ৰ নাছিল।

আনহাতে, প্ৰধান বিৰোধী দল কংগ্ৰেছ আৰু তেওঁলোকৰ মিত্ৰজোঁটৰ বাবে এই নিৰ্বাচনৰ ফলাফল এক চৰম বিপৰ্যয় আৰু গভীৰ আত্মসমালোচনাৰ কাৰণ হৈ পৰিছে। মাত্ৰ ১৯খন আসনত আবদ্ধ থাকি কংগ্ৰেছে যোৱা এক দশকৰ ভিতৰত তেওঁলোকৰ আটাইতকৈ বেয়া আৰু শোচনীয় প্ৰদৰ্শন দাঙি ধৰিলে। এই বৃহৎ পৰাজয়ৰ মূল কাৰণসমূহ ভিতৰত অন্যতম হৈছে বলিষ্ঠ আৰু সৰ্বগ্ৰহণযোগ্য নেতৃত্বৰ অভাৱ, দুৰ্বল সাংগঠনিক স্থিতি আৰু ৰাইজৰ মন জয় কৰিব পৰা কোনো শক্তিশালী বিকল্প কাৰ্যসূচীৰ সম্পূৰ্ণ অনুপস্থিতি। নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলে আন কেইবাটাও বিৰোধী দলৰ সৈতে একত্ৰিত হৈ যি 'অসম সম্মিলিত মৰ্চা' গঠন কৰিছিল, সেই মৰ্চাই জোটবদ্ধ মনোভাৱ দেখুৱাব পৰা কোনো আশাৰ সঞ্চাৰ কৰিব নোৱাৰিলে। বাজিক কংগ্ৰেছৰ সভাপতি গৌৰব গগৈয়ে যোৱাহাঁৰ দৰে গুৰুত্বপূৰ্ণ সমষ্টিত শাসকীয় দলৰ প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ হাতত তেইশ হাজাৰৰো অধিক ভোটৰ পৰাজিত হোৱাটো সমগ্ৰ দলটোৰ বাবে এক বৃহৎ মানসিক আঘাত। এই পৰাজয়ে আমাৰ কবিলে যে কেৱল ঐতিহ্য আৰু পৰিয়ালৰ ৰাজনৈতিক ইতিহাসৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ প্ৰতিযোগিতামূলক ৰাজনীতিত বৰ্তি থকাটো অসম্ভৱ। বিৰোধী দলসমূহে শাসকীয় দলৰ বিৰুদ্ধে যিবোৰ ইস্তু উত্থাপন কৰিছিল, যেনে সামগ্ৰীৰ মূল্যবৃদ্ধি, ক্ৰমবৰ্ধমান নিবনুৱা সমস্যা বা দুৰ্নীতিৰ অভিযোগ, সেইবোৰক তেওঁলোকে এক শক্তিশালী জনমতলৈ ৰূপান্তৰিত কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হ'ল। তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰ আছিল দিশহীন আৰু জনসাধাৰণৰ বাস্তৱ সমস্যাসমূহৰ সৈতে একেবাৰেই সংযোগহীন। তদুপৰি, বিৰোধী মিত্ৰজোঁটৰ ভিতৰত থকা অন্তৰ্কলহ, প্ৰাৰ্থিত্ব কেন্দ্ৰিক সংঘাত আৰু আসন বুজাবুজিক লৈ হোৱা খেলিমেলিবোৰেও তেওঁলোকৰ নিৰ্বাচনী সম্ভাৱনাক যথেষ্ট ক্ষতিগ্ৰস্ত কৰিলে। কংগ্ৰেছৰ ৰাজ্যিক প্ৰভাৱী ভৱন জিতেন্দ্ৰ সিঙে পৰাজয়ৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰাটোৱে দলটোৰ ভিতৰত থকা গভীৰ হতাশা আৰু ভবিষ্যতৰ দিশহীনতাক উদঙাই দিছে। এটা সময়ত একেবাহে পোন্ধৰ বছৰ ধৰি ৰাজ্যখন শাসন কৰা এটা বৃহৎ দলে এনে দুৰবস্থাই প্ৰমাণ কৰে যে ৰাইজৰ সৈতে সম্পৰ্ক ছিন্ন হ'লে বাজনৈতিক পতন অবধাৰিত। এই বিপৰ্যয়ৰ পৰা শিক্ষা লৈ বিৰোধী দলসমূহে যদি অতি শীঘ্ৰে তৃণমূল পৰ্যায়ৰ পৰা নিজৰ সাংগঠনিক ভেটি পুনৰ্নিৰ্মাণ নকৰে আৰু এক নতুন, গতিশীল তথা গ্ৰহণযোগ্য নেতৃত্ব জন্ম নিদিয়ে, তেন্তে ভবিষ্যতে ৰাজ্যৰ ৰাজনীতিত তেওঁলোকৰ অস্তিত্ব ৰক্ষা কৰাটো এক অতি কঠিন আৰু প্ৰায় অসম্ভৱ প্ৰত্যাহ্বান হৈ পৰিব।

এই নিৰ্বাচনৰ আন এক গুৰুত্বপূৰ্ণ আৰু মনকৰিবলগীয়া দিশ হৈছে অসমৰ ৰাজনীতিত আঞ্চলিক দলসমূহৰ ক্ৰমবৰ্ধমান অবনতি আৰু প্ৰাসংগিকতা হ্ৰাস। একালত অসম আন্দোলনৰ ফলত জন্মগ্ৰহণ কৰি ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক শক্তিশালী আৰু নিৰ্ণায়ক ভূমিকা পালন কৰা আঞ্চলিক দলসমূহে বৰ্তমান ৰাষ্ট্ৰীয় ৰাজনৈতিক দলসমূহৰ ছত্ৰছায়াত নিজৰ অস্তিত্ব বচাই ৰাখিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। শাসকীয় মিত্ৰজোঁটৰ আশীদাৰ অসম গণ পৰিষদ আৰু বড়োলেণ্ড পিপলছ ফ্ৰন্টে দহখনকৈ আসন লাভ কৰি ক্ষমতাৰ অংশীদাৰ হ'বলৈ সক্ষম হৈছে যদিও, তেওঁলোকৰ নিজা স্বাধীন ৰাজনৈতিক ভেটি আৰু স্বতন্ত্ৰ প্ৰভাৱ আগৰ তুলনাত যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। আনহাতে, বিৰোধী শিবিৰত থকা নবগঠিত আঞ্চলিক দলসমূহৰ অবস্থা অতিয়া শোচনীয়। অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ পৰাজয়ে আক দলটোৰ সাম্প্ৰতিক বিপৰ্যয়ে প্ৰমাণ কৰে যে কেৱল আৰেগিক জাতীয়তাবাদৰ আঞ্চলিক দলসমূহৰ প্ৰদৰ্শনে এক গভীৰ নিৰাশাৰ ছাঁ পেলাইছে। ইয়াৰ পৰা এইটো স্পষ্ট হৈ পৰে যে অসমৰ জনসাধাৰণে এতিয়া পুৰণি আৰেগিক ৰাজনীতিৰ পৰিবৰ্তে বাস্তবিক উন্নয়ন, জীবন-জীবিকাৰ নিৰাপত্তা আৰু স্থিৰতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। সামাজিক মাধ্যমৰ বহুল প্ৰসাৰ আৰু বিশ্বায়নৰ প্ৰভাৱত মানুহৰ চিন্তা-ধাৰাৰ বিষয়ে। বেমাৰ বেছি নহওঁতেই যদি সঠিক চিকিৎসা নহয় তেন্তে বেছি হ'লে তাক বচোৱা টান সেইদৰে এইসমূহ বিষয়তো যদি এতিয়াই ওঁহা-দাঁহা নোযায় তেন্তে ই এদিন গভীৰ চিন্তাৰ কাৰণ হ'ব।

এসময়ত দীপৰ বিলৰ দৰে জলাশয়সমূহে চৰইখনৰ অতিবিহঙ্গ পানী ঘৰ বাখিছিল। কিন্তু বৰ্তমান এই জলাশয়সমূহ বেঢ়খল হোৱাৰ ফলত পানী জমা হ'বলৈ ঠাই নোহোৱা হৈছে।

কৃত্ৰিম বানৰ ফলত গুৱাহাটীৰ অৰ্থনীতি আৰু সামাজিক জীৱনত ব্যাপক ক্ষতি হয় ঃ

১/ যাতায়ত ব্যৱস্থা বাহত হোৱাৰ বাবে বিদ্যালয়-মহাবিদ্যালয় আৰু কাৰ্যালয়লৈ যোৱাত বাধা আহে।

২/ ব্যবসায়িক প্ৰতিষ্ঠানসমূহ পানীৰ তলত সোমাই পৰাত লাখ লাখ টকাৰ সম্পত্তি নষ্ট হয়।

৩/ পানী জমা হোৱাৰ ফলত বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাব ঘটে।

৪/ ঘৰ-দুৱাৰত পানী সোমোৱাৰ ফলত ঘৰৰ সামগ্ৰী নষ্ট হয়।

কৃত্ৰিম বানৰ সমাধানৰ পথ ঃ

এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে চৰকাৰ আৰু জনসাধাৰণ দুয়োপক্ষই সক্ৰিয় হ'ব লাগিব-

১/ পাহাৰত জধে-মধে মাটি কটা আৰু গছ কটা বন্ধ কৰিব লাগিব।

২/ ঘৰৰ পৰা পানী ওলাই যাবলৈ "মাষ্টাৰ ড্ৰেইনেজ প্লেন" কাৰ্যকৰী কৰিব লাগিব আৰু নিয়মিতভাৱে নলাসমূহ চাফা কৰিব লাগিব।

৩/ প্ৰতিগাৰাকী নাগৰিক সচেতন হ'ব লাগিব আৰু নলাত আবৰ্জনা পেলোৱা বন্ধ কৰিব লাগিব।

৪/ দীপৰ বিলৰ দৰে প্ৰাকৃতিক জলাশয়সমূহ বেঢ়খলমুক্ত কৰি সেইবোৰৰ পানী ধাৰণ ক্ষমতা বৃদ্ধি কৰিব লাগিব।

গুৱাহাটী হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ মূল প্ৰৰেশদ্বাৰ। এই চহৰখনক কৃত্ৰিম বানৰ পৰা ৰক্ষা কৰিবলৈ হ'লে কেৱল আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰিলেই নহ'ব, প্ৰকৃতিৰ সৈতে সমিলমিল কৰি চলিবলৈ আমি শিকিব লাগিব। জনসাধাৰণৰ সহযোগিতা অবিহনে চৰকাৰৰ কোনো আঁচনিয়েই ফলপ্ৰসূ হ'ব নোৱাৰে।

চৰকাৰৰ মুখ মেলি চাই বহি থকাতকৈ আমিও সজাগ হ'ব লাগিব। সততে আমি কবিব পৰা কামবোৰ ড্ৰেইন আৰু ৰাস্তাত আবৰ্জনা নেপেলাই আবৰ্জনাবোৰ আমি দ' দাঁ দাত খাদি পুতি পাৰো। নহ'লে এইদৰে আবৰ্জনাবে ৰাস্তা আৰু ড্ৰেইন ভৰ্তি হৈ থাকিলে কৃত্ৰিম বান আৰু পৰিবেশ বিনষ্ট হ'ব।

নিৰ্বাচনী ফলাফলে কিহৰ ইংগিত দিলে ?

প্ৰধান বিৰোধী দল কংগ্ৰেছ আৰু তেওঁলোকৰ মিত্ৰজোঁটৰ বাবে এই নিৰ্বাচনৰ ফলাফল এক চৰম বিপৰ্যয় আৰু গভীৰ আত্মসমালোচনাৰ কাৰণ হৈ পৰিছে। মাত্ৰ ১৯খন আসনত আবদ্ধ থাকি কংগ্ৰেছে যোৱা এক দশকৰ ভিতৰত তেওঁলোকৰ আটাইতকৈ বেয়া আৰু শোচনীয় প্ৰদৰ্শন দাঙি ধৰিলে। এই বৃহৎ পৰাজয়ৰ মূল কাৰণসমূহৰ ভিতৰত অন্যতম হৈছে বলিষ্ঠ আৰু সৰ্বগ্ৰহণযোগ্য নেতৃত্বৰ অভাৱ, দুৰ্বল সাংগঠনিক স্থিতি আৰু ৰাইজৰ মন জয় কৰিব পৰা কোনো শক্তিশালী বিকল্প কাৰ্যসূচীৰ সম্পূৰ্ণ অনুপস্থিতি। নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলে আন কেইবাটাও বিৰোধী দলৰ সৈতে একত্ৰিত হৈ যি 'অসম সম্মিলিত মৰ্চা' গঠন কৰিছিল, সেই মৰ্চাই জোটবদ্ধ মনোভাৱ দেখুৱাব পৰা কোনো আশাৰ সঞ্চাৰ কৰিব নোৱাৰিলে।

গুৱাহাটীৰ কৃত্ৰিম বান

লভিতা চহৰীয়া

বহুতৰে দৃষ্টিগোচৰ হৈছে। আজি প্ৰায় তিনি বছৰ ধৰি গুৱাহাটীৰ বহু ঠাইত ৰাস্তাৰ কাষত জাৰৰ সহিতে পলিথিনৰ টোপোলাবে ঠাহ খাই থকা দেখি আহিছে। এইখিনতে মনলৈ আহে এই পলিথিনবোৰ কোনে আনি ৰাস্তাৰ কাষত পেলায়। ৰৌদৰে লাইনতো দেখিব জাৰৰৰ দম ৰাস্তাতো জাৰৰৰ দম।

এই জাৰৰৰ পলিথিনবোৰ মানুহৰ ঘৰৰ আবৰ্জনা নহয় জানো! কোনে আনি ৰাস্তাত দম লগাই এয়া খুবেই চিন্তনীয় যি সময়ত পৰিবেশ সচেতনতাৰ কথা কোৱা হয় পৰিষ্কাৰ পৰিচ্ছন্নতাৰ কথা কোৱা হয় তেনে সময়ত ঘটি আমাৰ পথৰ এই অবস্থা হয় তেনেহ'লে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ কথা কোৱাৰ কিবা জানো অৰ্থ থাকিব। প্ৰতিটো ক্ষেত্ৰতে আমি চকাবকৰ দোষ দিও কিন্তু ড্ৰেইনত জাৰৰৰ পলিথিনটো চেপোলাবে ঠাহ খাই থাকে আৰু সেই পলিথিনবোৰ কুকুৰ - গৰুৰে কামুৰি আচুৰি ফালি- চিৰি পেলাই ফলত ৰাস্তাৰ কাষত দুৰ্গন্ধময় এক পৰিবেশৰ সৃষ্টি হয়। বিশেষকৈ গুৱাহাটী চহৰত এনে এক পৰিবেশ হয়তো ৰাস্তাত জাৰৰৰ পলিথিন ঠাহ খাই থকাটো এটা খুব চিন্তনীয় বিষয় যি সমাধত এজাক বৰষুণে দিলেই গুৱাহাটী চহৰ কৃত্ৰিম বানপানীৰ কবলত পৰে। এইকেইদিন বৰষুণ দিওঁতেই গুৱাহাটীৰ কিছু কিছু ঠাইত কৃত্ৰিম বান দেখা দিছে। শনিবাৰে কৰ্মস্থলীলৈ গৈ থাকোঁত

বাঁহজানীৰ দক্ষিণ জানিগোগ প্ৰাথমিক বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

ছাত্ৰীক নিৰ্যাতন চলোৱা প্ৰধান শিক্ষকক উত্তম মাধ্যম শোধাই আৰক্ষীক গটালে ৰাইজে

অসম বাৰ্তা, বাঁহজানী, ৯ মে' ঃ নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত দক্ষিণ জানিগোগ প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী পঞ্চম শ্ৰেণীৰ ছাত্ৰীক বিদ্যালয় খনৰ প্ৰধান শিক্ষক গৰাকীয়ে শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ তুলি আজি ৰাইজে বিদ্যালয়তে শিক্ষক গৰাকীক আৱদ্ধ কৰি উত্তম-মাধ্যম শোধাই এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰাপ্ত অভিযোগ অনুসৰি জানিগোগ গাঁৱৰ অতি দুখীয়া পৰিয়ালৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী গৰাকীক বিদ্যালয়খনৰ প্ৰধান শিক্ষক অজয় মজুমদাৰে যোৱা পৰহি বিদ্যালয় ছুটিৰ পিছত অফিচ কোঠাত শাৰীৰিক নিৰ্যাতন চলাই। ঘটনাৰ পিছত মনে মনে থকা ছাত্ৰী গৰাকীয়ে বিদ্যালয়লৈ আহিব নোখোজা সম্পৰ্কত পৰিয়ালৰ লোকক ঘটনাটো অৱগত কৰে। আজি ঘটনাৰ বিষয়ে পৰিয়ালৰ লোকে ওচৰ-চুবুৰীয়াৰ লোক সকলক জনোৱাৰ পিছতে উত্তেজিত ৰাইজে বিদ্যালয় ঘেৰাও কৰি শিক্ষক গৰাকীক উত্তম-মাধ্যম শোধাই শিক্ষক গৰাকীক বিদ্যালয়ৰে গৃহত বহু সময় আবদ্ধ কৰি থয়। পিছত স্থানীয় ৰাইজৰ খৱৰৰ ভিত্তিত নলবাৰী সদৰ থানাৰ এটি আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিবেশ শান্ত কৰাৰ চেষ্টা চলাই, যদিও আৰক্ষীৰ সন্মুখতে লম্পট শিক্ষক গৰাকীক উত্তেজিত ৰাইজে পুনৰ মাৰধৰ কৰাত পৰিস্থিতি উত্তপ্ত হৈ পৰাত আৰক্ষীয়ে শিক্ষক গৰাকীক অফিচ কোঠাত দৰ্জা মাৰি সোমাই থোৱাত হে মাৰধৰৰ পৰা ৰক্ষা পৰে। পিছত আৰক্ষীয়ে ঘটনাৰ বুজলৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি লম্পত শিক্ষক গৰাকীক থানালৈ লৈ যায়। উল্লেখ্য যে, মৰোৱা নিবাসী এই গৰাকী শিক্ষকে এবছৰ পূৰ্বে বদলি হৈ দক্ষিণ জানিগোগ প্ৰথমিক বিদ্যালয়ত প্ৰধান শিক্ষক পদত যোগদান কৰিছিল। একাংশ স্থানীয় ৰাইজে অভিযোগ কৰা মতে প্ৰধান শিক্ষক অজয় মজুমদাৰে বিদ্যালয়ত ভালদৰে ক্লাছ নকৰি অনবৰতে মবাইল ফোনতে ব্যস্ত থাকে। ৬৭ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী থকা বিদ্যালয়খনত এই গৰাকী প্ৰধান শিক্ষকে যোগদান কৰাৰ পিছৰে পৰা বিদ্যালয়খনৰ ভিতৰচৰাত যথেষ্ট খেলিমেলিৰ লগতে শৈক্ষিক দিশো অৱনমিত হোৱাৰ অভিযোগ উঠিছে। শিক্ষকৰ দৰে পৱিত্ৰ বৃত্তিত নিয়োজিত হৈ ছাত্ৰীৰ সৈতে কু-কৰ্মত লিপ্ত হোৱাৰ অভিযোগ উঠা লম্পত স্বভাৱৰ শিক্ষক গৰাকীৰ বিৰুদ্ধে উচিত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে জিলা প্ৰশাসনক।

পুষ্পলতা বৰাৰ মৃত্যুত নাগৰিক সমাজৰ শোক

অসম বাৰ্তা, লীলাবাৰী, ৯ মে' ঃ লখিমপুৰ জিলাৰ চাবতি চৌখাম গাঁৱৰ সৰবৰহী, ধৰ্মপ্ৰাণ মহিলা, সুহৃদ পুষ্পলতা বৰাৰ ৮ মে' পুৱা ১১.৩০ বজাত ৭৮ বছৰ বয়সত বাধক্যজনিত কাৰণত লখিমপুৰ মেডিকেল কলেজত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত বৰাই দুই পুত্ৰ, বোৱাৰী, ৫ কন্যা, ৩ জোৱাই, ১২ নাতি, নাতিনী, ইষ্ট-কুতুম্ব সহবহু গুনমুগ্ধ এৰি থৈ যায়। ধৰ্মপ্ৰাণ মহিলা, সৰবৰহী পুষ্পলতা বৰাৰ দেহাৱসানত গভীৰ শোক প্ৰকাশ কৰিছে সামাজিক সংগঠন সদৌ লখিমপুৰ জিলা নাগৰিক সমাজে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক শোক বাৰ্তাৰ জৰিয়তে সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সভাপতি শশীধৰ দেউৰী, কাৰ্যকৰী সভাপতিত্ৰয় গোলাপী বৰা, আব্দুল মালেক, নিপু গোস্বামী আৰু সাধাৰণ সম্পাদক বিশিষ্ট যুৱ সাহিত্যক, কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে সৰবৰহী, সহজ-সৰল ধৰ্মপ্ৰাণ মহিলা পুষ্পলতা বৰাৰ জীৱনাৱসানত সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰি মৃতকৰ বিদেহী আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। অন্যহাতে আন এক বিবৃতিযোগে সদৌ লখিমপুৰ জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি বিকাশ দত্ত, উপ-সভাপতি হেমন্ত কোচ, মিণ্টু বৰা, সাধাৰণ সম্পাদক নিতুল শইকীয়া, উপদেষ্টা কুমুদ শইকীয়া, উত্তৰ লখিমপুৰ নগৰ আঞ্চলিক কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি সিদ্ধাৰ্থ শংকৰ শইকীয়া, কাৰ্যকৰী সভাপতি দেৱজিৎ দত্ত, সাধাৰণ সম্পাদক মানস প্ৰতিম দত্ত আৰু উপদেষ্টা বিপুল দত্তই প্ৰয়াত বৰাৰ দেহাৱসানত শোক ব্যক্ত কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছে।

■ অভিনেতা অৰুণ হাজৰিকাক বিশেষ সম্বৰ্ধনা ■

ডিব্ৰুগড়ত চিত্ৰাভিনেত্ৰী চেতনা দাসক জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চৰ বসন্ত বঁটা প্ৰদান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ মে' ঃ বিশিষ্ট চিত্ৰাভিনেত্ৰী চেতনা দাসক জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চ, ডিব্ৰুগড়ে 'বসন্তবঁটা-২০২৬'প্ৰদান কৰে। দুদিনীয়া বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে চৌকিডিঙ্গী খেলপথাৰত জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চ, ডিব্ৰুগড়ৰ উদ্যোগত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অভিনেত্ৰী চেতনা দাসক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চ, ডিব্ৰুগড়ৰ সভাপতি ৰাণাৰঞ্জন গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা অনুষ্ঠানত 'বসন্ত বঁটা-২০২৬' গ্ৰহণ কৰি বিশিষ্ট অভিনেত্ৰীগৰাকীয়ে কয় যে, জনগোষ্ঠীয় নামটোৱে মোক আকৃষ্ট কৰিছে। জাতিটো একগোট হৈ জীয়াই থাকিব লাগিব। আমাৰ মাজত ঐক্য বৃদ্ধি পাইছে। আমাৰ ঐক্য সদায় আছে আৰু সদায় থাকিব। সেই অনুপ্ৰেৰণাতে মই আজি জীয়াই আছো। নিজৰ ভাষণ প্ৰসংগত বিশিষ্ট অভিনেত্ৰী গৰাকীয়ে সাংস্কৃতি ক্ষেত্ৰখনত খোজ পেলোৱা স্মৃতি সোঁৱৰণ কৰে। এই অনুষ্ঠানতে সাংবাদিক জ্যোতিষ কুমাৰ পাতিৰৰ সম্পাদিত স্মৃতিগ্ৰন্থ 'ঐক্য' উন্মোচন কৰে বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই। জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চ, ডিব্ৰুগড়ৰ সম্পাদক বিতুপন দুৱৰাই আঁত ধৰা অনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাস, গৌৰিশংকৰ দাস, কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰাঞ্জল দত্ত, বেংগলী যুৱ-ছাত্ৰ ফেডাৰেশ্যনৰ সাধাৰণ সম্পাদক তাপস দাসকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। নিশা সাংস্কৃতিক সন্ধিয়াৰ গীত পৰিৱেশন কৰে জনপ্ৰিয় কণ্ঠশিল্পী গীতাঞ্জলি দাসে। পুৱাৰ ভাগত ডিব্ৰুগড় নগৰৰ মাজেৰে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই শুভ উদ্বোধন কৰা শোভাযাত্ৰাত অভিনেত্ৰী ভ্ৰান্তি মেধিকে ধৰি বিভিন্ন জাতি জনগোষ্ঠীয় সাংস্কৃতিক দলে অংশগ্ৰহণ কৰি নিজৰ নিজৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰে।

কৃতিমান শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন অনুষ্ঠান

প্ৰেচিডেন্সী চিনিয়ৰ চেকাণ্ডাৰী স্কুল, টংলাৰ সৌজন্যত ব'হাগী আৰু ৰংজালী বৈশাগু উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৯ মে' ঃ ওদালগুৰি জিলাৰ অন্যতম প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান প্ৰেচিডেন্সী চিনিয়ৰ চেকাণ্ডাৰী স্কুল, টংলাৰ সৌজন্যত অহা ১৫ মে'(৩১ বহাগ) তাৰিখে প্ৰেচিডেন্সী চিনিয়ৰ চেকাণ্ডাৰী স্কুলৰ বাকৰিত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক আৰু অভিভাৱকসকলক লৈ এদিনীয়াকৈ ব'হাগী আৰু ৰংজালী বৈশাগু উৎসৱ উদ্‌যাপনৰ লগতে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ কৃতিমান শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হ'ব। এই উপলক্ষে উক্ত দিনা পুৱা ৭ বজাত সমূহীয়া চাফাই আৰু তাৰ পিছতে বিহুৰ পতাকা উত্তোলন কৰিব প্ৰেচিডেন্সী চিনিয়ৰ চেকাণ্ডাৰী স্কুলৰ উপাধক্ষ প্ৰকাশ কুমাৰ শৰ্মাই। তাৰ পিছতে গছ পুলি ৰোপণ, শ্ৰদ্ধাঞ্জলি জ্ঞাপন লগতে বিহুতলী উদ্বোধন। উদ্বোধন কৰিব টংলা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ঘটেশ্বৰ বৰুৱাই। দিনৰ ১১ বজাত অভিনন্দন জ্ঞাপন অনুষ্ঠান। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ আসন শুৱনি কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চিন্তুমণি চক্ৰৱৰ্তীয়ে আৰু আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, বি টি চিৰ পাৰিষদ অৰ্জুন দৈমাৰীৰ লগতে অন্যান্য বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে। আবেলি ২ বজাৰ পৰা আমন্ত্ৰিত শিল্পী গিৰিশ গৌতমৰ গীতৰ শৰাইৰে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি জানিব দিয়ে প্ৰেচিডেন্সী চিনিয়ৰ চেকাণ্ডাৰী স্কুলৰ অধ্যক্ষ মোহন শৰ্মাই।

আকাশবাণী ডিব্ৰুগড়ৰ নব্বৈ বৰ্ষপূৰ্তি উপলক্ষে ৱাকথন; দুই শতাধিকৰ অংশগ্ৰহণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ মে' ঃ আকাশবাণী ডিব্ৰুগড়ৰ অনুষ্ঠান সম্প্ৰচাৰৰ নব্বৈ বছৰ পূৰ্তি উপলক্ষে সমগ্ৰ দেশৰ লগতে আয়োজন কৰা 'ৱাকথন' কাৰ্যসূচীৰ অংশ স্বৰূপে ডিব্ৰুগড় কেন্দ্ৰৰ উদ্যোগত ডিব্ৰুগড় নিৰ্মলীগাঁও ছোৱালী হাইস্কুল খেলপথাৰৰ পৰা মলুখুবছাত থকা আকাশবাণী ডিব্ৰুগড়ৰ চৌহদলৈকে চাৰে তিনি কিলোমিটাৰ জোৰা এক ৱাকথন কাৰ্যসূচী সম্পন্ন কৰা হয়। ৱাকথনৰ ফ্লেগ অফ কৰে ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই। আকাশবাণীৰ বিষয়া-কৰ্মচাৰী, শিল্পী, নৈমিত্তক ঘোষক-ঘোষিকা, স্থানীয় নাগৰিক, ছাত্ৰ-ছাত্ৰীকে ধৰি দুই শতাধিক লোকে অংশ গ্ৰহণ কৰা ৱাকথন কাৰ্যসূচীত উপস্থিত থাকি ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, আকাশবাণী ডিব্ৰুগড়ৰ প্ৰসাৰণ কাৰ্যবাহী পৰশা কোঁৱৰে ৱাকথনৰ প্ৰাকমুহূৰ্তত অংশগ্ৰহণকাৰীক উদ্দেশি বক্তব্য আগবঢ়ায়। ৱাকথন সম্পূৰ্ণ কৰা প্ৰথম তিনিগৰাকী পুৰুষ আৰু তিনিগৰাকী মহিলা অংশগ্ৰহণকাৰীক মেডেল আৰু প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। তদুপৰি যিসকলে অংশ গ্ৰহণ কৰিছে তেওঁলোককো আকাশবাণীৰ তৰফৰ পৰা অংশ গ্ৰহণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। বিগত নব্বৈ বছৰত অসমীয়া সংস্কৃতি, সংগীত আৰু জনসজাগতাৰ ক্ষেত্ৰত আকাশবাণীয়ে আগবঢ়োৱা অৱদানৰ প্ৰেক্ষাপটত এই ৱাকথনে এক বিশেষ মাত্ৰা বহন কৰিছে বুলিব পাৰি। এই ৱাকথনৰ মূলমন্ত্ৰ হৈছে—'ৱাক ফৰ দা ভয়চ অৱ ইণ্ডিয়া— চেলিব্ৰেটিং নাইণ্টি য়েৰ্ছ অৱ কানেকটিং হাৰ্টছ এণ্ড হ'মছ'।

ছাত্ৰ-ছাত্ৰীৰ পৰা জুম্মাৰ নামাজীকো নিজ হাতেৰে ৰসগোল্লা খুৱাই দোৱা-আৰ্শীবাদ লৈছে ন-বিধায়কে

মৈৰাবাৰীত পৰিবৰ্তনৰ আনন্দত ৰসগোল্লাৰ বৰষুণ

অসম বাৰ্তা, ভুৰাগাঁও/ মৈৰাবাৰী, ৯ মে' ঃ নগাঁও জিলাৰ ধিং সমষ্টিবাসীৰ বাবে মৈৰাবাৰী হৈ পৰিছে দিছপুৰ সদৃশ। নিৰ্বাচনৰ ফলাফল ঘোষনাৰ পাছৰ পৰা নৱনিৰ্বাচিত বিধায়ক মেহবুব মুক্তাৰৰ মৈৰাবাৰী স্থিত বাসগৃহত শুভাকাংক্ষীয়ে বিৰ দি বাট নেপোৱা অৱস্থা হৈছে। পুৱাৰ পৰা সন্ধ্যালৈকে বিধায়ক গৰাকীৰ ঘৰত সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ শুভাকাংক্ষীৰ বিপুল ভিৰ পৰিলক্ষিত হৈছে। মেহবুব মুক্তাৰে জনোৱা মতে আগন্তুক দিনতো তেওঁক সমষ্টিবাসীয়ে তেনেদৰে সমষ্টিতে লগ পাব। বৰ্তমান ঘৰত অতিথি সকলক আপ্যায়ন কৰা সমান্তৰালকৈ বিধায়ক মেহবুব মুক্তাৰে বিভিন্ন স্কুল আদিতো জিৰণিৰ সময়ত উপস্থিত হৈ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো ৰসগোল্লা বিতৰণ কৰি দোৱা-আৰ্শীবাদ লৈছে প্ৰতি দিনে। নিৰ্বাচনৰ ফলাফল ঘোষনাৰ পাছত আজি প্ৰথমটো জুম্মাৰ নামাজত অংশগ্ৰহণ কৰি মেহবুব মুক্তাৰে দুই সহস্ৰাধিক জুম্মাৰ নামাজীক নিজ হাতেৰে ৰসগোল্লা খুৱাই দোৱা-আৰ্শীবাদ লয়। ইয়াৰ সমান্তৰালকৈ আজিৰ এই পবিত্ৰ দিন টোত বহু পথচাৰী সাধাৰণ লোককো নিজহাতেৰে ৰসগোল্লা খুৱাই আৰ্শীবাদ লয়। উল্লেখ্য যে ২০০৩ চনৰে পৰা সাংবাদিকতা কৰা মেহবুব মুক্তাৰে ২০২১ চনত সাংবাদিকতা ত্যাগ কৰি ৰাইজৰ দলত যোগদান কৰিছিল। যোৱা পাঁচ বছৰে সমষ্টি টোত সাংগঠনিক কামত ব্যস্ত থাকি এইবাৰ বিৰোধী মিত্ৰ জোঁটৰ হৈ ৰাইজৰ দলৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল। এ আই ইউ ডি এফৰ প্ৰাৰ্থী মতিউৰ ৰহমানক প্ৰায় ৭২ হাজাৰ ভোটত পৰাজিত কৰি মেহবুব মুক্তাৰ নিৰ্বাচিত হয়। যোৱা ২০ বছৰ ধৰি এ আই ইউ ডি এফৰ দখলত থকা সমষ্টিটোত এ আই ইউ ডি এফৰ ৰবি মাৰ নিয়ালে মেহবুব মুক্তাৰ জনমতে। সমগ্ৰ অসমৰ ৰাজনীতিৰ পট পৰিবৰ্তন ন'হল যদিও ধিং সমষ্টিত বলা পৰিবৰ্তনৰ সুনামীত তচ-নচ হ'ল এ আই ইউ ডি এফৰ দুৰ্গ। আগন্তুক দিনত মেহবুব মুক্তাৰে এনেদৰে সাধাৰণ লোক সকলৰ সৈতে সম্পৰ্ক অক্ষুণ্ণ ৰাখিব পাৰেনে নোৱাৰে সেয়া লক্ষণীয় হ'ব।

জিলা প্ৰশাসন আৰু জনপ্ৰতিনিধিক ডিমাকুছিত অগ্নি নিৰ্বাপক বাহিনীৰ কেন্দ্ৰ দিবলৈ দাবী স্থানীয় ৰাইজৰ

ডিমাকুছিৰ আটাৰীখাটত ভয়ংকৰ অগ্নিকাণ্ড; প্ৰায় কোটি টকাৰ সা-সম্পত্তি ভস্মীভূত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টৰ, টংলা, ৯ মে' ঃ ওদালগুৰি জিলাৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত আটাৰীখাটত বৃহস্পতিবাৰে নিশা সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। এই ভয়ংকৰ অগ্নিকাণ্ডত একেলগে জাহ গ'ল বহু কেইখন দোকানৰ সা-সম্পত্তি। অগ্নিকাণ্ডত প্ৰায় কৌটি টকাৰ সা-সম্পত্তি ভস্মীভূত হোৱাৰ লগতে কথমপি প্ৰাণ ৰক্ষা পৰে কেইবাজনো লোকৰ। বাতৰি যুগুতোৱা মুহূৰ্তলৈকে অগ্নিকাণ্ডৰ সঠিক সূত্ৰপাত জানিব পৰা হোৱা নাই যদিও শ্বট চাৰ্কিডৰ পৰা অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ সন্দেহ। বৃহস্পতিবাৰে নিশা প্ৰায় ৯ মান বজাত আটাৰীখাট বজাৰৰ প্ৰায় ৭/৮খন দোকানত হঠাৎ উৎপত্তি অগ্নিকাণ্ড। এই অগ্নিকাণ্ডত এফালৰ পৰা একাধিক দোকান জাহ যোৱাত ৰাইজৰ মাজত সৃষ্টি হয় তীব্ৰ আতংকৰ। চকুৰ সন্মুখত নিমিষতে সকলো ছাই হৈ পৰিল কেইবাজনো ব্যৱসায়ী লোকৰ দোকান। স্থানীয় লোক আৰু আৰক্ষীয়ে জুই নুমুৱাবলৈ চেষ্টা কৰে, যদিও প্ৰায় ১/২ ঘণ্টা ধৰি বিয়পি পৰে। ভয়ংকৰ অগ্নিকাণ্ডত আটাৰীখাটৰ মোহন মণ্ডলৰ মোবাইল দোকান আৰু জোতা-চেণ্ডেলৰ দোকান, বিনয় ভৌমিকৰ গুদাম ঘৰ, হিমাংশু ঘোষৰ ইলেক্ট্ৰনিক দোকান, সূৰ্য মোহন সৰকাৰৰ হাৰ্ডৱেৰ দোকান আৰু মোবাইল দোকান, দিলীপ দাসৰ টেইলৰ দোকানকে ধৰি প্ৰায় ৭/৮খন দোকান একেলগে ভস্মীভূত হয়। লগে-লগে ডিমাকুছি আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ জনোৱা হৈছিল যদিও এঘণ্টা ধৰি জুই জ্বলি থকাৰ পাছতো অগ্নিনিৰ্বাপক বাহিনী উপস্থিত নোহোৱাৰ অভিযোগ স্থানীয় লোকৰ। প্ৰায় ৪০/৫০ কিঃমিঃ দূৰৰ খৈৰাবাৰীৰ পৰা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী সময়মতে আহি নোপোৱাৰ বাবে বহুকেইখন দোকান জ্বলি শেষ হয়। বিগত বছৰ-বছৰ ধৰি বাৰে-বাৰে বিভাগীয় কৰ্তৃপক্ষক আৱেদন কৰি, জনপ্ৰতিনিধিক জনোৱাৰ পিছতো বৃহত্তৰ ডিমাকুছি অঞ্চলত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী নিদিয়াৰ অভিযোগ স্থানীয় ৰাইজৰ। বৃহত্তৰ অঞ্চলটোৰ যি কোনো ঠাইত সঘনাই অগ্নিকাণ্ড সংঘটিত হৈ থাকে যদিও আজিলৈকে গুৰুত্ব নিদিলে বিভাগীয় কৰ্তৃপক্ষ, জিলা প্ৰশাসন আৰু জনপ্ৰতিনিধিয়ে। সেয়েহে অতি শীঘ্ৰে ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত এখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী দিবলৈ আহ্বান জনোৱাৰ লগতে জুইত ভস্মীভূত হোৱা দোকানকেইখনৰ গৰাকীক ক্ষতিপূৰণ দিবলৈ আহ্বান স্থানীয় ৰাইজ আৰু আদিবাসী ছাত্ৰ সন্থাৰ ছাত্ৰ নেতাৰ।

■ হেৰাই যোৱা গাঁৱৰ আত্মা সংৰক্ষণৰ প্ৰয়াস ■

যুৱ গৱেষকৰ অসমজুৰি পদযাত্ৰা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৯ মে' ঃ নগৰীকৰণৰ দ্ৰুত গতিয়ে যেতিয়া অসমীয়া গাঁওসমূহৰ পৰিৱেশ আৰু জীৱনশৈলী সলনি কৰি পেলাইছে, তেনে সময়তে ছিপাঝাৰৰ এজন যুৱ গৱেষকে আধুনিকতাৰ ঢৌত বিলীন হোৱাৰ পূৰ্বে গ্ৰাম্য জীৱনৰ ম্লান হৈ অহা সত্তাক নথিভুক্ত কৰাৰ উদ্দেশ্যেৰে সমগ্ৰ অসমজুৰি এক ব্যতিক্ৰমী পদযাত্ৰা আৰম্ভ কৰিছে। ২২ বছৰীয়া কমল জ্যোতি ডেকাক বৃহস্পতিবাৰে তিনিচুকীয়া জিলাৰ শদিয়া অভিমুখে যাত্ৰা কৰি থাকোঁতে ৰূপাই চাইডিঙৰ ওচৰত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খোজ কাঢ়ি গৈ থকা অৱস্থাত এই সংবাদদাতাই দেখা পায়। তেওঁৰ লগত আছিল কেৱল এটা বেগ, কেইখনমান টোকাবহী আৰু এক অদম্য সংকল্প। ১৪ এপ্ৰিলত নগাঁৱৰ পৰা যাত্ৰা আৰম্ভ কৰা ডেকাই কয় যে, "অনিয়ন্ত্ৰিত নগৰীকৰণৰ"ৰ মাজত অসমীয়া গাঁওসমূহৰ পৰিৱৰ্তিত বাস্তৱতাৰ ওপৰত তৃণমূল পৰ্যায়ৰ এক অধ্যয়ন চলোৱাই তেওঁৰ এই অভিযানৰ মূল উদ্দেশ্য। যাত্ৰাপথত এই সংবাদদাতাৰ সৈতে হোৱা কথোপকথনত যুৱ গৱেষকজনে কয় যে, নগৰৰ বিস্তাৰ, পেচা-পৰিবৰ্তন আৰু ডিজিটেল জীৱনশৈলীৰ ওপৰত বৃদ্ধি পোৱা নিৰ্ভৰশীলতাই অসমীয়া গ্ৰাম্য জীৱনৰ পৰম্পৰাগত ছন্দ ধীৰে ধীৰে ক্ষয়িষ্ণু কৰি তুলিছে। "গাঁও এতিয়া আগৰ দৰে নাই। কংক্ৰিটৰ অট্টালিকা আৰু আধুনিক অভ্যাসে সমাজ জীৱনৰ গাঁথনি দ্ৰুতগতিত সলনি কৰি আছে। মানুহে এই পৰিবৰ্তনৰ সৈতে কেনেদৰে খাপ খুৱাইছে আৰু গাঁও-সংস্কৃতিৰ আত্মা যদি হেৰাই যায় তেন্তে আমি কি হেৰুৱাম — সেয়া বুজিবলৈ মই এই যাত্ৰা আৰম্ভ কৰিছোঁ" বুলি তেওঁ কয়। ইতিমধ্যে ডেকাই বৰাক উপত্যকা অতিক্ৰম কৰি প্ৰায় দহখন জিলাত ভ্ৰমণ সম্পূৰ্ণ কৰিছে। অসমৰ ৩৫খন জিলাৰ প্ৰতিখনতে গৈ গাঁওবাসীৰ সৈতে মতবিনিময় কৰা, স্থানীয় পৰম্পৰা, জীৱিকা, খাদ্যাভ্যাস আৰু পৰিৱেশগত পৰিৱৰ্তনসমূহ নথিভুক্ত কৰাই তেওঁৰ পৰৱৰ্তী লক্ষ্য। অৱশ্যে এই যাত্ৰা সহজ নাছিল। নামনি অসমৰ কেইবাটাও অঞ্চল অতিক্ৰম কৰাৰ সময়ত তেওঁ শাৰীৰিক ক্লান্তি আৰু বেয়া বতৰৰ সন্মুখীন হোৱা বুলি উল্লেখ কৰে। তথাপি তেওঁ নিজৰ লক্ষ্যৰ পৰা আঁতৰি অহা নাই। "উন্নয়ন প্ৰয়োজনীয়, কিন্তু আমাৰ গাঁওসমূহৰ আত্মা চিৰদিনৰ বাবে হেৰাই যোৱাৰ আগতে সেই সত্তাক সংৰক্ষণ কৰাটোও সমানেই জৰুৰী" বুলি ডেকাই মন্তব্য কৰে। যুৱকজনৰ এই ব্যতিক্ৰমী অভিযানক উজনি অসমৰ বহু লোকে প্ৰশংসা কৰিছে। দ্ৰুত সাংস্কৃতিক আৰু পৰিৱেশগত পৰিৱৰ্তনৰ সময়ত তেওঁৰ এই প্ৰচেষ্টাক বহুতে সময়োপযোগী আৰু সামাজিকভাৱে তাৎপৰ্যপূৰ্ণ বুলি অভিহিত কৰিছে।

জয়পুৰত ড্ৰাগছ সহ ধৃত সৰবৰাহকাৰী ৰাহুল আলী

ৰাইজে ধৰি গতাই দিলে আৰক্ষীক

অসম বাৰ্তা, নাহৰকটীয়া, ৯ মে' ঃ দীৰ্ঘদিন ধৰি ড্ৰাগছৰ নিষিদ্ধ ব্যৱসায়ৰে যুৱ-প্ৰজন্মক অন্ধকাৰ ভৱিষ্যতৰ দিশে ঠেলি দিয়াৰ লগতে জয়পুৰ অঞ্চলৰ সমাজিক বাতাবৰণ কুলষিত কৰি অহা তাঁতী পথাৰৰ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী ৰাহুল আলি কালি পুনৰবাৰ ড্ৰাগছসহ কৰায়ত্ত হয়। উল্লেখ্য যে বৃহস্পতিবাৰে সন্ধ্যা কুখ্যাত ড্ৰাগছ ব্যৱসায়ীটোৱে জয়পুৰ ফৰেষ্ট আই বিৰ সমীপলৈ ড্ৰাগছ বিক্ৰী কৰলৈ বুলি এ এছ ০৪ এক্স ৩১৭৬ নম্বৰৰ স্কুটী বাহনখনেৰে উলাই আহোঁতে শেহতীয়াকৈ ড্ৰাগছৰ বিৰুদ্ধে সৰৱ হৈ থকা মুছলমান সম্প্ৰদায়ৰ ৰাইজে ড্ৰাগছসহ হাতে-লোটে ধৰা পেলোৱাৰ লগতে ৰাইজে আবদ্ধ কৰি আৰক্ষীক মাতি চমজাই দিয়ে ড্ৰাগছ সৰবৰাহকাৰীটোক। জয়পুৰ আৰক্ষীয়ে খবৰ পোৱা মাত্ৰকে ঘটনাস্থালীত উপস্থিত হৈ ধৃত সৰবৰাহকাৰীটোক চমজি লোৱাৰ লগতে আৰক্ষীয়ে ৭.০৭ গ্ৰাম সন্দেহজনক ড্ৰাগছ, ড্ৰাগছ বিতৰণৰ বাবে ব্যৱহৃত ধপাতৰ টেমা লগতে আন চাৰিটা সৰু পাত্ৰ, নগদ দুহেজাৰ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ উপৰি দুটা মবাইল ফোন আৰু ড্ৰাগছ ব্যৱসায়ত ব্যৱহৃত স্কুটী জব্দ কৰে। ইতিমধ্যে জয়পুৰ আৰক্ষীয়ে এন ডি পি এছ এক্টৰ্ ২১(বি)/২৭ ধাৰাৰ অধীনত ১১/২৬ নম্বৰৰ গোচৰ ৰুজু কৰি ধৃত ৰাহুল আলিক সুধা পুচা অব্যাহত ৰখাৰ লগতে আজি অভিযুক্তক আদালতত হাজিৰ কৰোৱাই অধিক তদন্তৰ বাবে পুনৰ আৰক্ষীৰ জিম্মাত বিচাৰিব বুলি জয়পুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাজেন পাৰ ৰংমায়ে জানিবলৈ দিয়ে। মন কৰিবলগীয়া যে দিনকদিনে নিষিদ্ধ ড্ৰাগছৰ প্ৰয়োভৰ বৃদ্ধি পাবলৈ ধৰা জয়পুৰত শেহতীয়াকৈ স্থানীয় দুয়োখন মছজিদৰ পৰিচলনা কমিটিৰ নেতৃত্বত ৰাইজক সজাগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ড্ৰাগছ ব্যৱসায়ত জড়িত লোক আৰু সিহঁতৰ পৰিয়ালৰ লোকৰ মৃত্যু হ'লে ৰাজহুৱা কবৰস্থানত কবৰ নিদিয়াৰ দৰে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মছজিদ কমিটি দুখনৰ এনে প্ৰচেষ্টাৰ পৰিপ্ৰেক্ষিতত জয়পুৰৰ মুছলমান ৰাইজে এই মাৰাত্মক ব্যাধি সমাজৰ পৰা সম্পূৰ্ণভাৱে নিৰ্মূল কৰিবলৈ মাৰ বান্ধি থিয় দিয়া পৰিলক্ষিত হৈছে। সম্প্ৰতি জয়পুৰৰ মুছলমান ৰাইজৰ এনে সজাগতা অঞ্চলটোৰ বাবে শুভ লক্ষণ হিচাপে বিবেচিত হোৱাৰ লগতে সচেতন মহলটো বিষয়টোৰে চৰ্চা লাভ কৰিছে।

প্ৰান্তিকা প্ৰিয়মলৈ ভাৰত চৰকাৰৰ সাংস্কৃতিক প্ৰতিভা সন্ধানী ৰাষ্ট্ৰীয় বৃত্তি

অসম বাৰ্তা, দেৰগাঁও, ৯ মে' ঃ তেলগৰম, নুমলীগড়ৰ নিবাসী অমৃত কুমাৰ শৰ্মা আৰু জোনটি দেৱীৰ একমাত্ৰ কন্যা প্ৰান্তিকা প্ৰিয়ম শৰ্মাই ২০২৫-২৬ বৰ্ষৰ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ সাংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ কেন্দ্ৰ-ৰ উদ্যোগত সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত লোকসংগীত শিতানৰ "সাংস্কৃতিক প্ৰতিভা সন্ধানী বৃত্তি (২০২৫-২৬ বৰ্ষ)" লাভ কৰি অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। প্ৰান্তিকাই বৰ্তমান গুৰু অজিত কুমাৰ বৰাৰ তত্ত্বাবধানত লোকসংগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। ইয়াৰ লগতে দেৰগাঁও শান্তি মিলন সাংস্কৃতিক গোষ্ঠীৰ লগত জড়িত প্ৰান্তিকাৰ এই সফলতাত অধ্যয়নৰত শিক্ষানুষ্ঠান, কল্পতৰু একাডেমী চিনিঅ'ৰ ছেকেণ্ডাৰী স্কুলৰ লগতে অঞ্চলটোৰ সাংস্কৃতিক ক্ষেত্ৰত এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰাৰ লগতে বিদ্যালয়, অভিভাৱক আৰু শুভাকাংক্ষীসকলৰ মাজত আনন্দৰ জোৱাৰ সৃষ্টি কৰিছে।

মৰিয়নিত বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ দ্বাৰা এম্বুলেঞ্চ উদ্বোধন

অসম বাৰ্তা, মৰিয়নি, ৯ মে' ঃ মৰিয়নি হিমন্ত বিশ্ব শৰ্মা ফেনছক্লাবৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে আজি মৰিয়নি ৰাজহুৱা প্ৰেক্ষাগৃহত এখন অত্যাধুনিক প্ৰযুক্তি সম্পন্ন এম্বুলেঞ্চ উদ্বোধন কৰা হয়। উক্ত এম্বুলেঞ্চখনৰ শুভ উদ্বোধন কৰে মৰিয়নি সমষ্টিৰ ষষ্ঠ বাৰৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়কগৰাকীয়ে কয় যে এই এম্বুলেঞ্চখনৰ জৰিয়তে মৰিয়নি সমষ্টিৰ বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ লোকসকল যথেষ্ট উপকৃত হ'ব। জৰুৰী চিকিৎসা সেৱা অধিক সুলভ আৰু দ্ৰুতভাৱে সাধাৰণ ৰাইজৰ কাষলৈ আগবঢ়াই নিয়াৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত স্থানীয় গণ্যমান্য ব্যক্তি, ক্লাবৰ বিষয়ববীয়া আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকে। এম্বুলেঞ্চখন উদ্বোধনৰ পাছতে অঞ্চলবাসীৰ মাজত আনন্দৰ পৰিৱেশ দেখা যায়।

ইতিহাস ৰচি শুভেন্দু অধিকাৰী হ’ল পশ্চিমবংগৰ

শুভেন্দুৰ ঠিক পাছতেই দ্বিতীয় স্থানত থাকে দিলীপ ঘোষ। খড়গপুৰ সদৰৰ বিধায়কগৰাকীৰ পিছতে শপত লয় অগ্নিমিত্ৰ পালে। আছানছল দক্ষিণৰ পৰা নিৰ্বাচিত হৈ অহা অগ্নিমিত্ৰই আজি কেবিনেট মন্ত্ৰীৰ শপত লয়। ইয়াৰ উপৰিও বনগাঁও উত্তৰৰ বিধায়ক অশোক কীৰ্তনীয়া, বাংকুৰাৰ ৰাণীবান্ধৰ জনজাতীয় মুখ বিধায়ক খুদিৰাম টুডু আৰু কোচবিহাৰ মাথাভংগাৰ নিশিথ প্ৰমাণিকে মন্ত্ৰীসভাত স্থান লাভ কৰে। মন্ত্ৰীসভাৰ গঠনত মতুৱা গড়ৰ পৰা ডাঙৰ প্ৰতিনিধিত্ব অহাৰ লগতে কোনো মন্ত্ৰীক নিৰ্দিষ্ট বিভাগ নিদিয়াকৈ থোৱা হয়। নবান্নত অনুষ্ঠিত হ’বলগীয়া প্ৰথম কেবিনেট বৈঠকৰ পিছত বিভাগ বিতৰণ স্পষ্ট হ’ব বুলি জানিবলৈ দিয়া হয়। শুভেন্দু অধিকাৰীৰ মুখ্যমন্ত্ৰী হিচাপে নাম ঘোষণা সম্পৰ্কে শুকুৰবাৰে বিজেপি বিধায়িনী দলৰ বৈঠকৰ অন্তত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্পষ্ট কৰি দিয়ে যে বিধায়িনী দলৰ নেতা নিৰ্বাচনত কেৱল এটাই নাম প্ৰস্তাৱিত হৈছে — শুভেন্দু অধিকাৰী। দ্বিতীয় কোনো নাম ওলোৱা নাই। ইয়াৰ আগতে প্ৰধানমন্ত্ৰী মোডী আৰু গৃহমন্ত্ৰী শ্বাহে নিৰ্বাচনী প্ৰচাৰত আশ্বাস দিছিল যে পশ্চিমবংগৰ এজন স্থানীয় লোক, যিয়ে বাংলা মাধ্যমত শিক্ষা গ্ৰহণ কৰিছে, তেওঁক মুখ্যমন্ত্ৰী নিযুক্তি দিয়া হ’ব। সেই প্ৰতিশ্ৰুতি অনুসৰি দিল্লীয়ে ক্ষমতা গতাই দিলে বংগৰ এজন ভূমিপুত্ৰৰ হাতত। শনিবাৰে ব্ৰিগেড পেৰেড খেলপথাৰত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠান আছিল এক বিৰাট ৰাজনৈতিক মিলনমেলা। অনুষ্ঠানত উপস্থিত আছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, ৰাম মোহন নাইডু, শিৱৰাজ সিং চৌহান, জয়ন্ত চৌধুৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰফুল্ল পেটেল, বিজেপি নেত্ৰী স্মৃতি ইৰানী, বংগৰ জনপ্ৰিয় নেতা মিথুন চক্ৰৱৰ্তী। ইয়াৰ উপৰি এনডিএ শাসিত ২১খন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলও এই অনুষ্ঠানত যোগদান কৰে। তেওঁলোকৰ ভিতৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নাগালেণ্ডৰ নেফিউ ৰিঅ’, ত্ৰিপুৰাৰ মাণিক সাহা, দিল্লীৰ ৰেখা গুপ্তা, মহাৰাষ্ট্ৰৰ দেৱেন্দ্ৰ ফাড়নৱীছ, গুজৰাটৰ ভূপেন্দ্ৰ পেটেল, উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ, হাৰিয়ানাৰ নায়ব সিং ছাইনী, বিহাৰৰ সম্ৰাট চৌধুৰী, অন্ধ্ৰ প্ৰদেশৰ চন্দ্ৰবাবু নাইডু, উত্তৰাখণ্ডৰ পুষ্কৰ সিং ধামী আদি প্ৰধান। দূৰ-দূৰণিৰ পৰা হাজাৰ হাজাৰ বিজেপি কৰ্মী-সমৰ্থকে বাছ, ৰেল তথা মেট্ৰ’যোগে কলকাতালৈ আহি অনুষ্ঠানস্থলী উপনীত হয়। তেওঁলোকে ‘জয় শ্ৰীৰাম’, ‘ভাৰত মাতা কি জয়’ ধ্বনিৰে ব্ৰিগেড পেৰেড গ্ৰাউণ্ড পূৰ কৰি তোলে। ধুতি-পাইজামা পিন্ধা এজন আদবয়সীয়া লোকেও কানাডাৰ পৰা এই ঐতিহাসিক দৃশ্য নিজ চকুৰে দেখা বুলি কয়। অনুষ্ঠানস্থলীত পুৱাৰ পৰাই উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। বিশখন ঝলমুৰিৰ দোকান, পৰম্পৰাগত বাংলা মিঠাইৰ ষ্টল, ৰবীন্দ্ৰ সংগীত, লোকনৃত্য আৰু ভক্তিমূলক গীতে শপতগ্ৰহণৰ পূৰ্বে পৰিৱেশক সজীৱ কৰি তোলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ৰেচকোৰ্চলৈ হেলিকপ্টাৰত অহাৰ পিছত গাড়ীযোগে শপতগ্ৰহণ স্থলীত উপস্থিত হয়। তেওঁ মঞ্চতে পশ্চিমবংগৰ জ্যেষ্ঠ বিজেপি নেতা তথা শ্যামা প্ৰসাদ মুখাৰ্জীৰ সহযোগী মাখনলাল সৰকাৰৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে। ১৯৫২ চনত কাশ্মীৰত শ্যামা প্ৰসাদ মুখাৰ্জীৰ সৈতে ভাৰতীয় ত্ৰিৰংগ উত্তোলনৰ আন্দোলনত গ্ৰেপ্তাৰ হোৱা মাখনলাল সৰকাৰৰ বৰ্তমান বয়স ৯৮ বছৰ। স্বাধীনতা-উত্তৰ ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ তৃণমূল পৰ্যায়ৰ এওঁ অন্যতম জীৱন্ত ব্যক্তিত্ব। উল্লেখযোগ্য যে শপতগ্ৰহণ অনুষ্ঠানৰ শেষ ভাগত প্ৰধানমন্ত্ৰী মোডী আৰু মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে একেলগে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছত মোডীয়ে অনুষ্ঠানত উপস্থিত অন্যান্য নেতাসকলৰ সৈতে সাক্ষাৎ কৰে। এই শপতগ্ৰহণে পশ্চিমবংগৰ ৰাজনৈতিক ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিলে বুলি ৰাজনৈতিক বিশে-ষকসকলেই মত প্ৰকাশ কৰিছে।

বিজেপি মিত্ৰজোঁটৰ হাতত

কংগ্ৰেছৰ বিপৰ্যয়ৰ মূল কাৰণসমূহ বিচাৰ-বিশ্লেষণ কৰা হয়। শাসকীয় দলে হিতাধিকাৰী আঁচনিৰ ৰাজনীতিকৰণ, ইভিএমত অনিয়ম, লগতে দলৰ সাংগঠনিক দুৰ্বলতা আদি বিষয়ক আলোচনাত গুৰুত্ব প্ৰদান কৰা হয়। প্ৰদেশ কংগ্ৰেছ কমিটিৰ (এপিচিচি) সভাপতি গৌৰৱ গগৈয়ে সভাত দলৰ বিফলতাৰ মূল্যায়ন কৰি ২০২৯ৰ লোকসভা নিৰ্বাচনৰ বাবে সকলোক সাজু হ’বলৈ আহ্বান জনায়। তেওঁ কয় যে অসমৰ ৰাইজৰ সমস্যাৰ কাষত থাকি চৰকাৰৰ ভুল নীতি আঙুলিয়াই দিয়াৰ দায়িত্ব এতিয়া যথেষ্ট বৃদ্ধি পাইছে। সাংগঠনিক বিষয় সূক্ষ্মভাৱে পৰ্যালোচনা কৰি শীঘ্ৰেই জনসংযোগৰ কাৰ্যসূচী গ্ৰহণ কৰা হ’ব। লগতে সোমবাৰৰ পৰা দলৰ শাখা আৰু ভাতৃ সংগঠনসমূহৰ সৈতে আলোচনা আৰম্ভ কৰা হ’ব বুলি উল্লেখ কৰে। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত গগৈয়ে কয়, “কংগ্ৰেছে নিৰ্বাচনৰ ফলাফল গুৰুত্বসহকাৰে লৈছে। ফলাফলৰ নৈতিক দায়িত্ব মই স্বীকাৰ কৰিছো। ৰাইজৰ পৰামৰ্শ লৈ সকলো সমস্যা সমাধানৰ পথ বিচাৰি আগুৱাই যাম।” আনহাতে সভাত উপস্থিত সাংসদ ৰকিবুল হুছেইনে অভিযোগ কৰে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছল-কৌশল আৰু প্ৰতাৰণাৰ জৰিয়তে কংগ্ৰেছ প্ৰাৰ্থীসকলক পৰাজিত কৰিছে। তথাপি অসমৰ ৰাইজে অতি সোনকালেই কংগ্ৰেছক পুনৰ শাসনৰ দায়িত্ব অৰ্পণ কৰিব বুলি তেওঁ আশ্বাস প্ৰকাশ কৰে। বৈঠকৰ অন্তত কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙে সাংবাদিকৰ লগত মত বিনিময় কৰি কয় যে তেওঁ প্ৰায় পাঁচ বছৰতকৈও অধিক সময় অসম কংগ্ৰেছৰ তত্ত্বাৱধায়ক হিচাপে দায়িত্বত আছিল। সেয়ে এতিয়া নতুন মুখৰ প্ৰয়োজন যাতে কথাবোৰ নতুন দৃষ্টিভংগীৰে চাব পাৰে। গৌৰৱ গগৈৰ বিষয়ে তেওঁ কয়, “গগৈয়ে সভাপতি হিচাপে দায়িত্ব লোৱাৰ পাছত নিৰ্বাচনৰ প্ৰস্তুতিৰ বাবে মাত্ৰ ১১ মাহ সময় হাতত আছিল। এনে কম সময়ৰ ভিতৰত তেওঁ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। অনাগত দিনত গগৈয়ে দুগুণ উৎসাহেৰে নতুন ধৰণে অসমত কংগ্ৰেছক আগুৱাই লৈ যাব।” উল্লেখযোগ্য যে বিধানসভা নিৰ্বাচনত দলটোৰ চৰম পৰাজয়ৰ পাছত এপিচিচিৰ সভাপতি পদটো গৌৰৱ গগৈৰ হাতৰ পৰা যাব নেকি — তাক লৈ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চা চলি আছে। যদিও গগৈয়ে নিজে নৈতিক দায়িত্ব স্বীকাৰ কৰিছে, জিতেন্দ্ৰ সিঙৰ ‘নতুন মুখৰ প্ৰয়োজন’ সম্পৰ্কীয় মন্তব্যে এই জল্পনা-কল্পনাক আৰু বেছি তীব্ৰ কৰি তুলিছে। কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই অহা দিনবোৰত এই বিষয়ে যি সিদ্ধান্ত লয়, তালৈ ৰাজ্যৰ ৰাজনীতি আশান্বিত হৈ আছে।

অত্যাধুনিক অগ্নি মিছাইলৰ

ডাঙৰ সফলতা। ওড়িশাৰ এপিজে আব্দুল কালাম দ্বীপত ৮ মে’ তাৰিখে অত্যাধুনিক অগ্নি মিছাইলৰ পৰীক্ষা সুকলমে সম্পন্ন কৰে ডিআৰডিঅ’ই। এই তথ্য সদৰি কৰিছে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে। ডিআৰডিঅ’য়ে ছ’চিয়েল মিডিয়া এ’ত উল্লেখ কৰে যে কেৱল অগ্নি মিছাইলেই নহয়, একেসময়তে একাধিক লক্ষ্য ধ্বংস কৰিব পৰা ‘এমআইআৰভি’ (MIRV) যন্ত্ৰৰও সফল পৰীক্ষা সম্পন্ন কৰা হৈছে। এই মিছাইলে বহু পৰিমাণৰ বিস্ফোৰক সামগ্ৰী কঢ়িয়াই নিব পাৰে আৰু একেটা মুহূৰ্ততে কেইবাটাও পৃথক লক্ষ্য ভেদ কৰিবলৈ সক্ষম। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে কয় যে এই মিছাইল জাহাজঘাট বা বিভিন্ন স্থানৰ পৰা ট্ৰেকিং কৰাটোও সম্ভৱ। এই সফল পৰীক্ষণক আদৰি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এ’যোগে ডিআৰডিঅ’ৰ বিজ্ঞানীসকলক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয়, “অত্যাধুনিক অগ্নি মিছাইলৰ সফল পৰীক্ষণে ভাৰতৰ সামৰিক শক্তি অধিক মজবুত কৰিলে। ভাৰতৰ বাবে প্ৰত্যাহ্বান হোৱা যিকোনো বাধা নিঃশেষ কৰিবলৈ আমি সক্ষম। দেশৰ প্ৰতি যিকোনো ভাবুকিৰ উচিত প্ৰত্যুত্তৰ দিবলৈ ভাৰত সদায় সাজু।” উল্লেখযোগ্য যে ভাৰত মহাসাগৰত চীনৰ কাৰ্যকলাপ বৃদ্ধি, আমেৰিকা-ইৰানৰ যুদ্ধ পৰিস্থিতি, লগতে পাকিস্তানৰ ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে সামৰিক ক্ষেত্ৰক অধিক সুদৃঢ় কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। এই পৰীক্ষণে ভাৰতৰ মাৰ্কাইল প্ৰযুক্তিত এক নতুন যুগৰ সূচনা কৰিলে বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে।

বিজেপিৰ বিৰুদ্ধে যুঁজিবলৈ

এখন যুটীয়া মঞ্চ গঠন কৰিবলৈ আহ্বান জনাই তেওঁ মত পোষণ কৰে যে কেৱল ঐক্যই হে বিজেপিৰ দৰে শক্তিশালী ৰাজনৈতিক শত্ৰুক ৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি তেওঁ যিবোৰ বামপন্থী দলৰ বিৰুদ্ধে ৰাজনৈতিক যুঁজ দি আহিছে, সেই একে দলবোৰকো মমতা বেনাৰ্জীয়ে এই নতুন যুঁজত অংশ ল’বলৈ মুকলি নিমন্ত্ৰণ জনাইছে। তেওঁৰ মতে, বৰ্তমান সময়ত বিজেপিয়েই হৈছে দেশৰ আৰু ৰাজ্যৰ প্ৰধান শত্ৰু। সেয়েহে ব্যক্তিগত মতপাৰ্থক্য পাহৰি সকলো বিৰোধী শক্তিয়ে আজিৰ প্ৰয়োজনীয়তাত একত্ৰিত হোৱা উচিত। মমতা বেনাৰ্জীয়ে নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছৰে পৰা ৰাজ্যখনত চলি থকা পৰিস্থিতিৰ তীব্ৰ নিন্দা কৰে। তেওঁ অভিযোগ কৰে যে এই মাত্ৰ কেইদিনমানৰ ভিতৰতে বংগৰ জনসাধাৰণ আৰু তৃণমূল কৰ্মীসকল ওপৰত নিৰ্যাতন আৰু আক্ৰমণ বৃদ্ধি পাইছে। তেওঁ দাবী কৰে যে বিজেপি চৰকাৰে শাসনভাৰ লৈয়েই পুলিচ আৰু নিৰাপত্তা ব্যৱস্থাত ডাঙৰ সালসলনি কৰিছে, যাৰ প্ৰত্যক্ষ ফলত তৃণমূলৰ কৰ্মীসকল অসুৰক্ষিত হৈ পৰিছে। তেওঁ কয়, “এয়া নীতিৰ যুঁজ, আৰু এই যুঁজ এতিয়াহে আৰম্ভ হৈছে।” তেওঁ স্পষ্ট কৰি দিয়ে যে যিসকলে এই যুদ্ধত একেলগে আহিব বিচাৰে, তেওঁলোকৰ বাবে পথ মুকলি। আনহাতে যিসকলে এৰি যাব বিচাৰে, তেওঁলোক যাব পাৰে। কিন্তু বিজেপিৰ বিৰুদ্ধে যুঁজ দিবলৈ ইচ্ছুক সকলোকে ঐক্যবদ্ধ হোৱাটো অতি প্ৰয়োজন। তেওঁ লগতে কয় যে দিল্লীৰ বহু নেতা বৰ্তমান তেওঁৰ সৈতে যোগাযোগ ৰাখিছে। সংখ্যাত কম হ’লেও তেওঁ আৰু তেওঁৰ অনুগামীসকলে এই যুঁজ চলাই নিব। তৃণমূল চৰকাৰৰ পতনৰ পাছত ৰাজ্যত সৃষ্টি হোৱা অশান্তি আৰু ৰাজনৈতিক হিংসাই ৰাজ্যৰ মানুহক কষ্ট দিছে বুলিও মমতা বেনাৰ্জীয়ে ভাষণত উল্লেখ কৰে। এই ঘোষণাই আগন্তুক দিনত পশ্চিমবংগৰ ৰাজনীতিত এক নতুন যুটি সৃষ্টিৰ সম্ভাৱনা উজ্জ্বল কৰি তুলিছে।

ৰাজস্থান ৰয়েলছক ৭৭ ৰানত পৰাজয় গুজৰাট টাইটানছৰ

জয় সাব্যস্ত কৰে। এই জয়ৰ লগে লগে পইণ্ট তালিকাত গুজৰাটে এক দীঘলীয়া জাঁপ মাৰি পঞ্চম স্থানৰ পৰা পোনপটীয়াকৈ দ্বিতীয় স্থান দখল কৰে। টছত হাৰি প্ৰথমে বেটিং কৰিবলৈ লাভ কৰা গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত মাত্ৰ ৪টা উইকেট হেৰুৱাই ২২৯ ৰাণৰ এক বিশাল লক্ষ্য থিয় কৰায়। আৰম্ভণিৰে পৰাই ৰাজস্থানী বলাৰসকলৰ ওপৰত ঝাপি পৰে অধিনায়ক শুভমন গীল আৰু চাই সুদৰ্শনে। চাই সুদৰ্শনে মাত্ৰ ৩০ বলত অৰ্ধশতক পূৰা কৰি ৫৫ ৰাণ সংগ্ৰহ কৰে। আনহাতে গীলে ৮৪ ৰাণৰ এক বিস্ফোৰক ইনিংছ খেলে। শেষৰ ফালে ৱাশ্বিংটন সুন্দৰে ৩৭ ৰাণৰ বৰঙনি যোগাই গুজৰাটক বিশাল স্ক’ৰলৈ লৈ যায়। গীল আৰু সুদৰ্শনৰ মাজত হোৱা ১১৮ ৰাণৰ অংশীদাৰিত্বই গুজৰাটৰ জয়ৰ ভেটি গঢ়ি তোলে। ২৩০ ৰাণৰ পাহাৰীয়া লক্ষ্য অনুসৰণ কৰিবলৈ নামি ৰাজস্থান ৰয়েলছৰ আৰম্ভণি আছিল আশাব্যঞ্জক। বৈভৱে মাত্ৰ ১৬ বলত ৩৬ ৰাণ কৰি আশাৰ জুই জ্বলাই দিয়ে। কিন্তু তেওঁ আউট হোৱাৰ লগে লগে ৰাজস্থানৰ বেটিং লাইনআপ বিপৰ্যয়ৰ সন্মুখীন হয়। তাৰকা বেটাৰ যশস্বী জয়ছোৱালে মাত্ৰ ৩ ৰাণ সংগ্ৰহ কৰি হতাশ কৰে। ধ্ৰুৱ জুৰেলে ২৪ আৰু ৰবীন্দ্ৰ জাদেজাই ৩৮ ৰাণ সংগ্ৰহ কৰিও দলক পাৰ হোৱাত অসমৰ্থ হয়। শেষত ৰাজস্থানৰ ইনিংছ ১৫২ ৰাণতে খহি পৰে। গুজৰাটৰ এই চমকপ্ৰদ জয়ৰ প্ৰধান নায়ক হৈছে তাৰকা স্পিনাৰ ৰছিদ খান। তেওঁ এককভাৱে ৰাজস্থানৰ বেটিং কঁকাল ভাঙি দি ৪টা উইকেট দখল কৰে। তেওঁক জেছন হোল্ডাৰে ৩টা আৰু কাগিছো ৰাবাদাই ২টা উইকেট লৈ যোগ্য সংগত দিয়ে। পইণ্ট তালিকাত এই জয়ে ডাঙৰ সালসলনি অনাৰ সাক্ষী থাকিবলগীয়া হয়। গুজৰাট টাইটানছ এতিয়া দ্বিতীয় স্থানলৈ উঠি আহিছে, আনহাতে পঞ্জাৱ কিংছ তৃতীয় আৰু আৰ চি বি চতুৰ্থ স্থানলৈ নামি গৈছে। পৰাজয়ৰ গ্লানি বৈ ৰাজস্থান ৰয়েলছ চতুৰ্থ স্থানৰ পৰা পঞ্চম স্থানলৈ পিছুৱাই গৈছে। গুজৰাটৰ এই দাপোণ বিজয়ে প্লে-অফৰ সমীকৰণক আৰু তৰল কৰি তুলিলে।

পঞ্জাৱৰ উদ্যোগ মন্ত্ৰী সঞ্জীৱ অৰোৰাৰ বাসগৃহত

ধনৰ অবৈধ লেনদেনৰ গোচৰত এই অভিযান চলোৱা হয়। এই প্ৰসংগত উল্লেখযোগ্য যে গত তিনি বছৰৰ ভিতৰত অৰোৰাৰ বাসগৃহ আৰু আন আন স্থানত ইডিয়ে তৃতীয়বাৰৰ বাবে তালাচী চলালে। বিশেষকৈ অহা মাহৰ ভিতৰতে এয়া দ্বিতীয় অভিযান বুলি জানিব পৰা গৈছে। শনিবাৰে কেৱল চৰকাৰী বাসগৃহতে সীমাবদ্ধ নাথাকি, মন্ত্ৰীগৰাকীৰ সৈতে জড়িত মুঠ পাঁচটাকৈ ঠিকনাত কেন্দ্ৰীয় সংস্থাটোৰ দলে অভিযান চলায়। ইয়াৰ পূৰ্বে যোৱা এপ্ৰিল মাহত একেই গোচৰতে চণ্ডীগড় আৰু দিল্লীৰ কেইবাখনো স্থানত অৰোৰাৰ ঠিকনাত তালাচী চলোৱা হৈছিল। সেই সময়ত কোনো আপত্তিজনক সামগ্ৰী পোৱা নাছিল বুলি জানিবলৈ দিয়ে ইডিয়ে। এই শনিবাৰৰ অভিযানে ৰাজ্যৰ ৰাজনীতিত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে ইডিৰ এই কাৰ্যকলাপক কেন্দ্ৰীয় চৰকাৰৰ ৰাজনৈতিক প্ৰতাৰণা বুলি অভিযোগ কৰে। তেওঁ সাংবাদিকৰ আগত কয় যে বিজেপিৰ নিৰ্দেশনাত ইডিয়ে আপুৰুগীয়া ৰাজনৈতিক স্বাৰ্থত সঞ্জীৱ অৰোৰাক হাৰাশাস্তি কৰি আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে দাবী কৰে যে ইয়াৰ পূৰ্বে দুবাৰকৈ অভিযান চলাই কোনো অপৰাধমূলক সামগ্ৰী নোপোৱাৰ পিছতো ইডিয়ে তৃতীয়বাৰৰ বাবে তালাচী চলালে। ইডি আৰু বিজেপিয়ে মিলি বিৰোধীক অসুবিধা দিবলৈ ষড়যন্ত্ৰ ৰচনা কৰিছে বুলি ভগৱন্ত মানে তীব্ৰ ভাষাত সমালোচনা কৰে। জানিব পৰা মতে, ২০২৪ চনত লুধিয়ানা পশ্চিম সমষ্টিৰ বিধায়কগৰাকীৰ বিৰুদ্ধে ধনৰ অবৈধ লেনদেনৰ অভিযোগ উত্থাপিত হৈছিল। সেই একে অভিযোগৰ ভিত্তিতেই ইডিৰ এটা বৃহৎ দলে দিল্লী, গুৰুগ্ৰাম আৰু চণ্ডীগড়ৰ বিভিন্ন স্থানত শনিবাৰে দিনটো ভৰি তালাচী অভিযান চলায়। যদিও এতিয়ালৈকে ইডিয়ে অভিযানৰ ফলাফল সম্পৰ্কে কোনো আনুষ্ঠানিক বিবৃতি দিয়া নাই, তথাপি এই তালাচীক লৈ পঞ্জাৱৰ আম আদমি পাৰ্টি আৰু কেন্দ্ৰৰ বিজেপি চৰকাৰৰ মাজত বাকযুদ্ধই চৰম ৰূপ লৈছে।

বংগত প্ৰধানমন্ত্ৰী মোদীৰ

কাৰ্য্যই সকলোৰে দৃষ্টি কাঢ়ি নিয়ে। মঞ্চত উপস্থিত হৈ প্ৰথমে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰাৰ পিছতে মোদীয়ে উপস্থিত জনতাৰ সন্মুখত আঁঠু লৈ নমস্কাৰ জনায়। তেওঁ জনশক্তিক ধন্যবাদ জ্ঞাপন কৰি আশীৰ্বাদ গ্ৰহণ কৰে। পাছত সামাজিক মাধ্যমত তেওঁ লিখে, “মই পশ্চিমবংগৰ জনশক্তিক প্ৰণাম কৰিছো! জনতাৰ আশীৰ্বাদেই গণতন্ত্ৰৰ প্ৰকৃত শক্তি আৰু ৰাজকীয় সংকল্পৰ মহীয়ান উৎস।” ৰাজ্যপাল আৰ এন ৰবিয়ে শুভেন্দু অধিকাৰীক মুখ্যমন্ত্ৰীৰ শপত বাক্য পাঠ কৰোৱায়। শুভেন্দু অধিকাৰীৰ নেতৃত্বত বিজেপি দলে ২৯২খন আসনৰ ভিতৰত ২০৭খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰে। শপতগ্ৰহণৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে এক্সযোগে শুভেন্দুক শুভেচ্ছা জনাই কয়, “শ্ৰী শুভেন্দু অধিকাৰীয়ে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে শপত লোৱাত অভিনন্দন। তেওঁ এনে এজন নেতা যি জনতাৰ সৈতে গভীৰভাৱে সংযুক্ত আৰু তেওঁলোকৰ আকাংক্ষা বুজি পাইছে। তেওঁৰ কাৰ্যকাল মঙ্গলময় হওক।” প্ৰধানমন্ত্ৰী মোদীয়ে ড° শ্যামাপ্ৰসাদ মুখাৰ্জীক শ্ৰদ্ধাৰে সোঁৱৰি কয়, “আজি যেতিয়া পশ্চিমবংগৰ প্ৰথম বিজেপি চৰকাৰে শপত গ্ৰহণ কৰিছে, তেতিয়া আমাক ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ কথা আৰু দেশ, বিশেষকৈ পশ্চিমবংগৰ প্ৰতি তেওঁৰ চিৰস্থায়ী অৱদান সোঁৱৰণ কৰা অতি স্বাভাৱিক। তেওঁৰ সপোন বাস্তৱায়ন কৰিবলৈ আমি চেষ্টাত কোনো ত্ৰুটি ৰাখিম নেৰাবো।”

আজি তামিলনাডুৰ মুখ্যমন্ত্ৰীৰূপে শপত ল’ব

হৈছে তামিলাগা ভেট্ৰি কাঝাগাম (টিভিকে)ৰ মুৰব্বী বিজয় থালাপতি। আজি বিয়লি ৩.১৫ বজাত তেওঁ শপত গ্ৰহণ কৰিব। লগতে আন ৯ গৰাকী মন্ত্ৰীয়েও শপত গ্ৰহণ কৰিব বুলি সূত্ৰই নিশ্চিত কৰিছে। শনিবাৰে দীৰ্ঘক্ষণ আলোচনাৰ অন্তত টিভিকেক নিঃচৰ্ত সমৰ্থন আগবঢ়ায় বিদুথলাই চিৰুথাইগাল কাটচিয়ে (ভিচিকে)। ভিচিকেৰ এই সিদ্ধান্তৰ কিছু সময়ৰ পাছতে ডিএমকেৰ আন এক মিত্ৰ দল ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগ (আইইউএমএল)য়েও টিভিকেক সমৰ্থন দিয়ে। আইইউএমএলৰ দুজন বিধায়ক আছে। ভিচিকেৰ প্ৰতিষ্ঠাপক তথা লোকসভাৰ সাংসদ থল থিৰুমাৱালাৱনে টিভিকে নেতা আধৱ অৰ্জুনক নিঃচৰ্ত সমৰ্থনৰ পত্ৰ প্ৰদান কৰে। এই সৰু দল দুটাৰ সমৰ্থন লাভ কৰাৰ পাছত টিভিকেৰ সপক্ষে বিধানসভাত আসনৰ সংখ্যা ১২০ লৈ বৃদ্ধি পায়। ২৩৪ আসনবিশিষ্ট তামিলনাডু বিধানসভাত একক সংখ্যাগৰিষ্ঠতাৰ বাবে প্ৰয়োজন ১১৮ আসন। বৰ্তমান টিভিকেৰ হাতত সংখ্যাগৰিষ্ঠতাতকৈ দুখন আসন বেছি। ফলস্বৰূপে ৰাজনীতিত নতুনকৈ অভিষেক ঘটোৱা দলটোৱে চৰকাৰ গঠনৰ বাবে যি সংখ্যাগত সমস্যাৰ সন্মুখীন হৈছিল, তাৰ সমাধান হয়। লগতে ডিএমকে আৰু এআইএডিএমকে একত্ৰিত হৈ চৰকাৰ গঠনৰ যি নাটকীয় পৰিস্থিতিৰ সৃষ্টি হৈছিল, তাৰো যৱনিকা পৰে। ৰাজ্যপালক উদ্দেশ্যি প্ৰেৰণ কৰা বিজ্ঞপ্তিত ভিচিকে উল্লেখ কৰে যে তামিলনাডুৰ জনসাধাৰণৰ বাবে সুস্থিৰ আৰু গণতান্ত্ৰিক শাসন নিশ্চিত কৰাৰ স্বাৰ্থতে এই নিঃচৰ্ত সমৰ্থন আগবঢ়োৱা হৈছে। ভিচিকে সভাপতি থল থিৰুমাভালাভানে শনিবাৰে এক সংবাদমেলত কয় যে বাঁওপন্থী দল আৰু ভিচিকেৰ মাজত দীৰ্ঘম্যাদী ৰাজনৈতিক দৃষ্টিভংগী আৰু ভৱিষ্যতৰ ৰাজনৈতিক বিবেচনাত যৌথ আলোচনা কৰি এই সিদ্ধান্ত লোৱা হৈছে। বাঁওপন্থী দলকেইটাই প্ৰথমে নিজ নিজ ৰাজ্যিক সমিতিত সিদ্ধান্তত উপনীত হোৱাৰ পাছত ভিচিকেই তাৰ ওপৰত আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত ঘোষণা কৰে। বিজয় থালাপতিয়ে শনিবাৰে ৰাজ্যপালক সাক্ষাৎ কৰি চৰকাৰ গঠনৰ দাবী জনায় আৰু তেওঁৰ চৰকাৰক সমৰ্থন আগবঢ়োৱা বিভিন্ন দলৰ সমৰ্থন পত্ৰ ৰাজ্যপালৰ হাতত তুলি দিয়ে। সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই দেওবাৰে অনুষ্ঠিত হ’বলগীয়া শপতগ্ৰহণ অনুষ্ঠানৰ বাবে তামিলনাডুৰ ৰাজনৈতিক মহলত প্ৰস্তুতি আৰম্ভ হৈছে।

১২ মে’ৰ শপতগ্ৰহণ

অনুষ্ঠানত প্ৰধানমন্ত্ৰীকে ধৰি কেইবাগৰাকী ৰাষ্ট্ৰীয় নেতা উপস্থিত থাকিব বুলি আশা কৰা হৈছে। ঘটনাস্থলীত প্ৰায় এক লাখ লোক সমবেত হ’ব বুলি অনুমান কৰি প্ৰশাসনে যানজট এৰাই চলিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। শনিবাৰে সংবাদমেলত মহানগৰ যানবাহন শাখাৰ ডিচিপি জয়ন্ত সাৰথি বৰাই কয় যে শপতগ্ৰহণ অনুষ্ঠানৰ দিনা পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ বিশেষ পথ নিৰ্দেশনা বলবৎ থাকিব। তেওঁ স্পষ্টভাৱে কয়, “২৭ নং আৰু ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কইনাধৰাৰ পৰা ভূপেন হাজৰিকা ক্ষেত্ৰলৈ আৰু তাৰ পৰা আজাৰালৈকে পথছোৱাত গধুৰ বাহন, মালবাহী ট্ৰাক, ডাম্পাৰ আৰু ধীৰগতিৰ বাহন চলাচল সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে।” যাত্ৰীসকলক পৰামৰ্শ দি ডিচিপি বৰাই কয়, “পৰাপক্ষত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ এৰাই চলি জিএছ ৰোড ব্যৱহাৰ কৰিব। বিমানবন্দৰলৈ যাবলগীয়া যাত্ৰীসকলে হাতত দুই ঘণ্টা অধিক সময় লৈ ঘৰৰ পৰা যাত্ৰা আৰম্ভ কৰিব।” ইয়াৰ উপৰিও কইনাধৰা পইণ্টৰ পৰা অসম অভিযান্ত্ৰিক মহাবিদ্যালয় (এইচি) পইণ্টলৈ যোৱা চাৰিলেনযুক্ত পথৰ সোঁফালৰ লেনটোত বাহন চলাচল কৰিবলৈ দিয়া হ’ব, আনহাতে বাওঁফালৰ লেনটো সম্পূৰ্ণ বন্ধ ৰাখি বিশেষ পথ হিচাপে সংৰক্ষণ কৰা হ’ব। পাৰ্কিংৰ সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনাত কোৱা হৈছে যে ২৭ আৰু ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰ্ভিচ লেনত কোনো যানবাহন ৰখা নাযাব। বতাহঘুলি, পাঞ্জাবাৰী, ছয়মাইল আৰু খানাপাৰাৰ ৰাস্তাৰ কাষতো পাৰ্কিং সম্পূৰ্ণ নিষিদ্ধ। অনুষ্ঠানলৈ অহা বাহনসমূহ বশিষ্ঠ পথ, সৰুসজাই ষ্টেডিয়াম, এজিচি এল পাৰ্কিং, শ্বহীদ ন্যাস পথ আদিত নিৰ্ধাৰিত স্থানত ৰাখিবলৈ প্ৰশাসনে ব্যৱস্থা কৰিছে। ৰাইজ যাতে অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে আগতীয়া সতৰ্কবাণী জাৰি কৰিছে মহানগৰ প্ৰশাসনে। শপতগ্ৰহণ অনুষ্ঠান উপলক্ষে গুৱাহাটী মহানগৰ যান-যাতায়াত প্ৰশাসন সাজু হৈ উঠিছে।

অংগ, বংগ, কলিংগ, প্ৰাগজ্যোতিষত এতিয়া

ক্ষণত অসমৰ তত্ত্বাৱধায়ক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁক উষ্ম অভিনন্দন জ্ঞাপন কৰি এক গুৰুত্বপূৰ্ণ মন্তব্য কৰে। হিমন্ত বিশ্ব শৰ্মাই কয় যে বৰ্তমান ‘অংগ, বংগ, কলিংগ আৰু প্ৰাগজ্যোতিষ’ অঞ্চলসমূহ “সনাতনী মূল্যবোধ ৰক্ষাৰ ক্ষেত্ৰত গভীৰভাৱে শিপাই থকা” দল এটাৰ দ্বাৰা পৰিচালিত হৈছে। উল্লেখযোগ্য যে এই চাৰিটা ঐতিহাসিক নামে আধুনিক বিহাৰ, পশ্চিমবংগ, ওড়িশা আৰু অসমক বুজায়। বৰ্তমান এই আটাইকেইখন ৰাজ্যতে বিজেপিৰ চৰকাৰ আছে। কলকাতাত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি উভতি অহাৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে ছ’চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত লিখে, “বংগত ইতিহাসৰ চিত্ৰনাট্য ৰচিত হৈছে! পশ্চিমবংগৰ প্ৰথমগৰাকী বিজেপি মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা শুভেন্দু অধিকাৰীলৈ মোৰ উষ্ম অভিনন্দন আৰু শুভেচ্ছা।” তেওঁ লগতে নিশ্চয়তা প্ৰকাশ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন চৰকাৰখনে সীমান্ত সুৰক্ষিত কৰি, ৰাজ্যৰ পৰিচয় ৰক্ষা কৰি আৰু উন্নয়ন ঘূৰাই আনি ‘সোণাৰ বাংলাৰ’ প্ৰকৃত সাৰমৰ্ম পুনৰুদ্ধাৰ কৰিব। নতুন মন্ত্ৰীসভাত অন্তৰ্ভুক্ত দিলীপ ঘোষ, অগ্নিমিত্ৰ পাল, অশোক কীৰ্তনিয়া, খুদিৰাম টুডু আৰু নিশিথ প্ৰমাণিককো প্ৰশংসা কৰি হিমন্ত বিশ্ব শৰ্মাই কয় যে তেওঁলোক ইতিহাস সৃষ্টিৰ অবিচ্ছেদ্য অংগ। বহু বছৰ ধৰি বংগত বিজেপি কৰ্মীসকলে যি ত্যাগ স্বীকাৰ কৰি আহিছে, আজি সেই ত্যাগৰ সন্মানীয় শ্ৰদ্ধাঞ্জলি দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। হিমন্ত বিশ্ব শৰ্মাই পুনৰ কয় যে নতুন চৰকাৰখনে দায়িত্ব লোৱাটোৱে আমাৰ সভ্যতামূলক যাত্ৰাৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে। কাৰণ ‘অংগ, বংগ, কলিংগ আৰু প্ৰাগজ্যোতিষ’ এতিয়া সনাতনী মূল্যবোধ ৰক্ষাত গভীৰভাৱে শিপাই থকা প্ৰশাসনৰ দ্বাৰা পৰিচালিত। তেওঁ কয়, “এই পবিত্ৰ ভূমিসমূহে আমাৰ নাৰী শক্তিৰ আধ্যাত্মিক উত্তৰাধিকাৰ বহন কৰে। এই পূব ভাৰততেই মা কামাখ্যা, মা ত্ৰিপুৰা সুন্দৰী, মা তাৰা তাৰিনি, মা কালী আৰু মা জানকীয়ে বাস কৰে। মাৰ আশীৰ্বাদেৰে আমাৰ অঞ্চলৰ বাবে এক নতুন অধ্যায়ৰ আৰম্ভণি হওক।” ‘বন্দে মাতৰম’ চেলুটেৰে তেওঁ পোষ্টটো সামৰণি মাৰে। উল্লেখযোগ্য যে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এনডিএয়ে এইবাৰ অসম বিধানসভা নিৰ্বাচনত একেৰাহে তৃতীয়টো বিশাল জয় লাভ কৰিছে। দেওবাৰে অনুষ্ঠিত হ’বলগীয়া বিজেপি বিধায়িনী দলৰ বৈঠকত দলটোৰ নেতা নিৰ্বাচন কৰা হ’ব।

আজি ঘোষণা হ’ব পৰৱৰ্তী

তাৰ পাছতে বহিব এনডিএৰ বিধায়িনী দলৰ বৈঠক। দলীয় সূত্ৰই জানিবলৈ দিয়া মতে, বিজেপি বিধায়িনী দলৰ বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষক জে পি নড্ডা আৰু নয়াব সিং ছাইনী উপস্থিত থাকিব। এই বৈঠকতে বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰা হ’ব। নেতা নিৰ্বাচন হোৱাৰ পাছত সদ্য নিৰ্বাচিত বিধায়িনী দলৰ নেতাগৰাকীয়ে ৰাজ্যপালক সাক্ষাৎ কৰিব। পুৱা ১১.১৫ বজাত বিধায়িনী দলৰ নেতাগৰাকী লোকভৱনলৈ যাব। তেওঁ ৰাজ্যপালৰ হাতত নতুন চৰকাৰ গঠনৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰাব। ৰাজ্যৰ আটাইবোৰ চকু আজি এই ৰাজনৈতিক প্ৰক্ৰিয়াৰ ফালে নিৰীক্ষণ কৰি আছে। পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হয় তাৰ ওপৰতে নিৰ্ভৰ কৰিব আগন্তুক দিনৰ ৰাজনীতিত দলটোৰ গতিপথ।

নিৰ্বাচনী পৰাজয় মানি লৈছো, কিন্তু যুঁজ অব্যাহত

কয়, “আমাৰ পৰাজয় আমি মানি লৈছো। ৰাইজৰ জনাদেশ আমি শিৰোগত কৰো। আমি যিখন যুঁজ আগবঢ়াই নিছো, সেই যুঁজ অব্যাহত থাকিব। ব্যক্তিগত জয়-পৰাজয় এই যুঁজৰ লগত নিমিলে।” লগতে তেওঁ জানিবলৈ দিয়ে যে দলটোৱে ৰাইজৰ লগত আছেও, আগলৈও ৰাইজৰ পৰামৰ্শ লৈ আগবাঢ়ি যাব। পৰাজয়ৰ কাৰণ বিচাৰি তেওঁলোকে নিজৰ ভুল-ত্ৰুটি সম্পৰ্কে আলোচনা কৰিছে বুলিও গগৈয়ে উল্লেখ কৰে। নিৰ্বাচনত পৰাজয়ৰ কাৰণ সম্বন্ধে AJP সভাপতিগৰাকীয়ে কয় যে সাংগঠনিক দুৰ্বলতা, মিত্ৰতা স্থাপনত পলম হোৱা, লগতে সমষ্টি পুনৰ নিৰ্ধাৰণে ফলাফলত প্ৰভাৱ পেলাইছে। তেওঁ পুনৰবাৰ স্পষ্ট কৰি কয়, “আমাৰ কাৰণে হিমন্ত বিশ্ব শৰ্মাৰ আদৰ্শ গ্ৰহণযোগ্য নহয়। আমাৰ পোছাক-পৰিচৰ্যাক লৈ আমি ৰাজনীতি কৰা নাই। আমি নিজৰ আদৰ্শ মতে আগবাঢ়িছো।” পৰাজয়ৰ বাবে নিজ দলৰ ভুল-ত্ৰুটিৰ কথাও স্বীকাৰ কৰি লুৰীণজ্যোতি গগৈয়ে কয়, “আমাৰ কাৰ্যপদ্ধতিত নিশ্চিতভাৱে ভুল-ত্ৰুটি ৰৈ গৈছে, যি বাবে ৰাইজে আমাক আস্থাত লোৱা নাই। কিন্তু ৰাইজে আমাক যথেষ্ট মৰম দিছে। আমি আনৰ কথা নকওঁ, আমি কেৱল আমাৰ লক্ষ্যলৈ আগবাঢ়িম।” তেওঁ ‘৩ গগৈ কনচেপ্ট’ৰ প্ৰসঙ্গ উত্থাপন কৰি কয়, “৩ গগৈ কনচেপ্ট মই আগৰ পৰাই বিৰোধিতা কৰি আহিছিলো। মুখ্যমন্ত্ৰীয়ে এইটো কৰাত সফল হৈছে।” কংগ্ৰেছৰ সৈতে মিত্ৰতা সম্পৰ্কে তেওঁ কয়, “কংগ্ৰেছৰ লগত আমি মিত্ৰতা কৰিলেও আমি আমাৰ আদৰ্শ বিসৰ্জন দিয়া নাই। কংগ্ৰেছ আৰু বাঁওপন্থী দলসমূহৰ সৈতে আমাৰ আদৰ্শগত পাৰ্থক্য আছে, আগলৈও থাকিব।” সংবাদমেল শেষত তেওঁ ৰাইজৰ সহায়-সহযোগিতা আৰু পৰামৰ্শ কামনা কৰে। লুৰীণজ্যোতি গগৈৰ এই ভাষণে ৰাজ্যৰ ৰাজনীতিত AJPৰ ভৱিষ্যৎ গতিপথৰ বিষয়ে ইংগিত প্ৰদান কৰিলে।

অসম মন্ত্ৰীসভাত কোচ ৰাজবংশী সম্প্ৰদায়ৰ পৰা

শৰ্মাই। কিন্তু নতুন মন্ত্ৰীসভা গঠনৰ পূৰ্বেই এক গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে। শনিবাৰে ধুবুৰীত অনুষ্ঠিত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ ধুবুৰী জিলা সমিতিৰ সংবাদমেলত এই দাবী জনোৱা হয়। সংবাদমেলত সন্মিলনীৰ অন্যতম নেতা ৰঘুৰঞ্জন বেপাৰীয়ে কয় যে চলিত বিধানসভা নিৰ্বাচনত এনডিএ মিত্ৰজোঁটৰ বিভিন্ন দলৰ পৰা মুঠ ১০ গৰাকী কোচ-ৰাজবংশী বিধায়ক বিজয়ী হৈছে। তেওঁলোকৰ ভিতৰৰ পৰা অন্ততঃ দুগৰাকীক কেবিনেট ৰেংকৰ মন্ত্ৰী পদ প্ৰদান কৰিব লাগে বুলি সন্মিলনীয়ে দাবী জনাইছে। ৰঘুৰঞ্জন বেপাৰীয়ে উল্লেখ কৰে, “আমাৰ দহজন বিধায়ক জয়ী হৈছে। সেই দহজনৰ পৰা ন্যূনতম দুজনক কেবিনেট মন্ত্ৰী হিচাপে নিয়োগ কৰক। ধুবুৰী জিলাখন অহৰহ অৱহেলিত হৈ আহিছে। ইয়াত কোচ ৰাজবংশী সম্প্ৰদায়ৰ সংখ্যা যথেষ্ট। কিন্তু আজিলৈকে আমি ৰাজনৈতিকভাৱে সুবিধা পোৱা নাই।” তেওঁ লগতে কয় যে ধুবুৰী জিলাৰ পৰা গোলোকগঞ্জৰ অশ্বিনী ৰায় সৰকাৰ আৰু বিলাসীপাৰাৰ জীৱেশ ৰায় বিজয়ী হৈছে। এই দুজনৰ ভিতৰত যিকোনো এজনক কেবিনেট মন্ত্ৰী কৰিলে সন্মিলনী যথেষ্ট সুখী হ’ব। উল্লেখযোগ্য যে এইবাৰ বিজেপি অকলে ৮২ খন, অসম গণ পৰিষদে ১০খন আৰু বিপিএফে ১০খন আসন লাভ কৰি এনডিএ মিত্ৰজোঁট সমূহীয়াভাৱে ১০২খন আসন লাভ কৰিছে। অহা ১২ মে’ত শপত গ্ৰহণ অনুষ্ঠানত কোন কোন মন্ত্ৰীয়ে স্থান পায় সেই বিষয়ে এতিয়ালৈকে কোনো আনুষ্ঠানিক ঘোষণা হোৱা নাই। কোচ ৰাজবংশী সন্মিলনীৰ এই দাবীয়ে নতুন চৰকাৰ গঠনৰ পূৰ্বে মন্ত্ৰীসভাৰ গঠনত এক নতুন মাত্ৰা যোগ কৰিছে।

নকছাৰিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অনুপ্ৰেৰণামূলক সভা

অসম বাৰ্তা, নকছাৰি, ৯ মে’ ঃ নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৭৪বৰ্ষৰ প্ৰাক্তন ছাত্ৰ সন্মিলনিৰ তৰফৰ পৰা আজি এখনি অনুপ্ৰেৰণামূলক সভা অনুষ্ঠিত কৰে। ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হ’ব নোৱাৰিলে সেই সকলক উৎসাহ যোগাই আকৌ সুখ্যাতিৰে অৱতীৰ্ণ হ’ব পৰাকৈ কেনেধৰণে পৰিকল্পনা কৰি পঢ়িব লাগিব তাৰ পৰামৰ্শ আগবঢ়োৱাৰ লগতে আহিবলগীয়া দিনবোৰত আগুৱাই যাবলৈ সন্মিলনৰ তৰফৰ পৰা পৰামৰ্শ আগবঢ়ায়। উপস্থিত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক একোখনকৈ কিতাপ উপহাৰ স্বৰূপে প্ৰদান কৰে। অনুপ্ৰেৰণামূলক সভাৰ সঞ্চালন কৰে প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সম্পাদক জগত মোহন গগৈয়ে। নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক পৰামৰ্শ আগবঢ়াই প্ৰাক্তন ছাত্ৰ সন্মিলনিৰ সদস্য তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত বিষয়া ড° পূৰ্ণ চন্দ্ৰ বৰুৱায়। তেখেতে বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ লগত খাপ খুৱাই নিজকে কেনেকৈ প্ৰস্তুত কৰিব লাগিব তাৰ বহু পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সদস্য সকলৰ লগতে বিদ্যালয় খনৰ অধ্যক্ষ তুলন গগৈ, বিষয় শিক্ষয়ত্ৰী ৰূপা নেওগ গোঁসাইৰ লগতে কেইবা গিৰাকী শিক্ষক শিক্ষয়ত্ৰীৰ লগতে প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সদস্য জিতেন চন্দ্ৰ গগৈ, দিলীপ গগৈ, ভৈৰৱ মহন্ত, চৰিফুল আহমেদ উপস্থিত থাকি অনুপ্ৰাণিত মূলক বক্তব্য আগবঢ়ায়। ছাত্ৰ একতা সভাৰ সভাপতি সংগীতা বৰুৱাই ছাত্ৰ-ছাত্ৰী সকলক এনেদৰে অনুপ্ৰাণিত কৰাৰ বাবে উদ্যোক্তা সকলক ধন্যবাদ জ্ঞাপন কৰে।

সংযুক্ত বড়ো গণমঞ্চ আৰু ময়নগুৰি ঔগুৰি যৌথ উদ্যোগত কীৰ্তি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান

অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, মৰিগাঁও, ৯ মে’ ঃ সংযুক্ত বড়ো গণমঞ্চ আৰু ময়নগুৰি, ঔগুৰি গাঁৱৰ যৌথ উদ্যোগত ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ কীৰ্তি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান এটি গাঁওখনত সাফল্যৰে অনুষ্ঠিত হয়। অনুষ্ঠানটিত শিক্ষাৰ ক্ষেত্ৰত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰা বহু কীৰ্তি ছাত্ৰ-ছাত্ৰীক গামোচা, ফুলাম গামোচা আৰু স্মাৰকৰ জৰিয়তে সন্মান জনোৱা হয়। এই বৰ্ষত ৯১.২ শতাংশ নম্বৰ লাভ কৰি বিপাশা কোঁৱৰ শিৰ্ষস্থান দখল কৰিবলৈ সক্ষম হয়, যাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত স্থানীয় লোকসকলৰ উপস্থিতিয়ে এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জিলা সভাপতি শংকৰ বসুমতাৰী আৰু বড়ো কছাৰী উন্নয়ন পৰিষদৰ কাৰ্যবাহী সদস্য মথুৰা বসুমতাৰী। তেওঁলোকে নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰীসকলক অধিক পৰিশ্ৰম আৰু লক্ষ্যপ্ৰাপ্তিৰ বাবে অনুপ্ৰেৰণা যোগায়। উপস্থিত অন্যান্য অতিথি আৰু অভিভাৱকসকলেও ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাত সন্তোষ প্ৰকাশ কৰে আৰু এনে ধৰণৰ অনুষ্ঠান সমাজত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। সমগ্ৰ অনুষ্ঠানটো সুন্দৰকৈ পৰিচালিত হয় আৰু শেষত আয়োজক সমিতিয়ে সকলোৰে সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

মাকুমত আৰম্ভ হ’ল মৰাণ বিহু সমাৰোহ-২০২৬

ৰাতি বিহু, ঝঞ্জা নাচ, কুলাবুঢ়ী নাচ, ৰণুৱা নাচ প্ৰদৰ্শনীৰে মুখৰিত হ’ল সমগ্ৰ মাকুম

অসম বাৰ্তা, মাকুম, ৯ মে’ ঃ বৃহত্তৰ মাকুম অঞ্চলত ২০০৬ চনৰ পৰাই অনুষ্ঠিত কৰি অহা উত্তৰ পূৰ্বাঞ্চলৰ আদিম ভূমি পুত্ৰ মৰাণ জনগোষ্ঠীৰ মৰাণ বিহু সমাৰোহ প্ৰতি পাঁচ বছৰৰ ব্যৱধানত অনুষ্ঠিত কৰি অহা হৈছে। মৰাণ জনগোষ্ঠীটোৰ আটাইকেইটা সংগঠন ক্ৰমে সদৌ মৰাণ ছাত্ৰ সন্থা, অসম মৰাণ সভা, মৰাণ জাতীয় মহিলা পৰিষদ, সদৌ মৰাণ ক’লা সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ আৰু মৰাণ সাহিত্য সভা মাকুম আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আৰু সমগ্ৰ মাকুম অঞ্চলটোৰ ৰাইজৰ সহযোগত যোৱা কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত মৰাণ বিহু সমাৰোহ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি মূল প্ৰৱেশ দ্বাৰ উন্মোচন, উদ্যোক্তা কেওটা সংগঠন আৰু আৰু মৰাণ বিহু সমাৰোহৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, অসমৰ বৰেণ্য ব্যক্তি সকলৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী দ্বাৰ উদ্বোধন, স্বৰ্গীয় ঋতুৰাজ মৰাণ সোঁৱৰণী মূল মণ্ডপ উন্মোচন কৰা হয়। প্ৰৱেশ দ্বাৰ উন্মোচন কৰে অসম মৰাণ সভাৰ উপদেষ্টা হিৰণ্য কুমাৰ দহোটীয়াই তাৰ পাছতে উদ্যোক্তা কেওটা সংগঠন আৰু আৰু মৰাণ বিহু সমাৰোহৰ পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে অসম মৰাণ সভা মাকুম আঞ্চলিক সমিতিৰ সভাপতি কুসুম্বৰ নেওগ, সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ সভাপতি গুণধৰ মৰাণ, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ মাকুম আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি হিৰকজ্যোতি মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদ মাকুম আঞ্চলিক সমিতিৰ সভানেত্ৰী সোণালী গোহাঁই মৰাণ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ মাকুম আঞ্চলিক সমিতিৰ সভাপতি অনন্ত মৰাণ, মৰাণ সাহিত্য সভা মাকুম আঞ্চলিক সমিতিৰ সভাপতি উৎপল মৰাণ, মৰাণ বিহু সমাৰোহ অভ্যৰ্থনা সমিতিৰ সভাপতি ধীৰাজ মৰাণে, স্মৃতি তৰ্পণ কৰে অসম মৰাণ সভা মাকুম আঞ্চলিক সমিতিৰ সভাপতি জিণ্টু বৰুৱা, সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ভদ্ৰজিত চুতীয়া, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ মঞ্চ মাকুম আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক নিবাৰণ বড়া, মৰাণ জাতীয় মহিলা পৰিষদ মাকুম আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদিকা সবিতা মৰাণ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ মাকুম আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক যুগান্ত মৰাণ, মৰাণ সাহিত্য সভা মাকুম আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক নিৰুপম চুতীয়া, মৰাণ বিহু সমাৰোহ অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক ৰূপজ্যোতি হাতী বৰুৱা, যুটীয়া সম্পাদক ৰাতুল মৰাণ আৰু মুনিন্দ্ৰ চুতীয়াই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে মাকুম সম জিলা আৰক্ষী অধীক্ষক অৰূপজ্যোতি তেৰণে। গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰে মৰাণ মহিলা পৰিষদৰ সভানেত্ৰী দ্বীপা শইকীয়া বড়াই, স্বৰ্গীয় ঋতুৰাজ মৰাণ সোঁৱৰণী মূল মণ্ডপ উন্মোচন কৰে মাকুম বন সংমণ্ডল বিষয়া ছাইদুল আলমে তাৰ পাছতে বিভিন্ন প্ৰতিযোগিতা যেনে ঢোল, ধুতং, পেঁপা, বীণ, সুতুলী, বাঁহী বাদন, মৰাণ বিহু গীত আদি অনুষ্ঠিত কৰা হয়। আৰু নিশাৰ ভাগত মৰাণ বিহু সমাৰোহৰ লগত সংগতি ৰাখি প্ৰথম দিনাই মুখ্য আকৰ্ষণ কাৰ্যসূচী হিচাপে মৰাণ জনগোষ্ঠীৰ পৰম্পৰাগত ৰাতি বিহু প্ৰদৰ্শন কৰা হয়। জনগোষ্ঠীটোৱে পৰম্পৰাগত ৰাতি বিহু কেনেধৰণে পালন কৰে, কেনেকৈ ডেকা সকলে ৰাতি বিহু নাচিবলৈ গাঁৱৰ গাভৰু সকলক ঘৰৰ পৰা স-ন্মানেৰে নিমন্ত্ৰণ দি লগত লৈ অনা হয় তাৰে সকলো জাতি জনগোষ্ঠীৰ লোক সকলৰ আগত এক বিস্তাৰ ভাৱে পৰিচয় কৰিবলৈ এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ৰাতি বিহুত মাকুম অঞ্চলৰ লগতে সমগ্ৰ তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা মৰাণ জনগোষ্ঠীৰ হাজাৰ হাজাৰ ডেকা গাভৰু সকলৰ উপস্থিতিত মৰাণ ডেকাসকলৰ “চাকচনিৰ” শব্দ আৰু গাভৰুৰ বিহু নাচত জীপাল হৈ পৰিল অনুষ্ঠানৰ বাকৰি। দ্বিতীয় দিনা কাৰ্যসূচী অনুসৰি ঝঞ্জা নাচ, ৰণুৱা নাচ, কুলাবুঢ়ী নাচ লগতে দুহেজাৰ গৰাকী (২০০০) নাচনী ঢুলীয়াৰ দ্বাৰা মৰাণ বিহু প্ৰদৰ্শনীৰে মুখৰিত হ’ল সমগ্ৰ মাকুম। তৃতীয় দিনা কাৰ্যসূচী অনুসৰি মুকলি সভা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত কৰি নিশা ভাগলৈ সাংস্কৃতিক সন্ধ্যা অনুষ্ঠিত কৰা হব। উল্লেখযোগ্য যে প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত হৈ অহা এই সমাৰোহখনি এই বাৰ পঞ্চমবাৰৰ বাবে আয়োজন কৰা হৈছে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰাণসকলৰ লোক-কৃষ্টি আৰু ঐতিহ্যক চিনাকি কৰি দিয়াই এই সমাৰোহৰ মূল উদ্দেশ্য।

আজিৰে পৰা দুদিনীয়াকৈ ননৈপৰীয়া আঞ্চলিক সাংস্কৃতিক গোষ্ঠীৰ ৰূপালী জয়ন্তী উৎসৱ আৰু মুকলি বিহু প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, দেওমৰনৈ, ৯ মে’ ঃ দৰং জিলাৰ অন্যতম সাংস্কৃতিক গোষ্ঠী, ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ গৰকা ননৈ পৰীয়া আঞ্চলিক সাংস্কৃতিক গোষ্ঠীৰ ৰূপালী জয়ন্তী উৎসৱ উদযাপন আৰু মুকলি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা দহ আৰু এঘাৰ মে’ত দুদিনীয়া কাৰ্যসূচীৰে ননৈ পৰীয়া আঞ্চলিক সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু আঞ্চলিক ৰাইজৰ সহযোগত চকীয়াপাৰা ননৈঘাটস্থিত শ্ৰীশ্ৰী দুৰ্গা মন্দিৰৰ বাকৰিত আয়োজিত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ১০ মে’ৰ পুৱা ৭ বজাত গোষ্ঠীৰ পতাকা উত্তোলন কৰিব সভাপতি দেবেন কলিতাই। ৭.৩০ বজাত বিহুৰ পতাকা উত্তোলন কৰিব ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ৰবীন্দ্ৰ চহৰীয়াই। ৮ বজাত ৰূপালী জয়ন্তীৰ মুখ্য পতাকা উত্তোলন কৰিব ৰূপালী জয়ন্তী উদযাপনৰ কাৰ্যকৰী সভাপতি মণ্টু শৰ্মাই। সমান্তৰালভাৱে আন ২৪খন পতাকা ২৪ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা উত্তোলন কৰা হব। ৯ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব অসম লোকসেৱা আয়োগৰ কৰ্মচাৰী নগেন বৰুৱাই। ইয়াৰ পিছত এলানি গছ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব। ইয়াৰ মাজতে বিহুতলি সংযোগী বিভিন্ন স্থানৰ তোৰণ সমূহ বিশিষ্ট ব্যক্তিৰ দ্বাৰা উন্মোচন কৰা হব। দুপৰীয়া ১ বজাৰ সম্বৰ্ধনা সভা আৰু অন্তৰংগ আলাপ অনুষ্ঠান সঞ্চালনা কৰিব বুঢ়ীনগৰ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, এগৰাকী সাংস্কৃতিক কৰ্মী তিলক কলিতাই। বৰমপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তাৰিণী চহৰীয়াই উদ্বোধন কৰিব লগীয়া অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব বিশিষ্ট নাট্যকাৰ হেমচন্দ্ৰ কলিতা আৰু ভাৰতীয় ৰেল বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা দুলাল বৰুৱাই। আবেলি ৩ বজাত উদ্‌যাপন সমিতিয়ে প্ৰকাশ কৰি উলিওৱা স্মৃতি গ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট যুৱ কবি, লেখক অজয় বৰুৱাই। “প্ৰত্যাশাৰ ইপাৰ-সিপাৰ” শীৰ্ষক আন এখন গ্ৰন্থ উন্মোচন কৰিব দিপীলা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক অখিল ৰঞ্জন ভট্টই। সন্ধিয়া ৭ বজাত ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰা হব। ১১ মে’ৰ পুৱা ৯ বজাত গোষ্ঠীৰ সদস্য বৃন্দৰ পৰিচালনাত সমূহীয়া স্বচ্ছতা অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব। সেইদিনা দিনৰ ভাগত কেইবাটাও কাৰ্যসূচী ৰূপায়ণৰ পিছত সন্ধিয়া ৬ বজাত পচিশগছি বন্তিৰ মুখ্য বন্তি প্ৰজ্বলন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সমাজ সংগঠক লোহিত শৰ্মাই। সমান্তৰালভাৱে আন ২৪গছি বন্তি ২৪ গৰাকী বিশিষ্ট নাগৰিকৰ দ্বাৰা প্ৰজ্বলন কৰা হ’ব। সন্ধিয়া ৭ বজাত বাবেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ পিছতে মুকলি বিহু প্ৰতিযোগিতা আৰম্ভ হ’ব। মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই।

জাঁজীৰ দেওৰজা জৰাধৰা গাঁওবাসীৰ উদ্যোগত কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান সম্পন্ন

অসম বাৰ্তা, জাঁজী, ৯ মে’ ঃ শিৱসাগৰ জিলাৰ জাঁজীৰ দেওৰজা জৰাধৰা গাঁওবাসীৰ উদ্যোগত এই বৰ্ষৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ -ছাত্ৰীসকলক যোৱা ৮ মে’ত গাঁৱৰ নামঘৰত অনুষ্ঠিত হোৱা সভাত অভিনন্দন জনোৱা হয়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দেওৰজা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালযৰ অধ্যক্ষ বিকাশ চলিহা, দেওৰজা এম. ভি. বিদ্যালয়ৰ প্ৰধান ভবেন গগৈ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যাপক তীৰ্থ বৰুৱা আৰু কেইবাজনো বিশিষ্ট ব্যক্তি। আনহাতে গাঁৱৰে অৱসৰপ্ৰাপ্ত শিক্ষক জ্যোতি প্ৰসাদ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট অতিথিসকলে ছাত্ৰ ছাত্ৰীসকলৰ ভবিষ্যত দিনৰ বিভিন্ন দিশৰ সুন্দৰ আলোকপাত কৰে। শিক্ষা জীৱন সফলতাৰে আগবাঢ়ি দেশৰ বাবে ভাল কাম কৰা ওপৰত সভাই গুৰুত্ব আৰোপ কৰে। ইয়াৰোপৰি স্থানীয় অন্য এজন যুৱক তথা অভয়পুৰীয়া এল.পি. বিদ্যালয়ৰ প্ৰধান চন্দ্ৰ বৰুৱাও ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভালেমান পৰামৰ্শ আগবঢ়ায়। সমান্তৰালভাবে স্থানীয় যুৱক হৰকান্ত গগৈয়ে আঁত ধৰা অনুষ্ঠানটো জাতীয় সংগীতেৰে সামৰণি মৰা হয়।

উৰিয়ামঘাটৰ জয়ন্তীপুৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে বড়ো জনগোষ্ঠীৰ ৰংজালী বৈছাগু উৎসৱ উদ্‌যাপন

অসম বাৰ্তা, সৰুপথাৰ, ৯ মে’ ঃ সৰুপথাৰ সমজিলাৰ উৰিয়ামঘাটৰ জয়ন্তীপুৰত ৮, ৯ আৰু ১০ মে’ ২০২৬ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বড়ো জনগোষ্ঠীৰ বৈছাগু উৎসৱ উদ্‌যাপন কৰা হৈছে। বড়োসকলৰ অন্যতম বসন্তকালীন এই বৈচাগু উৎসৱ বড়োচা ক্লাব আৰু কে.কে বড়ো লাইব্ৰেৰীৰ উদ্যোগত আমি ৩ দিনীয়াকৈ ৰূপালী জয়ন্তী বৰ্ষৰ ৰঙালী বৈছাগু উৎসৱ ইয়াত অনুষ্ঠিত কৰিছোঁ। ২৬ বৰ্ষ অতিক্ৰম গঢ়কিল উৰিয়ামঘাটৰ জয়ন্তীপুৰৰ বৈচাগু উৎসৱ অনুষ্ঠিত হোৱা। সেয়েহে এইবৰ্ষত ৰূপালী জয়ন্তী বৰ্ষ হিচাপে “ৰংজালী বৈসাগু উৎসৱ” উদ্‌যাপন কৰা হৈছে। সৰুপথাৰ সমজিলাৰ উৰিয়ামঘাটৰ জয়ন্তীপুৰত অতি উলহ-মালহেৰে আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে বড়ো জনগোষ্ঠীৰ লোকসকলে ৰূপালী জয়ন্তী বৰ্ষ ৰংজালী বৈসাগু উৎসৱ উদযাপন কৰিছে। ৮, ৯ আৰু ১০ মে’ ২০২৬ তাৰিখে অনুষ্ঠিত এই তিনিদিনীয়া উৎসৱৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ পুৱাই এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। কাৰ্যসূচীৰ আৰম্ভণিতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি তেখেতৰ আদৰ্শক স্মৰণ কৰা হয়। ইয়াৰ পাছতেই উৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ২৬ খনকৈ ধৰ্মীয় তথা সাংগঠনিক পতাকা উত্তোলন কৰা হয়, য’ত সৰুপথাৰ সমজিলাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধি আৰু দল-সংগঠনৰ নেতৃবৃন্দই পতাকা উত্তোলন কৰি সমন্বয়ৰ নিদৰ্শন দাঙি ধৰে। উক্ত অনুষ্ঠানত বড়ো-কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰী উপস্থিত থাকি বড়ো জনগোষ্ঠীৰ লোক-সংস্কৃতি, পৰম্পৰা আৰু বৈশিষ্ট্যৰ ওপৰত আলোকপাত কৰি এক সাৰুৱা ভাষণ প্ৰদান কৰে। তেওঁ নিজৰ ভাষণত সকলো জাতি-জনগোষ্ঠীৰ মাজত মিলাপ্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰখাৰ আহ্বান জনায়। উল্লেখ্য যে, পৰম্পৰাগত বাগৰুম্বা বাদ্য-নৃত্য আৰু উলহ-মালহেৰে জয়ন্তীপুৰৰ এই বৈসাগু উৎসৱে সমগ্ৰ অঞ্চলটোতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে।

দুধনৈত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১৬৫ সংখ্যক ৰবীন্দ্ৰ জন্ম জয়ন্তীৰ শুভাৰম্ভ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৯ মে’ ঃ সমগ্ৰ ৰাজ্যৰ লগতে আজি গোৱালপাৰা জিলাৰ দুধনৈতো অতি উৎসাহ-উদ্দীপনাৰে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৫ সংখ্যক জন্ম জয়ন্তী উদযাপন কৰা হৈছে। ৩৭ সংখ্যক দুধনৈ ৰবীন্দ্ৰ জন্ম জয়ন্তী উদযাপন সমিতিৰ উদ্যোগত স্থানীয় জনমন্দিৰ প্ৰাংগণত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ আৰম্ভণি ঘটে। কাৰ্যসূচী অনুসৰি আজি ৰাতিপুৱা উদ্‌যাপন সমিতিৰ সভাপতি ৰতন ৰায়ে(টিংকু) পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতেই এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু অসমৰ জনপ্ৰিয় শিল্পী, হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। কবিগুৰুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে দুধনৈ ব্যৱসায়ী সন্থাৰ সভাপতি উদয় কুমাৰ ৰাভাই। আনহাতে, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে দুধনৈ উন্নয়ন কমিটিৰ সম্পাদক প্ৰেমচান্দ বসুমতাৰীয়ে। দুয়ো গৰাকী ব্যক্তিয়ে কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বিষয়ে বক্তব্য দিয়ে। তাৰ পিচতেই অনুষ্ঠানত উপস্থিত থকা উদ্‌যাপন সমিতিৰ উপদেষ্টা সমন্বিতে বিষয়ববীয়া তথা আমন্ত্ৰিত নিমন্ত্ৰিত ব্যক্তি সকলক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰিও দিনৰ ভাগত দুধনৈৰ কেবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। চিত্ৰাংকণ প্ৰতিযোগিতাৰ গ্ৰুপ “এ”ত প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে বুদ্ধিপ্ত উপাধ্যায়, তীৰ্থংকৰ গোৰ্খা আৰু তনুস্কা বসাকে। আনহাতে গ্ৰুপ “বি”ত ক্ৰমে হিয়ামনি ৰাভা, ৰুহাই কলিতা আৰু নীলাক্ষী দত্তই। গ্ৰুপ “চি”ত ক্ৰমে পিয়ুশ ৰায়, মৈত্ৰী ৰায় আৰু ত্ৰিশ্ৰোতা লিপ শৰ্মাই। ইয়াৰ উপৰিও প্ৰশ্নবান প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে সুস্মিতা সাহা, বেৰিয়াল ৰায়, নায়না গয়াৰী আৰু দিতি ৰাভাই। দ্বীতীয় স্থান লাভ কৰে তেজস্বীনি শৰ্মা, ৰুপান্বিতা ৰাজবংশী, মাইনাওশ্ৰী বসুমতাৰী আৰু জন্নত আফ্ৰিদী আহমেদে। আনহাতে তৃতীয় স্থান লাভ কৰে অৰ্ণপ দে, অৰ্ণব চক্ৰৱৰ্তী, বাৰুজ্যোতি ৰাভা আৰু যোগৰাজ শৰ্মাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি সন্ধিয়ালৈ ১৬৫গছি বন্তি প্ৰজ্জ্বলন আৰু নিশা ‘তপন দাস সোঁৱৰণি বিচিত্ৰানুষ্ঠান’ৰ মঞ্চত স্থানীয় শিল্পীসকলে গীত-মাত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। উদ্‌যাপন সমিতিয়ে জনোৱা মতে, কাইলৈ দ্বিতীয় দিনৰ কাৰ্যসূচীত এক বিশেষ সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে। এইসাংস্কৃতিক সন্ধিয়াত সংগীত পৰিৱেশন কৰিব জনপ্ৰিয় ‘ছা-ৰে-গা-মা-পা’ খ্যাত শিল্পী অংকনা দে, বিশিষ্ট কণ্ঠশিল্পী শেখৰ চক্ৰৱৰ্তী আৰু মিঃ সুমনে। দুধনৈ জনমন্দিৰ প্ৰাংগণত আয়োজিত এই অনুষ্ঠানক লৈ এতিয়া সমগ্ৰ অঞ্চলটোতে এক উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

দেৱী চৰণ মহাবিদ্যালয়ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৫ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন

অসম বাৰ্তা, যোৰহাট, ৯ মে’ ঃ অসমৰ নাৰী শিক্ষাৰ অন্যতম শ্ৰেষ্ঠ শিক্ষানুষ্ঠান যোৰহাট দেৱী চৰণ কন্যা মহাবিদ্যালয়ৰ বাংলা আৰু দৰ্শন বিভাগৰ যৌথ উদ্যোগত ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৫ সংখ্যক জন্ম জয়ন্তী ছাত্ৰী আৰু বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলৰ উপস্থিতিত উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ধীৰেন তামোলীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে বাংলা বিভাগৰ ছাত্ৰী ক্ৰমে মামন দত্ত, দীক্ষিত ভৌমিক, ৰশ্মি দাস আৰু স্নিগ্ধা ঘোষে “পুৰাণো সেই দিনৰ কথা” সমবেতভাৱে পৰিবেশন কৰে। সমবেত সংগীতৰ পিছত সাংস্কৃতিক কৰ্মী গৌতম হাজৰাই কয় যে, ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম জয়ন্তী কেৱল বছৰত এবাৰ উদযাপনৰ মাজতে সীমাবদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ গল্প, কবিতা, নাটক আদি অধ্যয়ন কৰি অধিকভাৱে জানিবলৈ চেষ্টা কৰা উচিত। অনুষ্ঠানত অসমৰ বিশিষ্ট বুদ্ধিজীৱী তথা মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত দৰ্শন বিভাগৰ অধ্যাপক ডঃ পদ্মলোচন দাসে ৰবীন্দ্ৰনাথ ঠাকুৰৰ নিঃস্বাৰ্থ দেশপ্ৰেম, বিশ্বৰ বিভিন্ন দেশ ভ্ৰমণৰ জৰিয়তে পৃথিৱীক জানিবলৈ কৰা প্ৰচেষ্টা আৰু শিক্ষাৰ প্ৰসাৰত তেওঁৰ অৱদান শ্ৰদ্ধাৰে স্মৰণ কৰে। আনহাতে, মহাবিদ্যালয়ৰ বাংলা বিভাগৰ অধ্যাপক ডঃ প্ৰদীপ সৰকাৰে নাৰী শিক্ষা আৰু নাৰী স্বাধীনতাৰ সপক্ষে ৰচিত গল্পসমূহৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰী স্নিগ্ধা ঘোষ আৰু মামন দত্তৰ ৰবীন্দ্ৰ সংগীত, সৃষ্টি চৌধুৰী আৰু স্নিগ্ধা ঘোষৰ নৃত্য, দীক্ষিত ভৌমিক আৰু ৰশ্মি দাসৰ কবিতা আবৃত্তি আৰু ইংৰাজী বিভাগৰ অধ্যাপিকা নন্দিতা মজুমদাৰৰ “এবাৰ তোৰ মৰা গাঙে বান এচেছে” পৰিবেশনে অনুষ্ঠানটো অধিক প্ৰাণৱন্ত কৰি তোলে। বাংলা বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা গৌৰী ভট্টাচাৰ্যৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানটোৰ অন্তত দৰ্শন বিভাগৰ অধ্যাপিকা মুৰুৱী অধ্যাপিকা বন্ধা গগৈয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

জাঁজী হেমনাথ শৰ্মা মহা-বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ “অভিযাত্ৰী” উন্মোচন

অসম বাৰ্তা, জাঁজী, ৯ মে’ ঃ শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত কালি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ “ অভিযাত্ৰী” উন্মোচন কৰা হয়। ২০২৪ -২৫ বৰ্ষ ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চিত্ৰৰঞ্জন সন্দিকৈয়ে আতধৰা অনুষ্ঠানটো মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। আনহাতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা আমন্ত্ৰিত অতিথিৰ লগতে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ উপস্থিত থাকে। সমান্তৰাভাৱে অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি আমন্ত্ৰিত অতিথি আৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষা আৰু আলোচনী সম্পাদকৰ উপদেষ্টাক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। ইয়াৰ পাছতেই মহাবিদ্যালয়ৰ অধ্যক্ষই চমু বক্তব্য দাঙি ধৰে। ইয়াৰোপৰি জ্যোতিপ্ৰসাদ গগৈয়ে আনুষ্ঠানিকভাৱে মুখপত্ৰ খনি উন্মোচন কৰি তেওঁ নিজৰ ভাষণ আগবঢ়ায় সকলোকে উৎসাহিত কৰে। অভিযাত্ৰী মুখপত্ৰখনিৰ সম্পাদক অংকুৰ শইকীয়াই সম্পাদনা ক্ষেত্ৰত অৰ্জন কৰা অভিজ্ঞতা ব্যক্ত কৰি অভিযাত্ৰীৰ সমূহ লেখক-লেখিকা আৰু সম্পাদনাৰ সমিতিৰ সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চিত্ৰৰঞ্জন সন্দিকৈয়ে সকলো উপস্থিত ব্যক্তিকে ধন্যবাদ জ্ঞাপন কৰি শলাগৰ শৰাইৰে আৰু এক সুন্দৰ আৰু শিক্ষামূলক পৰিৱেশৰ মাজেৰে অনুষ্ঠানটোৰ সফল ভাৱে সামৰণি মাৰে।

হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি স্থাপনৰ আধাৰশিলা স্থাপন

জয় জুবিন দা ধ্বনিৰে মুখৰিত হ’ল গহপুৰ সমজিলাৰ গমিৰি চেণ্টাৰ

অসম বাৰ্তা, গহপুৰ, ৯ মে’ ঃ গহপুৰ সমজিলাৰ গমিৰি অঞ্চলৰ প্ৰাণকেন্দ্ৰ গমিৰি চেণ্টাৰত সদৌ গমিৰি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত স্থাপন কৰা হ’ব অসমীয়াৰ হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ পূৰ্ণংগ প্ৰতিমূৰ্তি। গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আদৰণী তোৰণৰ সমীপতে জনপ্ৰিয় শিল্পী গৰাকীৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ যাৱতীয় প্ৰস্তুতি ইতিমধ্যে আৰম্ভ কৰিছে সদৌ গমিৰি ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে। এই উপলক্ষে জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপন কৰা স্থানত আজি ভূমিপুজন আৰু আধাৰশিলা স্থাপনৰ মাংগলিক ৰীতি নীতি সম্পাদন কৰা হয়। গমিৰি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক উদয় নাৰায়ণ গৌতমে বন্তী প্ৰজ্বলনৰে শুভাৰম্ভ কৰা অনুষ্ঠান ভাগত ভূমিপুজন কৰে প্ৰতিমূৰ্তি স্থাপনৰ নিৰ্মাণস্থলীৰ দাতা অশ্বিনী ৰয়ে। পুৰোহিতৰ মন্ত্ৰোচাৰণৰ মংগল ধ্বনি আৰু আয়তীৰ উৰুলিৰ মাজেৰে প্ৰতিমূৰ্তি স্থাপনস্থলীৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে ক্ৰমে গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ গগৈ, সদৌ গমিৰি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভানেত্ৰী ৰেণু ভড়ালী, ২৮ সংখ্যক সদৌ গমিৰি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ কাৰ্যকৰি সভাপতি পংকজ বৰুৱা, সম্পাদক দীপ গগৈকে ধৰি অন্যান্য বিষয়ববীয়া সদস্য সকলে। উক্ত কাৰ্যসূচীৰ পূৰ্বে গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰা ২৮সংখ্যক সদৌ গমিৰি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ পতাকা উত্তোলন কৰা হয়। ২৮ সংখ্যক সদৌ গমিৰি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সম্পাদক দীপ গগৈয়ে পতাকা উত্তোলনৰ বেদীত বন্তী প্ৰজ্বলন কৰাৰ পাছতে পতাকা উত্তোলন কৰে ২৮ সংখ্যক সদৌ গমিৰি কেন্দ্ৰীয় ৰঙালী বিহু উদযাপন সমিতিৰ সভানেত্ৰী ৰীণা দুৱৰাই। সদৌ গমিৰি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত নিৰ্মাণ কৰা জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি ভাগ অহা ৫ জুনত আনুষ্ঠানিকভাৱে মুকলি কৰা হ’ব বুলি জানিব দিয়ে উদ্‌যাপন সমিতিয়ে।

ওদালগুৰি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰমেশ ৰামচিয়াৰীক বিদায় সম্বৰ্ধনা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৯ মে’ ঃ ওদালগুৰি প্ৰাথমিক শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষা বিষয়া ৰমেশ ৰামচিয়াৰীক যোৱা ৬ মে’ত বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ত অনুষ্ঠিত এক বিদায় সভাত বিপুলভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক পৰাগ কুমাৰ শৰ্মাই আঁত ধৰা আৰু ওদালগুৰি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক সুজিত বসুমতাৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা এই সভাত সভাপতিত্ব কৰে ওদালগুৰি জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি গোবিন্দ দৈমাৰীয়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ওদালগুৰি জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে বিদায়ী শিক্ষা বিষয়াগৰাকীক এগৰাকী দায়িত্বশীল বিষয়া বুলি অভিহিত কৰে আৰু তেওঁৰ কৰ্মকুশলতাৰ শলাগ লয়। বিদ্যালয়সমূহৰ অৱসৰপ্ৰাপ্ত উপপৰিদৰ্শক অশ্বিনী কুমাৰ বড়োৱে বিশিষ্ট অতিথিৰ ভাষণত বিদায়ী বিষয়াগৰাকীৰ সৈতে অতিবাহিত কৰা দীঘলীয়া চাকৰি জীৱনৰ স্মৃতি ৰোমন্থন কৰে। উল্লেখ্য যে, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে ওদালগুৰি শিক্ষা খণ্ডত যোৱা ২০২৪ চনৰ ১৫ ফেব্ৰুৱাৰীৰ পৰা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পদত কাৰ্যনিৰ্বাহ কৰি আছিল। ইয়াৰ বাহিৰেও তেওঁ ২০২৫ ৰ ৩১ ডিচেম্বৰৰ পৰা বিদ্যালয়সমূহৰ উপ পৰিদৰ্শকৰ অতিৰিক্ত দায়িত্ব সম্পাদন কৰিছিল। মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক হেমচন্দ্ৰ খাখ্‌লাৰীৰ দলে পৰিৱেশন কৰা আৰম্ভণি গীতেৰে আৰম্ভ হোৱা সভাৰ মাজতে শিক্ষক মধু পাটোৱাৰীয়ে এটি গীত পৰিৱেশন কৰে। পদোন্নতিসহ বদলি লাভ কৰা বিদায়ী শিক্ষা বিষয়াগৰাকীক খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ওদালগুৰি তথা খণ্ড মিচন সমন্বয়ক কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দ, ওদালগুৰি মিচন সমন্বয়ক কাৰ্যালয়ৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়কবৃন্দ, ওদালগুৰি জিলা অধিবিদ্যা পৰিষদ, বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু কৰ্মচাৰীবৃন্দ, জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দ, জিলা মিচন সমন্বয়ক কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীবৃন্দ, ওদালগুৰি জিলা বড়ো সাহিত্য সভা, ওদালগুৰি জিলা বড়ো প্ৰাইমাৰী শিক্ষক সন্থা, ওদালগুৰি মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী, ওদালগুৰি জিলা মধ্য ইংৰাজী শিক্ষক সন্থা, মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থা, ওদালগুৰি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান চমুকৈ ‘ডায়েট’, কাজিয়ামাটি প্ৰাথমিক শিক্ষক কেন্দ্ৰ, ওদালগুৰি মহকুমা অৱসৰপ্ৰাপ্ত শিক্ষক সন্থা আদিয়ে গামোচা, আৰনাই, শৰাই, বিদায় সম্বৰ্ধনা পত্ৰ, ফুলৰ তোৰা, কিতাপৰ টোপোলা আৰু বিভিন্ন সামগ্ৰী যাচি বিদায় জনায়। সম্বৰ্ধনাৰ উত্তৰত তেওঁ মহাবিদ্যালয়ৰ অধ্যাপকৰ পৰা ক্ৰমে সহকাৰী পৰিদৰ্শক, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আৰু শেষত উপ পৰিদৰ্শক পদলৈ উন্নীত হোৱাৰ বিভিন্ন কৰ্মৰাজি তথা মধুৰ স্মৃতিৰ উল্লেখ কৰে। ওদালগুৰিত থকা কালত বিভিন্ন বিষয়া-কৰ্মচাৰী, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক, গাণনিক, সমন্বিত শিক্ষাৰ সমল ব্যক্তি তথা বিদ্যালডসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ পৰা লাভ কৰা সহযোগিতাৰ ভূয়সী প্ৰশংসা কৰে। সভাৰ শেষত শলাগ জ্ঞাপন কৰে দিগন্ত বৰদলৈয়ে।

মাজুলী বৰটানী গাঁৱৰ কানকুৰিকা উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ আয়োজন; কাৰ্যসূচী প্ৰকাশ

অসম বাৰ্তা, উজনী মাজুলী, ৮ মে’ ঃ মাজুলীৰ শৈক্ষিক জগতৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান বৰটানী গাঁৱৰ কানকুৰিকা উচ্চ মাধ্যমিক বিদ্যালয়ে গৌৰৱোজ্জ্বল ৭৫ বছৰ অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। এই ঐতিহাসিক ক্ষণক স্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে অহা ৩০ আৰু ৩১ মে দুদিনীয়া কাৰ্যসূচীৰে বিদ্যালয়খনিৰ প্ৰাংগণত অতি উলহ-মালহেৰে মহাৰজত জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা এই উৎসৱত পৰিৱেশ নিকাকৰণ, স্মৃতি তৰ্পণ, সাংস্কৃতিক শোভাযাত্ৰা আৰু বিভিন্ন আলোচনা চক্ৰ অনুষ্ঠিত হ’ব। বিশেষকৈ, বিদ্যালয়খনৰ আৰম্ভণি কালৰ পৰা বৰ্তমানলৈকে শিক্ষা গ্ৰহণ কৰি দেশ-বিদেশৰ বিভিন্ন প্ৰান্তত কৰ্মৰত হৈ থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পুনৰ মিলন এই অনুষ্ঠানৰ মূল আকৰ্ষণ হ’ব। প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহ আয়োজক সমিতিৰ সভাপতি দীপু বৰা, সম্পাদক উদীপ্ত হাজৰিকাই এক প্ৰেছ বিবৃতিৰ জৰিয়তে সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীকে এই জয়ন্তীৰ সৈতে জড়িত হ’বলৈ অনুৰোধ জনাইছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে এতিয়ালৈকে উদযাপন সমিতিৰ সৈতে যোগাযোগ কৰা নাই বা নাম পঞ্জীয়ন কৰা নাই, তেওঁলোকক অতি সোনকালে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। এই মহাৰজত জয়ন্তীৰ জৰিয়তে সমাজলৈ একগোট হৈ বিদ্যালয়খনৰ ভৱিষ্যৎ উন্নয়নৰ বাবে এক নতুন গতি দিব বিচৰা হৈছে। সেয়েহে প্ৰতিগৰাকী প্ৰাক্তন শিক্ষাৰ্থীৰ উপস্থিতি আৰু সহযোগিতা উদযাপন সমিতিয়ে কামনা কৰিছে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে পঞ্জীয়নৰ বাবে বিদ্যালয় কৰ্তৃপক্ষ অথবা উদযাপন সমিতিৰ নিৰ্ধাৰিত সদস্যসকলৰ সৈতে পোনপটীয়াকৈ বা ৭০০২৫৩৩৩২২ দূৰভাষৰ জৰিয়তে যোগাযোগ কৰিব পাৰিব। এই দিৱসৰ সাফল্যৰ বাবে সমূহ মাজুলীবাসী তথা শুভাকাংক্ষীৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে উদযাপন সমিতিয়ে কামনা কৰিছে। ইফালে বিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ সামৰণি সমাৰোহৰ বাবে যুগুত কৰা কাৰ্যসূচী আজি বিদ্যালয়ৰ চৌহদত শিক্ষক কৰ্মচাৰী সকলৰ উপস্থিতিত আনুষ্ঠানিকভাৱে মুকলি কৰে পৰিচালনা সমিতিৰ সভাপতি জগত হাজৰিকাই। কাৰ্যসূচী অনুসৰি ৩০ মে, ২০২৬ শনিবাৰে পুৱা ৭-০০ বজাত গছ পুলি ৰোপণ কৰিব সেউজ মিত্ৰ অতুল হাজৰিকাই, পুৱা ৮-০০ বজাত পতাকা উত্তোলন কৰিব কানকুৰিকা উচ্চ বুনিয়াদী বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি অবসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই। পুৱা ৯-০০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰূপেশ্বৰ বৰা আৰু প্ৰধান সম্পাদক জগত হাজৰিকা আৰু প্ৰধান শিক্ষক অৰুণ হাজৰিকাই। পুৱা ১০-০০ বজাত প্ৰাক্তন ছাত্ৰ হেমন্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত হ’ব লগীয়া ছাত্ৰ-ছাত্ৰী সমাবেশখনৰ প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট সাংবাদিক ৰবীন ভূঞাই উদ্বোধন কৰিব। সভাত নিৰ্দিষ্ট বক্তা ৰূপে প্ৰাক্তন ছাত্ৰী তথা জেষ্ঠ অধ্যাপক মৌচুমী বৰুৱা উপস্থিত থাকিব। বিশিষ্ট অতিথি হিচাপে প্ৰাক্তন ছাত্ৰ অজয় মিলি, কোষেশ্বৰ বৰা, অঞ্জুমণি হাজৰিকা, কোষ বৰা, বিষ্ণু বৰা উপস্থিত থাকিব। সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ’ব লগীয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কানকুৰিকা উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক ধীৰেন্দ্ৰ নাথ বৰাই। ৩১ মে’, ২০২৬ দেওবাৰে পুৱা ৯-০০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দদেৱ গোস্বামীয়ে। পুৱা ১১বজাৰ পৰা অনুষ্ঠিত হ’ব মুকলি সভা। মুকলি সভা সভাপতিত্ব কৰিব উদযাপন সমিতিৰ সভাপতি সৰ্বেশ্বৰ হাজৰিকাই। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে নিৰ্দিষ্ট বক্তা ৰূপে অংশগ্ৰহণ কৰিব লগা মুকলি সভা উদ্বোধন কৰিব বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী, বিশিষ্ট উপন্যাসিক জুৰি বৰা বৰগোহাঞিয়ে। সভাত মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। সভাত সম্মানীয় অতিথি হিচাপে মাজুলীৰ বিধায়ক ভুবন গাম, জিলা আয়ুক্ত সৃষ্টি সিংহ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন এক উপস্থিত থাকিব। সন্ধিয়া ৭-৩০ বজাৰ পৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ’ব।

লখিমপুৰ-ধেমাজিৰ ৬০০ কৃষকক ৰঞ্জিত ধানৰ সঁচ বিতৰণ

অসম বাৰ্তা, লীলাবাৰী, ৮ মে’ ঃ ‘কাৰিটাছ ইণ্ডিয়া’ শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থাৰ উদ্যোগত লখিমপুৰ জিলাৰ নৱগঠিত ৰঙানদী বিধানসভা সমষ্টি আৰু ধেমাজি জিলাৰ মাছখোৱা অঞ্চলৰ কৃষকসকলক লৈ জলবায়ু পৰিৱৰ্তনৰ সৈতে সাদৃশ্যপূৰ্ণ অৰ্থাৎ আনুষংগিক কৃষি কাৰ্য কৰাৰ প্ৰণালী সন্দৰ্ভত বিগত সময়চোৱাত কেইবাখনো প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। প্ৰশিক্ষণ কেইটাত লখিমপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী আৰু লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ চিকিৎসক তথা অধ্যাপক সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংস্থাটিৰ ‘সৰল’ আঁচনিৰ অধীনত লখিমপুৰ জিলাৰ ডিজু গাঁও পঞ্চায়তৰ পাঁচখন গাঁও আৰু ধেমাজি জিলাৰ পাঁচখন গাঁৱৰ কৃষকসকলক সামৰি কৃষি কাৰ্য কৰাৰ ক্ষেত্ৰত ল’বলগীয়া সাৱধানতা, জলবায়ু পৰিৱৰ্তন অনুসৰি বানপীড়িত আৰু খৰাং অঞ্চলত কৃষকৰ সমস্যা, বানপানীৰ সৈতে কৃষকসকলে কেনেধৰণৰ সহ-অৱস্থান কৰিব আৰু বিজ্ঞানসন্মত কৃষি প্ৰযুক্তিৰ প্ৰয়োগেৰে জীৱনধাৰণৰ মানদণ্ড কেনেকৈ উন্নত কৰিব পাৰি, সেই সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা হৈছিল। সেই প্ৰশিক্ষণৰ অংশ স্বৰূপে যোৱা ২, ৩, ৬ আৰু ৭ মে’ত বেচৰকাৰী সংস্থাটোৰ বিষয়ববীয়াসৱ আঞ্চলিক ভিত্তিকী আৰু গাব্ৰিয়েল চাণ্ডিগুৱীয়াই লখিমপুৰ জিলাৰ ভৰলোৱা, কুঁহিয়াবাৰী, ১৩/১০ নং গ্ৰাণ্ট ডিজু, ১ নং পাঁচনৈ আৰু ২ নং পাঁচনৈ গাঁৱৰ ৩৫০জন আৰু ধেমাজি জিলাৰ মাছখোৱা অঞ্চলৰ গেৰুৱাই, উজনিমিৰি, ভলুকাগুৰি, চিছিমুখ আৰু বাহিৰজানমিচোক গাঁৱৰ ২৪৩জন সন্তাবনাময় কৃষকক ৰঞ্জিত ধানৰ বীজ বিনামূলীয়াকৈ প্ৰদান কৰে। আন্তঃৰাষ্ট্ৰীয় সংস্থাটিয়ে কৃষকসকলক কৃষি কাৰ্যৰ ক্ষেত্ৰত সজাগ কৰাৰ সমান্তৰালকৈ কৃষকসকলক স্বাৱলম্বী কৰোৱাৰ এই পদক্ষেপক কৃষক ৰাইজে শলাগ লৈছে।

টংলা ভেটেৰান্স এছ’চিয়েচনৰ উদ্যোগ

প্ৰাক্তন সৈনিকৰ পৰিয়ালৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ৮ মে’ ঃ ওদালগুৰি জিলাৰ টংলা ভেটেৰান্স এছ’চিয়েচনে বৃহত্তৰ টংলা অঞ্চলৰ প্ৰাক্তন সৈনিকসকলৰ পৰিয়ালৰ ২৩ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক আজি টংলাস্থিত নিজস্ব কাৰ্যালয়ত আনুষ্ঠানিকভাৱে অভিনন্দন জনায়। চেবা বোৰ্ডৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ক্ৰমে প্ৰথমজ্যোতি ডেকা(৯২ শতাংশ), মুনমী শৰ্মা(৮৯ শতাংশ), অনামিকা বড়ো(৮৭.৬ শতাংশ), দীপজ্যোতি শৰ্মা(৭০ শতাংশ), মিৰাজ বসুমতাৰী(৭৮.১৬ শতাংশ)। চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰেৰণা বড়ো(৬৮.২ শতাংশ), মহিমা এছ মাৰাক(৬৪.৭ শতাংশ), আৰু গৌৰৱজ্যোতি বড়ো(৮৯ শতাংশ), বিবেক থাপা(৮৭.১৬ শতাংশ)। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ক্ৰমে বিজ্ঞান শাখাৰ অংকিতা শৰ্মা(৯৫ শতাংশ), ৰিয়া বড়ো(৭৯ শতাংশ), অনুজ কুমাৰ ৰাভা(৮৫.৪ শতাংশ), ৰশ্মি বসুমতাৰী(৬৮.৪ শতাংশ), ধীৰাজ মগৰ(৬৯.৮ শতাংশ), মৃণ্ময় বৰ্মন(৯৩.৮ শতাংশ), নিহাৰিকা ৰাভা(৬৯.২ শতাংশ), বিম্পী বৰুৱা(৭৬.৬ শতাংশ), বয়নজ্যোতি ৰাভা(৮২ শতাংশ), হীৰকজ্যোতি শৰ্মা(৬০ শতাংশ)। উচ্চতৰ মাধ্যমিক কলা শাখাত শিল্পা বড়ো(৭১ শতাংশ), ডলিমা ৰাভা(৬৮.৪ শতাংশ), দেৱাশিস ডেকা(৭১.৪ শতাংশ)। বাণিজ্য শাখাত গৌৰৱ ৰাভা(৭০.৪ শতাংশ).. মন্দীপ কছাৰী(৬৬ শতাংশ)সহ মুঠ ২৩ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ফুলৰ তোৰা আৰু ফুলাম গামোছাৰে খালিংদুৱাৰ সমষ্টিৰ টি এল চি চিৰ অধ্যক্ষ ৰঞ্জিত বড়োৱে আনুষ্ঠানিকভাৱে অভিনন্দন জনায়। টংলা ভেটেৰান্স এছ’চিয়েচনৰ সভাপতি সিদ্ধিৰাম নাথৰ সঞ্চালনাত অনুষ্ঠিত আৰু সম্পাদক হৰেশ্বৰ বড়োৰে আঁত ধৰা অনুষ্ঠানত উপ সভাপতি পাহিৰাম বড়োকে ধৰি প্ৰাক্তন সৈনিক প্ৰদীপ শৰ্মাকে ধৰি কৃতী ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে মত বিনিময় কৰে।

‘এমবিবিএছ’ৰ চূড়ান্ত পৰীক্ষাত ৭৬ সংখ্যক স্থান লাভ জাঁজীৰ মেধাৱী ছাত্ৰী অংকিতাৰ

অসম বাৰ্তা, জাঁজী, ৮ মে’ ঃ সদ্যঘোষিত এম বি বি এছ চূড়ান্ত পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে ৭৬ সংখ্যক স্থান লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে জাঁজী ঢেকিয়াল ডিব্ৰুৱাল গাঁও নিবাসী জয়ন্ত গগৈ আৰু মুনমী কোঁৱৰ গগৈৰ জ্যেষ্ঠ কন্যা অংকিতা গগৈয়ে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰী অংকিতা সৰুৰে পৰাই মেধাৱী আছিল। জাঁজী চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু নিকেতনত হাইস্কুলীয়া শিক্ষা লোৱা অংকিতাই ২০১৮ চনত ডিষ্টিংচনসহ ৯৪ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু জাঁজী কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পোৱাৰ বাবে ডিম্বেশ্বৰ গগৈ সোঁৱৰণি বঁটা আৰু ছাত্ৰীৰ ভিতৰতো সৰ্বোচ্চ নম্বৰৰ বাবে অনিমা বৰঠাকুৰ সোঁৱৰণি বঁটা লাভ কৰিছিল। ২০২০ চনত তিতাবৰ প্ৰাগজ্যোতিকা কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা ডিষ্টিংচনসহ বিজ্ঞান শাখাত ৯০.৮ শতাংশ নম্বৰ লাভ কৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নিজ পাৰদৰ্শিতাৰে নাম ভৰ্তি কৰিবলৈ সক্ষম হয়। ছবি আঁকি ভাল পোৱা মেধাৱী ছাত্ৰীগৰাকীয়ে বৈষয়িক কিতাপ অধ্যয়নৰ মাজতে অসমীয়া উপন্যাস পঢ়ে। ভৱিষ্যতে এগৰাকী স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ হোৱাৰ লক্ষ্য লোৱা অংকিতাই নিজ গ্ৰাম্য অঞ্চলত স্বাস্থ্য শিবিৰৰ যোগেদি গ্ৰাম্য লোকসকলৰ নিজ স্বাস্থ্যৰ প্ৰতি সজাগ সচেতন কৰাৰ সপোন লৈছে। প্ৰসংগক্ৰমে তেওঁ উচ্চ শিক্ষাৰ ক্ষেত্ৰত ভাষাৰ মাধ্যম কেতিয়াও হেঙাৰ হ’ব নোৱাৰে বুলি উল্লেখ কৰে। অংকিতাৰ এই সাফল্যৰ বাবে জাঁজী প্ৰেছ ক্লাব, স্থানীয় নামঘৰ সমাজ আৰু বিভিন্ন অনুষ্ঠান, ব্যক্তিয়ে তেওঁক অভিনন্দন জ্ঞাপন কৰে।

স্বাস্থ্যসন্মত খাদ্যাভ্যাস গঢ়ি তোলাৰ বাবে অভিভাৱকলৈ আহ্বান

অভয়াপুৰীৰ এছিয়ান কিডছ্ ইংলিছ স্কুলে বিদ্যালয়ত নিষিদ্ধ কৰিলে জাংক ফুড

অসম বাৰ্তা, লেংটিছিঙা, ৮ মে’ ঃ বিদ্যালয় চৌহদৰ ভিতৰত পেকেটত ভৰোৱা জাংক ফুড তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ কঠোৰভাৱে নিষিদ্ধ কৰাৰ সিদ্ধান্ত লৈছে অভয়াপুৰীৰ আগশাৰীৰ শিশুকেন্দ্ৰিক বিদ্যালয় এছিয়ান কিডছ ইংলিছ স্কুলে। ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য সুৰক্ষা আৰু সুস্থ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয় কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। বিদ্যালয়ৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক চিপচ, পেকেটত ভৰোৱা জলপান, শীতল পানীয়, এনাৰ্জি ড্ৰিংকছ, অতিমাত্ৰাৰ চকলেট আৰু মিঠাই, নুডলছ, লগতে যিকোনো ধৰণৰ বাহিৰৰ ফাষ্ট ফুড আদি বিদ্যালয়লৈ নানিবলৈ নিৰ্দেশনা জাৰি কৰি এই ধৰণৰ খাদ্য সেৱন নকৰিবলৈ অনুৰোধ জনাই অভিভাৱক সকলক সন্তানৰ টিফিনত কেৱল সতেজ ঘৰত বনোৱা খাদ্য, ফলমূল, স্বাস্থ্যকৰ খাদ্য আৰু পৰিষ্কাৰ খোৱাপানী প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। বিদ্যালয় কৰ্তৃপক্ষৰ মতে, পূৰ্বৰ পৰাই বিদ্যালয়খনত স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন নিৰ্দেশনা জাৰি হৈ আছিল যদিও কিছু অভিভাৱকে বিষয়টোত শিথিলতা অৱলম্বন কৰি আছিল। কিন্তু কালি কাছাৰৰ কাটিগৰাত ঘটিত মৰ্মান্তিক ঘটনাৰ পিছত এই সিদ্ধান্ত ল’বলৈ বাধ্য হৈছে। কৰ্তৃপক্ষই উল্লেখ কৰে যে শিশুসকলৰ শৈক্ষিক, শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে স্বাস্থ্যসন্মত খাদ্যাভ্যাস অতি প্ৰয়োজনীয়। সেয়ে বিদ্যালয়খনক নিৰাপদ, সুস্থ আৰু স্বাস্থ্যকৰ পৰিৱেশ অটুট ৰাখিবলৈ খাদ্য সম্পৰ্কীয় সকলো নিয়ম কঠোৰভাৱে বলবৎ কৰা হ’ব।

নাহৰকটীয়াত দিন দুপৰতে ঘৰৰ ভিতৰত চোৰ সোমাই মূল্যবান সামগ্ৰী লৈ উধাও

অসম বাৰ্তা, নাহৰকটীয়া, ৮ মে’ ঃ নাহৰকটীয়াত দিনক দিনে বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। চোৰৰ উপদ্ৰৱৰ বাবে ত্ৰাহি মধুসূদন দেখিব লগাত পৰিছে সাধাৰণ ৰাইজ। কালি নাহৰকটীয়াৰ দিঘলপথাৰ গাঁৱৰ নিবাসী তথা নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যাপক তৰুণ জ্যোতি গগৈৰ গৃহত দিনতে ঘৰৰ ভিতৰত চুৰ সোমাই কিছুমান মূল্যবান সামগ্ৰী লৈ যায়। জানিব পৰা মতে পৰিয়ালটোৰ দুই মূল ব্যক্তি দুয়োজন কৰ্মসূত্ৰে শিক্ষকতা কৰে আৰু আইন দিনৰ দৰে কালিও নিজ নিজ চাকৰিলৈ পুৱাই ওলাই যায়। অধ্যাপক জনৰ ভনীয়েক এগৰাকী সেই সময়ত ঘৰত আছিল যদিও শাকনি বাৰীত শাক বুটলি থকা অৱস্থাতে ঘৰত চুৰ সোমাই ৰান্ধনী শালৰ পৰা চিঙ্কিয়েকৈ কাঁহৰ কাঁহী, দুখন ডাঙৰ শৰাই আৰু কিছু সামগ্ৰী লৈ চোৰ উধাও হয়। ঘৰত চোৰ সোমোৱাৰ খবৰ লাভ কৰি ওচৰ চুবুৰীয়া সেই স্থানত উপস্থিত হয় আৰু চোৰৰ সন্ধান কৰোঁতে কাষৰ এখন বাৰীত চোৰে অন্য লোকৰ পৰা চুৰি কৰি আনি পেলাই থৈ যোৱা চাইকেল উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত নাহৰকটীয়া আৰক্ষীক এখন এজাহাৰ দাখিল কৰা হৈছে আৰু আৰক্ষীয়ে চোৰৰ সন্ধানত অভিযান চলাইছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে কেইটামান গতাইত চোৰ বৰ্তমানে কাৰাগাৰত আছে যদিও একেটা গেঙৰে আৰু দুটামান চোৰ বৰ্তমানে পলাতক অৱস্থাত আছে। ঘৰত গৃহস্থ থকা অৱস্থাতে ঘৰৰ ভিতৰত চোৰ সোমাই সামগ্ৰী লুট কৰি নিয়া কাৰ্যই স্থানীয় ৰাইজ নিৰাপত্তাহীনতাত ভুগিছে। আৰক্ষীয়ে শীঘ্ৰে এই চুৰি কাৰ্য কৰা চোৰক কৰায়ত্ত কৰিবৰ বাবে স্থানীয় ৰাইজে দাবী জনাইছে।

সামাজিক বনানীকৰণ, নলবাৰীৰ গছপুলি বিতৰণ; এক সেউজ পদক্ষেপ

অসম বাৰ্তা, নলবাৰী, ৮ মে’ ঃ নলবাৰী সামাজিক বনানীকৰণ বন সমন্বয় প্ৰাধিকাৰীৰ কাৰ্যালয়ে এক বিশেষ জাননীৰ জৰিয়তে, নলবাৰী জিলাৰ ডোকোহাত বিভাগীয়ভাৱে পৰিচালিত ৫ হেক্টৰ ভূমিৰ বিশাল এলেকাৰ CAMPA আঁচনিৰ অধীনত গছপুলি উৎপাদন কেন্দ্ৰ, (Nursery) নাৰ্চাৰীখনৰ পৰা বিনামূলীয়া গছপুলি বিতৰণৰ ব্যৱস্থা কৰিছে। নাৰ্চাৰীখনত বিভিন্ন প্ৰজাতিৰ মূল্যবান গছপুলি যেনে মেহগনি, শিমলু, বকুল, অৰ্জুন, ভোমোৰা, মহানিম, উৰিয়াম ইত্যাদি উপলব্ধ আছে। উল্লেখযোগ্য যে, মেহগনি গছৰ কাঠ বৰ মূল্যবান আৰু ইয়াৰ ঘৰ বনোৱাৰ লগতে বিভিন্ন কামত ব্যৱহাৰ কৰিব পাৰি। আনহাতে অৰ্জুন, ভোমোৰা, মহানিম আদি গছ হ’ল মহৌষধি আৰু বৰ্তমান সময়ছোৱা গছপুলি ৰোপণ আৰু ইয়াৰ উপযুক্ত শ্ৰীবৃদ্ধিৰ বাবে আটাইতকৈ উপযুক্ত সময়। যিকোনো সদাশয় ব্যক্তি, চৰকাৰী-বেচৰকাৰী কাৰ্যালয় তথা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে নিজৰ প্ৰয়োজন অনুযায়ী ইয়াৰ পৰা বিনামূলীয়া গছপুলি সংগ্ৰহ কৰিব পাৰিব। গছপুলি নিয়াৰ সময়ত সংশ্লিষ্ট ব্যক্তি বা অনুষ্ঠানৰ তৰফৰ পৰা এখন আবেদন পত্ৰ জমা দিবলৈ অনুৰোধ জনোৱা হৈছে। গছপুলি সংগ্ৰহ বা অধিক তথ্যৰ বাবে ফোন নম্বৰ-৬০০০৮৫৭৩৩৭/ ৯৮৬৪৫২২২৯৩ যোগাযোগ কৰিব পাৰিব।

প্ৰাক্তন সেনা জোৱানৰ পুখুৰীৰ গাৰ্ড ৱাল ভঙাৰ অভিযোগ; তদন্তৰ দাবী

গৌৰীপুৰত পথ পুনৰ নিৰ্মাণক লৈ বিতৰ্ক

অসম বাৰ্তা, গোলকগঞ্জ, ৮ মে’ ঃ ধুবুৰী জিলাৰ পূৰ্বে গৌৰীপুৰ সমষ্টিৰ বৰ্তমান গোলকগঞ্জ সমষ্টিৰ মটৈৰখাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ডি কে ৰোডৰ পৰা গোহাই কামাল আলী গড় সংযোগী পথৰ পুনৰ নিৰ্মাণ কাৰ্যক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পথ নিৰ্মাণৰ সময়ত এজন প্ৰাক্তন সেনা জোৱানৰ ব্যক্তিগত সম্পত্তিৰ ক্ষতি কৰাৰ অভিযোগ উত্থাপিত হোৱাত স্থানীয় ৰাইজৰ মাজত ব্যাপক অসন্তোষ দেখা গৈছে। অভিযোগ অনুসৰি, পথ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰে কোনো ধৰণৰ পূৰ্বে জাননী নিদিয়াকৈ প্ৰাক্তন আৰ্মি জোৱান মনিন্দ্ৰ নাথ বায়ৰ ব্যক্তিগত পুখুৰীৰ পকী গাৰ্ড ওৱাল ভাঙি পেলায়। লগতে পুখুৰীৰ কাষত প্ৰায় দহ ফুট পৰ্যন্ত জিও বেগ স্থাপন কৰা বুলিও অভিযোগ উত্থাপন হয়। এই সন্দৰ্ভত মনিন্দ্ৰ নাথ ৰায়ে কয় যে, কোনো ধৰণৰ আলোচনা বা অনুমতি নোলোৱাকৈ তেওঁৰ ব্যক্তিগত সম্পত্তিত ক্ষতি সাধন কৰা হৈছে। সেয়েহে তেওঁ জিলা প্ৰশাসনৰ ওচৰত উচিত ক্ষতিপূৰণ, ঘটনাৰ নিৰপেক্ষ তদন্ত আৰু জড়িত দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ইফালে, ঘটনাটোক লৈ স্থানীয় ৰাইজৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে। ৰাইজৰ অভিযোগ অনুসৰি, গৌৰীপুৰ সমষ্টিৰ বহু গুৰুত্বপূৰ্ণ আৰু ব্যস্ত পথ আজিও জৰাজীৰ্ণ অৱস্থাত থকাৰ পিছতো মাত্ৰ দুবছৰ পূৰ্বে নিৰ্মাণ কৰা চি চি ব্লক ৰাস্তাৰ মেৰামতিৰ বাবে ২০২৫-২৬ বৰ্ষৰ আঁচনিত প্ৰায় ১৯ লাখ টকা আবণ্টন দিয়াৰ ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। এই বিষয়ক লৈ ইতিমধ্যে স্থানীয় ৰাইজে সমজিলা কাৰ্যালয়ত লিখিত অভিযোগ দাখিল কৰিছে। ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ দাবীত অঞ্চলটো চাঞ্চল্য অব্যাহত আছে।

মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অসম বাৰ্তা, উজনী মাজুলী, ৮ মে’ ঃ মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উনবিংশতিতম প্ৰতিষ্ঠা দিৱস আজ দিনযোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। পুৱা পৰিৱেশ নিকাকৰণৰ পিছতে ৯ বজাত পতাকা উত্তোলন কৰি জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনী মাজুলীৰ সভাপতি বিপিন হাজৰিকাই জ্যেষ্ঠ নাগৰিক সংগঠনৰ তাৎপৰ্য ব্যাখ্যাকৰি জ্যেষ্ঠ সকলৰ সকলোৱে সন্মান প্ৰদৰ্শন কৰাৰ আহ্বান জনায়। প্ৰতিষ্ঠা দিৱসৰ স্মৃতি তৰ্পণ কৰি একালৰ সম্পাদক অশিতিপৰ কমল শইকীয়াই জীৱনৰ সময় সময়চোৱা অতিক্ৰম কৰি গঠনকৰা জ্যষ্ঠ নগৰিক সন্মিলনিৰ অন্তৰ্ভুক্তিৰে সেৱা আগবঢ়োৱা প্ৰয়াত সকলৰ স্মৃতিত পুষ্পমাল্য প্ৰদান কৰে। স্মৃতিতৰ্পনৰ পিছতে জিলা জ্যেষ্ঠনাগৰিক সন্মিলনৰ সভাপতি বিপিন হাজৰিকাৰ পৌৰোহিত্যত মুকলি সভা অনুষ্ঠিত হয়। জিলা সম্পাদক হৰেন্দ্ৰনাথ বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত নিৰণ শইকীয়াদেৱে জ্যেষ্ঠনাগৰিক সন্মিলনৰ সংবিধানৰ ওপৰত ব্যাখ্যা দাঙি ধৰি জ্যেষ্ঠ সকলে চৰকাৰ আৰু সমাজৰ পৰা পাব লগা সন্মান প্ৰসংগত সুদীৰ্ঘ বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানটিত মাজুলী জিলাজ্যেষ্ঠ নাগৰিক সন্মিলনৰ অন্তৰ্গত আঞ্চলিক আৰু শাখা সমূহৰ সভাপতি সম্পাদক সকলৰ উপৰি কেইবাগৰাকী বৰ্ষিয়ান ব্যক্তিক আগবস্ত্ৰৰে আদৰণি জনায়। তদুপৰি সদৌঅসম মহিলা পৰিজ্ঞাতৰ দ্বাৰা সন্মান প্ৰাপ্ত শিশুমহিয়ান লোহিত বৰা শিশুবন্ধু অশিতিপৰ ইন্দ্ৰেশ্বৰ বাৰভুঞা শিশু বন্ধু বঁটা বঁটাক সম্বৰ্ধনা জনোৱা হয়। সভাখনিত কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণকৰি বৰ্তমানৰ জ্যেষ্ঠনাগৰিক সন্মিলনৰ জিলা সমিতিখিনি সম্প্ৰসাৰণ কৰা জিলাৰ ডাঙৰীয়া প্ৰকাশ কৰাৰ বিষয়ে আলোচনা কৰা হয়। সভাখনিৰ কেইগৰাকী জ্যেষ্ঠ নাগৰিক স্বাস্থ্যৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰাৰ বাবে নিয়মিত ব্যায়াম খোৱকত সুষম আহাৰ গ্ৰহণ কৰাৰ লগতে ইজনে সিজনৰ লগত ভাৱ বিনিময় কৰাৰ পৰামৰ্শ আগবঢ়ায়।

কৃষি-কৰ্মৰে আত্মনিৰ্ভৰশীল ভকত চাপৰিৰ কেইবাজনো প্ৰগতিশীল কৃষকৰ কৃষি পাম পৰিদৰ্শন মাজুলী জিলা আয়ুক্তৰ

অসম বাৰ্তা, মাজুলী, ৮ মে’ ঃ মাজুলীৰ গ্ৰাম্য অৰ্থনীতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কৃষি খণ্ডৰ অগ্ৰগতি আৰু কৃষকসকলৰ স্থিতিৰ বৃদ্ধি লোৱাৰ উদ্দেশ্যেৰে মাজুলীৰ মাননীয়া জিলা আয়ুক্ত সৃষ্টি সিংহ, IAS এ কমলাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত ভকত চাপৰি অঞ্চলৰ কেইবাজনো প্ৰগতিশীল কৃষকৰ কৃষি পাম পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে পথাৰত উপস্থিত হৈ বিভিন্ন শাক-পাচলিৰ খেতিসমূহ প্ৰত্যক্ষ কৰাৰ লগতে কৃষকসকলৰ সৈতে পোনপটীয়া মত-বিনিময়ত মিলিত হয়। আধুনিক কৃষি পদ্ধতিৰ প্ৰয়োগ, উৎপাদিত ফচলৰ গুণগত মান আৰু বজাৰ সংযোগৰ ক্ষেত্ৰত থকা বিভিন্ন সম্ভাৱনা তথা প্ৰত্যাহ্বান বিষয়ে তেওঁ বিশদভাৱে বুজ লয়। মাজুলীৰ এচাম উদ্যমী কৃষকে পৰম্পৰাগত কৃষিৰ লগতে আধুনিক কৃষিৰ সংযোগৰ ক্ষেত্ৰত দৃঢ়তা ৰক্ষা কৰা এনে কৃষিকৰ্মই জিলাখনৰ অৰ্থনীতিলৈ আনা ইতিবাচক পৰিৱৰ্তনক তেওঁ উচ্চ প্ৰশংসা কৰে। এই ভ্ৰমণকালত জিলা আয়ুক্তগৰাকীৰ জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজা, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰ জ্যোতি ফুকন, কৃষি উন্নয়ন বিষয়া নীলোৎপল শইকীয়া আৰু জিন্টু সোণোৱালৰ লগতে কৃষি বিভাগৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলে সংগ দিয়ে। মাজুলী জিলা প্ৰশাসনৰ এনে তৎপৰতাই জিলাখনৰ কৃষক সমাজক উৎসাহিত কৰাৰ লগতে চৰকাৰী আঁচনিসমূহৰ সঠিক ৰূপায়ণ নিশ্চিত কৰিব। আমাৰ কৃষকসকলৰ শ্ৰম আৰু নিষ্ঠাই মাজুলীক কৃষি ক্ষেত্ৰত অধিক স্বাৱলম্বী কৰি তুলিব বুলি আমি আশাবাদী।

৭ যাত্ৰী সংকটজনক অৱস্থাত চিকিৎসালয়ত প্ৰেৰণ বৰপেটাৰোডৰ দোমনীত ভয়াৱহ পথ দুৰ্ঘটনা

অসম বাৰ্তা, বৰপেটাৰোড, ৮ মে’ ঃ বৰপেটাৰোডৰ দোমনীত আজি এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। এখন অমনি ভেন আৰু এখন তিনিচকীয়া চিঞ্জাই বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত ৭ জনকৈ লোক গুৰুতৰভাৱে আহত হৈছে। আহত আটাইকেইজন যাত্ৰীক সংকটজনক অৱস্থাত চিকিৎসালয়ত প্ৰেৰণ কৰা হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি, আজি বৰপেটাৰোডৰ দোমনী অঞ্চলত AS-01-EE-8076 নম্বৰৰ এখন অমনি ভেন আৰু AS-15-BC-1850 নম্বৰৰ এখন যাত্ৰীবাহী চিঞ্জাই বাহনৰ মাজত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুয়োখন বাহনৰ মুখামুখি সংঘৰ্ষ হোৱা বুলি স্থানীয় লোকে জানিবলৈ দিছে। দুৰ্ঘটনাটো ইমানেই শক্তিশালী আছিল যে চিঞ্জাই বাহন আৰু অমনি ভেনৰ বিস্তৰ ক্ষতিসাধন হয় আৰু ইয়াৰ যাত্ৰীসকলৰ গুৰুতৰ ভাৱে আহত হয়। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে বৰপেটাৰোড থানা-বাহন আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ আহত হোৱা যাত্ৰী সকলক চিকিৎসালয়ত প্ৰেৰণ কৰে। ইতিমধ্যে দুৰ্ঘটনাগ্ৰস্ত বাহন দুখন জব্দ কৰিছে যান বাহন আৰক্ষীয়ে।

‘অপাৰেচন সিন্দুৰ’ৰ বৰ্ষপূৰ্তিত ৰূপাই চাইডিঙত শিক্ষাৰ্থীৰ মাজত ভাৰতীয় সেনাৰ সজাগতা কাৰ্যসূচী

অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ৮ মে’ ঃ ‘অপাৰেচন সিন্দুৰ’ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে ভাৰতীয় সেনাই বৃহবাৰে তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰূপাই চাইডিঙত অৱস্থিত লৰ্ণাৰ্ছ হাইস্কুল আৰু ৰূপাই হাইস্কুলত একাধিক সজাগতা আৰু প্ৰেৰণামূলক বক্তৃতানুষ্ঠান আয়োজন কৰে। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল নৱপ্ৰজন্মৰ উদ্বুদ্ধ কৰা আৰু ৰাষ্ট্ৰীয় সেৱা তথা নিৰাপত্তাৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ বৃদ্ধি কৰা। ‘স্পেয়াৰ কৰ্প্‌ছ’ৰ অধীনস্থ ‘ৰেড শ্বিল্ড গানাৰ্ছ’ৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ মূল বিষয়বস্তু আছিল- “বীৰত্বক সন্মান, যুৱ সমাজক প্ৰেৰণা: অপাৰেচন সিন্দুৰক স্মৰণ”। এই পদক্ষেপৰ জৰিয়তে শিক্ষাৰ্থীসকলক অপাৰেচনটোৰ তাৎপৰ্য সম্পৰ্কে সজাগ কৰাৰ লগতে দেশৰ সুৰক্ষাত সশস্ত্ৰ বাহিনীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও অৱগত কৰা হয়। আন্তঃক্ৰিয়ামূলক অধিবেশনসমূহত সেনা বিষয়াসকলে অপাৰেচন সিন্দুৰৰ সফলতা সম্পৰ্কে বিস্তৃতভাৱে আলোকপাত কৰে। তেওঁলোকে ভাৰতীয় সেনাৰ সজাগতা, প্ৰস্তুতি আৰু শত্ৰুপক্ষৰ ভাবুকিৰ বিৰুদ্ধে দৃঢ় সংকল্পৰ কথা উল্লেখ কৰে। একত্ৰিত কৌশল, অসামান্য সাহস আৰু কৰ্তব্যৰ প্ৰতি অবিচল নিষ্ঠাই কেনেদৰে শত্ৰুপক্ষৰ অপচেষ্টা ব্যৰ্থ কৰি দেশৰ সুৰক্ষা সুনিশ্চিত কৰিছিল, সেই বিষয়েও ব্যাখ্যা আগবঢ়োৱা হয়। বক্তাসকলে শৃংখলা, নিষ্ঠা আৰু সেৱাৰ মানসিকতাৰ গুৰুত্বৰ ওপৰতো জোৰ দিয়ে— যিবোৰ মূল্যবোধ সশস্ত্ৰ বাহিনীৰ জীৱনৰ মূল আধাৰ আৰু জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে সমানে প্ৰাসংগিক। শিক্ষাৰ্থীসকলেও গভীৰ আগ্ৰহেৰে অনুষ্ঠানত অংশগ্ৰহণ কৰি সেনা বিষয়াসকলৰ সৈতে মত বিনিময় কৰে আৰু সামৰিক জীৱন তথা ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিস্তৃত দিশসমূহ সন্দৰ্ভত চিন্তাশীল প্ৰশ্ন উত্থাপন কৰে। এই কাৰ্যসূচীয়ে যুৱ সমাজৰ মাজত দেশপ্ৰেম আৰু ৰাষ্ট্ৰসেৱাৰ প্ৰতি তোলাৰ ক্ষেত্ৰত এক অৰ্থবহ মঞ্চ প্ৰদান কৰাৰ লগতে সশস্ত্ৰ বাহিনী আৰু সাধাৰণ জনতাৰ মাজৰ সম্পৰ্ক অধিক দৃঢ় কৰি তোলে। সেনা বিষয়াসকলে কয় যে, এই ধৰণৰ জনসম্পৃক্ততামূলক পদক্ষেপে ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত সোনাহালীৰ অবিচল প্ৰতিশ্ৰুতি আৰু ভৱিষ্যত প্ৰজন্মক উদ্বুদ্ধ কৰাৰ প্ৰচেষ্টাক পুনৰ দৃঢ়ভাৱে প্ৰতিফলিত কৰে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব

Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন